# প্ৰাথমিক শিক্ষাৰ ডিপ্লমা পাঠ্যসূচী

# (ডি এল এড)

পাঠ্যসূচী-৫০১

## ভাৰতবৰ্ষত প্ৰাথমিক শিক্ষা ঃ এক সামাজিক-সাংস্কৃতিক দৃষ্টিভংগী/দৃষ্টিকোণ

## খণ্ড - ৩

## সমসাময়িক প্ৰেক্ষাপটত ভাৰতবৰ্ষত প্ৰাথমিক শিক্ষা-২

ৰাষ্ট্ৰীয় মুক্ত বিদ্যালয় অনুষ্ঠান

A-২৪/২৫, আনুষ্ঠানিক ক্ষেত্ৰ, চেক্টৰ-৬২, নয়ডা

গৌতমবুদ্ধ নগৰ, উত্তৰ প্ৰদেশ - ২০১৩০৯

বেৱচাইট ঃ ডব্লিউ ডব্লিউ ডব্লিউ. এন আই, ও, এচ. এচি. ইন

# খণ্ড - ৩
# সমসাময়িক প্ৰেক্ষাপটত ভাৰতবৰ্ষত প্ৰাথমিক শিক্ষা-২

## খণ্ড গোটসমূহ

গোট ৮ প্ৰাথমিক শিক্ষাৰ বাবে শিক্ষকৰ প্ৰস্তুতি
গোট ৯ বঞ্চিতসকলৰ শিক্ষাৰ বাবে শিক্ষকৰ প্ৰস্তুতি
গোট ১০ প্ৰাথমিক শিক্ষাৰ আন্তৰ্জাতিক দৃশ্যপট

**খণ্ড পৰিচয় ঃ**

এই খণ্ডটো গোট ৮, ৯, ১০ সৰ্বমুঠ তিনিটা গোট লৈ গঠিত।

এই গোট নং ৮ত আপোনালোকে শিক্ষক শিক্ষা কাৰ্যসূচী যেনে— প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক স্তৰৰ উপমঞ্চৰ বিভিন্ন শিক্ষাদান শৈলীমূলক দিশ আৰু বিষয়বস্তু সম্পৰ্কে অধ্যয়ন কৰিব। এই গোটটোৱে ৰাষ্ট্ৰীয় পৰ্যায়ত প্ৰাথমিক শিক্ষাৰ বাবে গুণসম্পন্ন শিক্ষকৰ প্ৰস্তুতিৰ বিষয়ে অৱগত কৰাব।

গোট ৯য়ে বিদ্যালয় শিক্ষাৰ মাধ্যমেৰে বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত থকা বিবিধ বা ভিন্নতা সম্পৰ্কে জানিবলৈ প্ৰথম প্ৰজন্মৰ শিক্ষাৰ্থীসকলক উৎসাহিত কৰাৰ চেষ্টা কৰিছে।

প্ৰাথমিক শিক্ষাৰ দৃশ্যপট গোট ১০ত আন্তৰ্জাতিক পৰ্যায়ত বা প্ৰাথমিক শিক্ষাৰ প্ৰধান আন্তৰ্জাতিক দৃশ্যপট সম্পৰ্কে অধ্যয়ন কৰিবলৈ আপোনালোকক সুযোগ প্ৰদান কৰিব।

# গোট ৮ ঃ প্ৰাথমিক শিক্ষাৰ বাবে শিক্ষকৰ প্ৰস্তুতিকৰণ

**অধ্যায় সংগঠন ঃ**

৮.০ আৰম্ভণি/অৱতাৰণা/পৰিচয়

৮.১ শিক্ষণীয় উদ্দেশ্যসমূহ

৮.২ প্ৰাথমিক শিক্ষাৰ প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক উপমঞ্চৰ বিভিন্ন শিক্ষাদান শৈলীমূলক দিশ আৰু বিষয়সমূহ

৮.৩ প্ৰাথমিক পৰ্যায়ত বিদ্যালয় শিক্ষাৰ বাবে এন চি এফ-২০০৫ বিভিন্ন দিশ আৰু ব্যৱস্থাসমূহ

৮.৩.১ এন চি এফ ২০০৫ৰ প্ৰধান বৈশিষ্ট্যসমূহ

৮.৩.২ শিক্ষকসকলৰ প্ৰাক্‌কালিন প্ৰশিক্ষণ

৮.৩.৩ শিক্ষকসকলৰ অন্তৰ্ৱৰ্তীকালীন প্ৰশিক্ষণ

৮.৩.৪ বিশেষ প্ৰয়োজনৰ বাবে শিক্ষকৰ প্ৰশিক্ষণ

৮.৩.৫ প্ৰাথমিক পৰ্যায়ত শিক্ষক শিক্ষাৰ পাঠ্যক্ৰম।

৮.৩.৬ প্ৰশিক্ষণৰ বাবে আনুষ্ঠানিক আন্তঃগাঁথনি

৮.৩.৭ শিক্ষকৰ নিযুক্তিকৰণ

৮.৪ প্ৰাথমিক শিক্ষাৰ শিক্ষকৰ বাবে শিক্ষক শিক্ষাৰ পাঠ্যক্ৰম গাঁথনি (এন চি এফ টি ই), ২০০৯-১০ৰ কিছুমান গুৰুত্বপূৰ্ণ দিশ।

স্তৰ ১ ঃ প্ৰাথমিক পৰ্যায়ৰ বাবে শিক্ষক শিক্ষা (শ্ৰেণী ৫)

৮.৪.১ যুক্তিযুক্ততা

৮.৪.২ পাঠ্যসূচীৰ বিষয়বস্তু

৮.৪.৩ প্ৰশিক্ষণ

৮.৪.৪ পাঠ্যক্ৰমৰ লেনদেন/কাৰ্যনিৰ্বাহ

৮.৪.৫ শিক্ষক প্ৰশিক্ষকৰ ভূমিকা

৮.৪.৬ মূল্যায়ন

৮.৪.৭ মূল্যায়নৰ বাবে প্ৰয়োজনীয় আহিলাসমূহ

স্তৰ ২ ঃ প্ৰাথমিক স্তৰৰ বাবে শিক্ষক শিক্ষা (শ্ৰেণী ১মৰ পৰা শ্ৰেণী ৮মলৈ)

৮.৪.৮ যুক্তিযুক্ততা

৮.৪.৯ পাঠ্যসূচীৰ বিষয়বস্তু ঃ

৮.৪.১০ প্ৰশিক্ষণ

৮.৪.১১ পাঠ্যক্ৰমৰ লেনদেন

৮.৪.১২ শিক্ষক প্ৰশিক্ষকৰ ভূমিকা

৮.৪.১৩ মূল্যায়ন

৮.৪.১৪ মূল্যায়নৰ বাবে বিভিন্ন আহিলাসমূহ

৮.৫ প্ৰাথমিক শিক্ষক শিক্ষাৰ বিভিন্ন আৰ্হিসমূহ, সংহত আৰ্হিসমূহ

৮.৫.১ প্ৰাথমিক শিক্ষক শিক্ষাৰ বৰ্তমানৰ স্থিতি

৮.৫.২ প্ৰাথমিক শিক্ষক শিক্ষাৰ উন্নীতকৰণ

৮.৫.৩ নতুন আৰ্হিৰ প্ৰয়োজনীয়তা

৮.৫.৪ নতুন পদক্ষেপসমূহ

৮.৬ চিন্তনশীল/প্ৰতিক্ৰিয়াত্মক ব্যক্তি হিচাপে শিক্ষক

৮.৬.১ প্ৰতিক্ৰিয়াত্মক/প্ৰতিফলিত ব্যৱস্থাৰ অৰ্থ

৮.৬.২ প্ৰতিফলন সম্পৰ্কে শিক্ষাবিদসকলে কি কয়

৮.৬.৩ প্ৰতিক্ৰিয়াত্মক ব্যৱস্থাৰ মূল কথা

৮.৬.৪ প্ৰতিফলন ঃ অনুভূতিসমূহৰ সৈতে অভিজ্ঞতা।

৮.৬.৫ প্ৰতিক্ৰিয়াত্মক/প্ৰতিফলিত ব্যৱস্থাৰ আধুনিক ধাৰণা

৮.৬.৬ প্ৰতিক্ৰিয়াত্মক/প্ৰতিফলিত শিকনৰ জিচ্‌নাৰ (Zeichner) আৰু লিচ্‌টনৰ (Liston's) আৰ্হি

৮.৬.৭ প্ৰতিফলনৰ আৰ্হিসমূহ

৮.৭ সামৰণি/সাৰংশ

৮.৮ শব্দকোষ আৰু সংক্ষিপ্ত নাম

৮.৯ অগ্ৰগতিৰ খতিয়ানৰ বাবে আৰ্হি প্ৰশ্ন উত্তৰ

৮.১০ পৰামৰ্শমূলক পঠন আৰু (ৰেফাৰেন্সৰ) প্ৰস্তাৱ

৮.১১ গোট সমাপ্তিৰ অভ্যাস/অনুশীলনী

# প্ৰাথমিক শিক্ষাৰ বাবে শিক্ষকৰ প্ৰস্তুতিকৰণ

**৮.০ পৰিচয় ঃ**

আগৰ খণ্ডত ইতিমধ্যে আপোনালোকে ভাৰতবৰ্ষৰ শিক্ষা ব্যৱস্থা আৰু বিভিন্ন পৰ্যায়ত প্ৰাথমিক শিক্ষা প্ৰদানৰ লগত জড়িত থকা অনুষ্ঠানসমূহৰ বিষয়ে অধ্যয়ন কৰিছে। তদুপৰি 'মৌলিক অধিকাৰ হিচাপে শিক্ষা আৰু ৬ বছৰৰ পৰা ১৪ বছৰ বয়সৰ শিশুসকলক বিনামূলীয়া আৰু বাধ্যতামূলক প্ৰাথমিক শিক্ষা প্ৰদানৰ বাবে সাংবিধানিক ব্যৱস্থাসমূহৰ পৰা উৎপত্তি হোৱা আৰ টি ই আইন ২০০৯ৰ বিষয়েও অধ্যয়ন কৰিছে। ই বহল অৰ্থত প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক দুয়োটা শাখাকে প্ৰাথমিক শিক্ষাত অন্তৰ্ভুক্ত কৰে (শ্ৰেণী ১-৮লৈ) গতিকে প্ৰাথমিক পৰ্যায়ত শিক্ষক শিক্ষাৰ বাবে প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনকৰণৰ প্ৰাসংগিকতা/উপযুক্ততা সম্পৰ্কে ভাবক।

এই গোটটোত আমি শিক্ষক শিক্ষাৰ ব্যৱস্থাৰ পৃষ্ঠভূমি সম্পৰ্কে অধ্যয়ন কৰিম। তেনে শিক্ষা ব্যৱস্থাৰ গুৰুত্ব নো কি? এজন ব্যক্তি হিচাপে আপুনি কিদৰে প্ৰাথমিক পৰ্যায়ত গুণগত শিক্ষক প্ৰস্তুতকৰণৰ জাতীয় লক্ষ্যত উপনীত হ'বলৈ সহায় কৰিব?

**৮.১ শিক্ষণ উদ্দেশ্য ঃ**

এই অধ্যায়/গোটটো অধ্যয়ন কৰি আপুনি—

- প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক পৰ্যায়ৰ উপমঞ্চৰ শিক্ষাদান শৈলীমূলক দিশ/সমস্যা আৰু বিষয়বস্তু চিনাক্ত কৰিব পাৰিব।
- প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত এন চি এফ ২০০৫ৰ গুৰুত্বপূৰ্ণ দিশসমূহৰ বিষয়ে কাৰণ দৰ্শাব পাৰিব।
- গুৰুত্বপূৰ্ণ দিশ/ব্যৱস্থা আৰু সমস্যাসমূহ সমন্বিত কৰিব পাৰিব।
- প্ৰাথমিক শিক্ষক শিক্ষাৰ ক্ষেত্ৰত এন চি এফ টি ই ২০০৯-১০ৰ প্ৰধান বৈশিষ্ট্যসমূহ জানিব পাৰিব।
- বিভিন্ন আৰ্হিৰ প্ৰয়োজনীয়তাৰ বিষয়ে যুক্তি দৰ্শাব পাৰিব।
- প্ৰতিক্ৰিয়াত্মক অভ্যাসৰ বিভিন্ন ধাৰণা সম্বন্ধে বিশ্লেষণ কৰিব পাৰিব।

- প্ৰতিক্ৰিয়াত্মক তথা চিন্তনশীল ব্যক্তি হিচাপে আপোনাৰ কাৰ্য্যাৱলীৰ বিষয়ে সিদ্ধান্ত গ্ৰহণ কৰিব পাৰিব।

**৮.২ প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক পৰ্যায়ৰ উপমঞ্চৰ বিভিন্ন শিক্ষাদানশৈলীমূলক দিশ/সমস্যা আৰু ব্যৱস্থাসমূহ ঃ**

সাধাৰণতে শিক্ষাত লিংগৰ অসমতা, জাতি, ভাষা সংস্কৃতি, ধৰ্ম আৰু অক্ষমতাৰ ক্ষেত্ৰত থকা অসমতা আৰু বিভিন্নতাৰ বাবে অসুবিধাৰ সৃষ্টি হোৱা দেখা যায়। গতিকে তেওঁলোকক প্ৰত্যক্ষভাৱে বিভিন্ন আঁচনিৰ দ্বাৰা পৰিচিত কৰাৰ উপৰিও বিশেষকৈ প্ৰাথমিক পৰ্যায়ত, আগতীয়া বাল্যকালৰ পৰা তেওঁলোকৰ বাবে বিভিন্ন শিক্ষণীয় কাৰ্য্যাৱলী আৰু শিক্ষাদানশৈলীমূলক ব্যৱস্থাৰ প্ৰস্তুতিকৰণ আৰু নিৰ্বাচন কৰিব লাগে।

প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনকৰণে আমাক পাঠ্যক্ৰমৰ পৰিসৰ বিস্তৃত কৰাৰ প্ৰয়োজনীয়তাৰ প্ৰতি সচেতন কৰি তোলে। যাতে ই বিভিন্ন সংস্কৃতিৰ উত্তৰাধিকাৰ আৰু বিভিন্নতাসমূহ অন্তৰ্ভুক্ত কৰিব পাৰি। ইয়াৰ ভিতৰত আত্মসন্মানৰ বিকাশ সাধন, নীতি-নিয়মৰ বিকাশ সাধন আৰু ছাত্ৰ-ছাত্ৰীৰ সৃজনশীলতাৰ বিকাশ কৰাটো প্ৰধানত গুৰুত্বপূৰ্ণ।

প্ৰাথমিক পৰ্যায়ত শিক্ষক শিক্ষা ব্যৱস্থাৰ প্ৰস্তুতকৰণৰ ক্ষেত্ৰত বিশেষভাৱে গুৰুত্বপূৰ্ণ কিছুমান দিশ, বিষয়বস্তু তলত উল্লেখ কৰা হৈছে—

- **পাঠ্যক্ৰম প্ৰস্তুতকৰণ ঃ** বৰ্তমানৰ প্ৰেক্ষাপতত, আমাৰ পাঠ্যক্ৰমে নতুন নতুন ধাৰণা আৰু বিষয়বস্তুসমূহৰ প্ৰতি প্ৰতিক্ৰিয়া প্ৰদৰ্শন কৰা উচিত। ইয়াৰ ভিতৰত সবাতোকৈ গুৰুত্বপূৰ্ণ হৈছে এক আঁচনি বা ব্যৱস্থাৰ জৰিয়তে সকলো ছাত্ৰ-ছাত্ৰীকে/শিশুকে বিদ্যালয়ত অন্তৰ্ভুক্ত আৰু সংৰক্ষণ কৰা যাতে ই প্ৰতিজন শিশুৰ মূল্যবোধক স্বীকৃতি প্ৰদান কৰে আৰু প্ৰতিজন শিশুকে শিকিবলৈ বিশ্বাস আৰু গৌৰৱ অনুভৱ কৰিবলৈ সক্ষম কৰি তোলে। পাঠ্যক্ৰমখনে নিশ্চিতভাৱে প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনকৰণৰ নীতিৰ প্ৰতি প্ৰতিশ্ৰুতিবদ্ধ হোৱা উচিত, যাতে ই কেৱল সাংস্কৃতিক ভিন্নতাকে প্ৰতিনিধিত্ব নকৰে, বৰঞ্চ শাৰীৰিক, মানসিক বৈশিষ্টৰ ভিন্নতাৰে পৰিপূৰ্ণ সামাজিক আৰু অৰ্থনৈতিক পৰিস্থিতিৰ পৰা অহা শিশুসকলক শিক্ষা লাভৰ ক্ষমতা আৰু প্ৰাথমিক পৰ্যায়ত তেওঁলোকৰ কৃতকাৰ্যতা নিশ্চিতকৰণ কৰে।

- **প্ৰণালীৱদ্ধ সংস্কাৰ সাধন ঃ** আমাৰ দেশত পাঠ্যক্ৰমেই সাধাৰণতে সেইসকল ব্যক্তিক উৎসাহিত কৰে, যি সকলে পাঠ্যপুথিৰ বিষয়বস্তু মুখস্থ কৰে আৰু সেই অনুক্ৰমে উত্তৰ প্ৰদান কৰে। এনে পাঠ্যক্ৰমে সৃজনাত্মকভাৱে কোনো বিষয়বস্তুৰ জ্ঞান অৰ্জন কৰাসকলক উৎসাহিত কৰা দেখা নাযায়। এই পদ্ধতি বা দৃষ্টিভংগীটোৰ ক্ষেত্ৰত শৈক্ষিক গভীৰতাৰ অভাৱ দেখা যায়। প্ৰধানত ই ছাত্ৰ-ছাত্ৰীসকলে কিমান পৰিমাণে দিয়া বিষয়বস্তুৰ আয়ত্বত দুৰব্যৱহাৰ কৰিছে সেইটো পৰীক্ষা কৰে। সমাজেও বিশেষকৈ ছাত্ৰ-ছাত্ৰীসকল যিয়ে নিজৰ শিক্ষা দৈনন্দিন কাৰ্যসূচীত প্ৰয়োগ কৰে তেওঁলোকতকৈ ছাত্ৰ-ছাত্ৰী যিসকলে পৰীক্ষাত অধিক নম্বৰ পায় তেওঁলোকক উৎসাহিত কৰে। তদুপৰি গ্ৰেড প্ৰদানৰ পদ্ধতিত ব্যক্তিৰ সৰ্বতো প্ৰকাৰৰ বিকাশৰ বাবে প্ৰয়োজনীয় বিভিন্ন উপাদান ব্যক্তিগত, সামাজিক আৰু আবেগিক আদিক নামমাত্ৰহে গুৰুত্ব প্ৰদান কৰা হয়।

● **পঞ্চায়তীৰাজ অনুষ্ঠানসমূহ (পি আৰ আই এছ) ঃ** পঞ্চায়তীৰাজ অনুষ্ঠানসমূহে বিদ্যালয়সমূহক স্বায়ত্ত আৰু ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰয়োজনৰ প্ৰতি প্ৰতিক্ৰিয়াশীল কৰি তোলে, আৰু লগতে শিক্ষকসকলক দায়বদ্ধ আৰু শিক্ষাব্যৱস্থাক আমোলাতন্ত্ৰবিহীন কৰি গঢ়ি তোলাৰ সুবিধা প্ৰদান কৰে। প্ৰণালীৱদ্ধ সংস্কাৰ সাধন হিচাপে বিকেন্দ্ৰীকৰণ আৰু পঞ্চায়তীৰাজ অনুষ্ঠানসমূহে বৈষয়িক অৱস্থা, স্থানীয় জীৱন আৰু স্থানীয় পৰিৱেশৰ প্ৰতি গুৰুত্ব আৰোপ কৰিব পাৰে। শিশুসকল ডাঙৰ হৈ অহাৰ লগে লগে স্বাভাৱিকভাৱে বিভিন্ন ধৰণৰ কৌশল আয়ত্ব কৰে। যেতিয়া তেওঁলোকে শিক্ষকৰ ওচৰলৈ তেওঁলোকৰ প্ৰশ্নবোৰ লৈ আহে, ই পাঠ্যক্ৰমখনক সমৃদ্ধ কৰি তুলিব আৰু পাঠ্যক্ৰমক সৃজনাত্মক কৰি তোলে। গতিকে পাঠ্যক্ৰমৰ সংস্কাৰ সাধনে বহলভাৱে স্বীকৃত পাঠ্যক্ৰমৰ নীতিসমূহ যেনে— "জনাৰ পৰা নজনালৈ", "মূৰ্তৰ পৰা বিমূৰ্তলৈ" আৰু "স্থানীয়ৰ পৰা বিশ্বব্যাপী" আদি নীতিসমূহৰ অভ্যাস তথা ব্যৱহাৰৰ বাবে সুবিধা প্ৰদান কৰে।

● **গুৰুত্বপূৰ্ণ সমালোচনাক শিক্ষাদানশৈলী ঃ** সমালোচনাত্মক শিক্ষাদানশৈলীয়ে শিক্ষাই কিদৰে প্ৰতিজন ব্যক্তিক তেওঁলোকৰ উন্নতি আৰু গণতন্ত্ৰক শক্তিশালী কৰিবলৈ আহিলা প্ৰদান কৰে সেয়া বিবেচনা কৰে। তদুপৰি ই কিদৰে শিক্ষাই এখন সমাজবাদী সমাজ স্থাপন কৰাৰ আৰু উন্নয়নশীল সামাজিক পৰিৱৰ্তনৰ প্ৰক্ৰিয়াৰ বাবে অৰিহণা যোগায় সেয়া বিবেচনা কৰে। ই হৈছে নীতি আৰু আবেগৰ দ্বাৰা নিৰ্দেশিত শৈক্ষিক পৰিৱেশ যিয়ে ছাত্ৰ-ছাত্ৰীসকলক স্বাধীনতাৰ প্ৰতি সচেতনতা, স্বেচ্ছাচাৰী প্ৰৱণতা চিনাক্তকৰণ আৰু ক্ষমতাৰ লগত জ্ঞানৰ সংযোগ আৰু গঠনাত্মক কাৰ্যৰ বাবে ক্ষমতাৰ বিকাশ সাধন কৰাত সহায় কৰে। সমালোচনামূলক শিক্ষাদানশৈলী শিকন আৰু শিক্ষণৰ সম্পৰ্ক অন্তৰ্ভুক্ত কৰে। ই হৈছে অশিক্ষণ, শিক্ষণ আৰু পুনঃশিক্ষণ, প্ৰতিফলন আৰু মূল্যায়ন আৰু ছাত্ৰ-ছাত্ৰীসকলৰ ওপৰত এই কাৰ্যবোৰৰ প্ৰভাৱ।

● **পাঠ্যক্ৰমিক দিশ/উদ্বেগসমূহ ঃ**

**পৰিৱেশৰ ৰক্ষণাবেক্ষণ/সুৰক্ষা ঃ** যোৱা শতিকাৰ সময়ছোৱাত নতুন প্ৰযুক্তিবিদ্যাৰ পছন্দ/বিকল্পসমূহৰ উত্থানে আৰু মানুহৰ জীৱন প্ৰণালীয়ে পৰিৱেশৰ অৱক্ষয়ৰ সৃষ্টি কৰিছে। গতিকে পৰিৱেশ ৰক্ষা আৰু প্ৰতিপালন কৰাটো আমাৰ কৰ্তব্য। শিক্ষা প্ৰক্ৰিয়াৰ, প্ৰতিটো পৰ্যায় আৰু সমাজৰ প্ৰতিটো শ্ৰেণীৰ লোকৰ মাজত পৰিৱেশৰ উদ্বেগৰ প্ৰতি সজাগতাৰ প্ৰয়োজনীয়তা সম্বন্ধে বিবেচনা ১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষানীতিৰ এক প্ৰধান উপাদান আছিল। তথাপিও ছাত্ৰ-ছাত্ৰীসকলক পৰিৱেশৰ প্ৰতি সংবেদনশীল কৰি তোলা আৰু পৰিৱেশৰ সংৰক্ষণৰ এতিয়াও এক প্ৰধান উদ্বেগৰ বিষয়বস্তু। গতিকে বিদ্যালয়ৰ শিক্ষণ আৰু বিদ্যালয়ৰ বাহ্যিক জীৱনৰ লগত সংযোগ স্থাপন কৰাৰ বাবে এক সচেতনমূলক প্ৰচেষ্টাৰ প্ৰয়োজন।

**শান্তি শিক্ষা ঃ** আমি এক অভূতপূৰ্ব হিংসা আৰু বিদ্বেষৰ যুগত বাস কৰো ঃ স্থানীয়, আঞ্চলিক, জাতীয় আৰু ৰাষ্ট্ৰীয়। এক সংবিগ্ন প্ৰাকৃতিক আৰু মনো-সামাজিক পৰিৱেশে প্ৰায়ে মানৱ সম্পৰ্কত দুচিন্তা, সংঘাত আৰু অসহনশীলতাৰ সৃষ্টি কৰে। শান্তিৰ দ্বাৰা প্ৰতিষ্ঠিত প্ৰকৃতিৰ মাজতহে ব্যক্তিৰ সুস্থ ব্যক্তিত্বৰ বিকাশ হ'ব পাৰে। শিক্ষাই সেয়েহে প্ৰতিজন ব্যক্তিক শান্তিক জীৱনৰ উপায় হিচাপে নিৰ্বাচন

কৰিবলৈ সমৰ্থৱান কৰি তুলিব লাগে আৰু তেওঁলোকৰ নিষ্ক্ৰিয় দৰ্শক হোৱাৰ পৰিৱৰ্তে এক পৰিচালক হোৱাৰ বাবে সমৰ্থনৱান কৰি তুলিব লাগে।

- **জীৱন প্ৰণালী হিচপে গণতন্ত্ৰ ঃ** ভাৰতীয় সংবিধানে সকলো নাগৰিককে ন্যায়, সমতা আৰু স্বাধীনতা প্ৰদান কৰিছে। গণতন্ত্ৰই এনে এক প্ৰকাৰৰ নাগৰিকৰ সৃষ্টি কৰে বা গণতন্ত্ৰৰ বাবে এনে এক প্ৰকাৰৰ নাগৰিকৰ দৰকাৰ যিয়ে নিজৰ স্বাধীনতা তথা স্বায়ত্বশাসন অন্বেষণ কৰে আৰু সেইটো কৰিবলৈ আনৰ অধিকাৰসমূহক সন্মান প্ৰদৰ্শন কৰে। শিক্ষাই সামাজিক পৰিৱৰ্তন আৰু সমতাবাদী সমাজ ব্যৱস্থা স্থাপনৰ আহিলা হিচাপে কাৰ্যনিৰ্বাহ কৰিব লাগে যাতে ধাৰ্মিক বিশ্বাস নিৰ্বিশেষে প্ৰতিজন শিশুৰ মাজত সকলো ব্যক্তিৰ প্ৰতি সন্মানৰ মনোভাৱ ৰোপণ কৰিব পাৰে। আমাৰ সাংস্কৃতিক ঐতিহ্য আৰু জাতীয় পৰিচয় সবল কৰাৰ বাবে পাঠ্যক্ৰমে ছাত্ৰ-ছাত্ৰীসকলক পৰিৱৰ্তনশীল সামাজিক প্ৰেক্ষাপতৰ উদীয়মান দৃষ্টিভংগী আৰু নতুন অগ্ৰাধিকাৰ সন্দৰ্ভত অতীতক পুনঃব্যাখ্যা আৰু পুনঃমূল্যায়ন কৰাৰ বাবে সমৰ্থৱান কৰি তুলিব লাগে। গতিকে শিক্ষাই অধিকাৰ আৰু কাৰ্যৰ প্ৰতি সচেতন আৰু সংবিধানত সন্নিবিষ্ট নীতিসমূহৰ প্ৰতি প্ৰতিশ্ৰুতিৱদ্ধ নাগৰিকৰ সৃষ্টি কৰিব লাগে।

- **শিক্ষাদানশৈলীমূলক বিবেচনা ঃ** পাঠ্যক্ৰমত শিক্ষাদানশৈলীমূলক উপাদানসমূহে ৮০ শতাংশ গুৰুত্ব লাভ কৰিছে। পাঠ্যক্ৰমে শিক্ষাৰ্থী কেন্দ্ৰিক তথা শিশুকেন্দ্ৰিক, ক্ৰিয়াকেন্দ্ৰিক আৰু সহযোগী শিক্ষণ দৃষ্টিভংগীৰ দ্বাৰা শিক্ষণৰ ওপৰত যথেষ্ট গুৰুত্ব আৰোপ কৰিছে। বিদ্যালয়ৰ বিষয়সমূহৰ বিভিন্ন বিষয়বস্তু সম্বন্ধে প্ৰশিক্ষাৰ্থীসকলৰ জ্ঞান বৃদ্ধি কৰাটোও পাঠ্যক্ৰমৰ আন এক গুৰুত্বপূৰ্ণ উদ্দেশ্য।

শিক্ষাত গুণত্বই/গুণগত ধাৰণাই গুণগত জীৱনৰ প্ৰতিটো দিশকে অন্তৰ্ভুক্ত কৰে। পৰিৱেশৰ ৰক্ষণাবেক্ষণ, শান্তিৰ বাবে বিবেচনা, গণতান্ত্ৰিক নাগৰিকত্ব আৰু সামাজিক পৰিৱৰ্তনৰ প্ৰৱণতা আদি গুণগত ধাৰণাৰ প্ৰধান উপাদানসমূহ। বৰ্তমান সময়ত ৰাষ্ট্ৰ আৰু মানৱতাই সন্মুখীন হোৱা প্ৰত্যাহ্বানসমূহৰ বহল দৃষ্টিকোণৰ পৰা পাঠ্যপুথিত আৰু আন বিষয়বস্তুসমূহৰ জ্ঞানৰ উপস্থাপন হ'ব লাগে। কোনো বিষয়ে বিদ্যালয়ত এই বহল দৃষ্টিকোণৰ পৰা পৃথক হ'ব নোৱাৰে আৰু সেয়েহে প্ৰতিটো বিষয়তে অন্তৰ্ভুক্ত হ'বলগীয়া জ্ঞানৰ নিৰ্বাচন কৰোতে অৰ্থ-সামাজিক আৰু সাংস্কৃতিক ব্যৱস্থা আৰু লক্ষ্য ক্ষেত্ৰত সচেতনমূলক পৰীক্ষণৰ প্ৰয়োজন।

**কাৰ্যৱলী ঃ ১**

তলত চিত্ৰসমূহলৈ চাওক। যদি উক্ত চিত্ৰবোৰত আপোনালোক শিক্ষক তেন্তে অপোনালোকৰ প্ৰতিক্ৰিয়া কেনে ধৰণৰ হ'ব?

Change the teacher's talk in the call out as per your idea.

Picture 1



Picture 2



Picture 1




Picture 2




শেষত, তলৰ বিষয়বস্তুখিনি হৈছে বিবেচনামূলক যাৰ বাবে সঠিক পৰিকল্পনা আৰু প্ৰয়োগকৰ্তাৰ প্ৰয়োজন।

- ➢ শ্ৰেণীকোঠাৰ আন ছাত্ৰ-ছাত্ৰীসকলৰ অভিজ্ঞতাৰ লগত সংযোগ সাধন কৰা।
- ➢ বিদ্যালয়ৰ বাহিৰৰ জীৱনৰ লগত জ্ঞানৰ সংযোগ সাধন কৰা।
- ➢ মুখস্থ বিদ্যাৰ মুখস্থ স্মৰণকৰণৰ পৰা শিক্ষণৰ স্থানান্তৰণ কৰাৰ বাবে সুনিশ্চিত কৰা।
- ➢ ছাত্ৰ-ছাত্ৰীসকলক পাঠ্যপুথি কেন্দ্ৰিক কৰাতকৈ তেওঁলোকৰ সৰ্বতোপ্ৰকাৰৰ বিকাশৰ বাবে পাঠ্যক্ৰমৰ সমৃদ্ধিকৰণ।
- ➢ শ্ৰেণীকোঠাৰ জীৱনত পৰীক্ষাক পৰিৱৰ্তনশীল আৰু সংহত কৰি তোলা।
- ➢ দেশৰ গণতান্ত্ৰিক ৰাজনীতিৰ ভিতৰত অগ্ৰাহ্য পৰিচয়ৰ প্ৰতিপালন কৰা।
- ➢ সমাজৰ বঞ্চিত শিশুসকলৰ জ্ঞান আৰু কৌশলৰ ব্যৱহাৰ কৰা যাতে সমাজৰ বিশেষ

অধিকাৰপ্ৰাপ্তসকলৰ তথা লগৰীয়াসকলৰ পৰা যথোচিত সন্মান আৰু গুৰুত্ব লাভ কৰে।

**৮.৩ প্ৰাথমিক পৰ্যায়ত বিদ্যালয় শিক্ষাৰ বাবে এন চি এফ ২০০৫ৰ বিভিন্ন দিশসমূহ ঃ**

ৰাষ্ট্ৰীয় পাঠ্যক্ৰম গাঁথনি (এন চি এফ ২০০৫)য়ে ভাৰতবৰ্ষত বিদ্যালয় শিক্ষা ব্যৱস্থাৰ বিষয়সূচী, পাঠ্যপুথি আৰু শিক্ষণ ব্যৱস্থা/অভ্যাসৱলী প্ৰস্তুতকৰণৰ বাবে গাঁথনি প্ৰদান কৰে। এই দলিলখন পূৰ্বৰ চৰকাৰৰ প্ৰতিবেদন শিক্ষা হৈছে 'বোজাবিহীন শিক্ষণ', ৰাষ্ট্ৰীয় শিক্ষানীতি ১৯৮৬ আৰু ১৯৯২ আৰু ফোকাচ গ্ৰুপ/দল আলোচনাৰ ওপৰত প্ৰতিষ্ঠিত।

**৮.৩.১ এন চি এফ ২০০৫ৰ প্ৰধান বৈশিষ্ট্যসমূহ ঃ**

এই দলিলখন ৫টা ক্ষেত্ৰত বিভক্ত কৰা হৈছে।




চিত্ৰ ৮.১

৬ বছৰৰ পৰা ১৫ বছৰ বয়সলৈ প্ৰতিটো শিশুৰ বাবে বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা এক অধিকাৰ কৰিবলৈ আৰু প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনকৰণৰ বাবে ভাৰতীয় সংসদে 'শিক্ষাৰ অধিকাৰ আইন, ২০০৯ বলবৎ কৰিছে। এই আইনখন ২০১০ চনৰ ৰ এপ্ৰিলত কাৰ্যকৰী হৈছিল। আগৰ গোটবোৰত আপোনালোকক এই গুৰুত্বপূৰ্ণ সাংবিধানিক ব্যৱস্থাসমূহৰ লগত চিনাকি/পৰিচয় কৰাই দিয়া হৈছে।

প্ৰাথমিক শিক্ষাৰ নতুন দিশসমূহে (ক) সাৰ্বজনীন সুবিধা আৰু নামভৰ্তিকৰণ, (খ) ১৪ বছৰ বয়স পৰ্যন্ত শিশুসকলৰ সাৰ্বজনীন সংৰক্ষণ আৰু (গ) প্ৰতিটো শিশুৱে যাতে শিক্ষণৰ গুৰুত্বপূৰ্ণ পৰ্যায়ত উপনীত হ'ব পাৰে তাৰ বাবে শিক্ষাৰ গুণগত মানদণ্ড উন্নত কৰা।

প্ৰাথমিক শিক্ষাৰ শিক্ষক হিচাপে আপুনি, এন চি এফ ২০০৫ত উল্লেখিত মূল প্ৰশ্নসমূহৰ প্ৰতি সচেতন হোৱা উচিত। সেইবোৰ হৈছে—

১। বিদ্যালয়সমূহে কি কি শিক্ষণীয় উদ্দেশত উপনীত হোৱালৈ বিচৰা উচিত?

২। এই উদ্দেশ্যসমূহ উপনীত হ'বলৈ কি ধৰণৰ শৈক্ষিক অভিজ্ঞতা প্ৰদান কৰা উচিত?

৩। এই শিক্ষণীয় অভিজ্ঞতাবোৰ কিদৰে অৰ্থপূৰ্ণভাৱে সংগঠিত কৰিব পাৰি?

ইয়াত উল্লেখিত ব্যৱস্থাসমূহৰ প্ৰাথমিক শিক্ষাৰ শিক্ষক হিচাপে আপোনালোকৰ প্ৰতিযোগিতা আছে, সেই ব্যৱস্থাসমূহ তলত বৰ্ণনা কৰা হ'ল—

শিক্ষকসকলৰ প্ৰশিক্ষণ ঃ




চিত্ৰ ৮.২

**৮.৩.২ ঃ শিক্ষকসকলৰ প্ৰাক্‌কালীন প্ৰশিক্ষণঃ**

- স্বীকৃত অনুষ্ঠানসমূহৰ বাহিৰে বাকী সকলো ধৰণৰ অনুষ্ঠানসমূহত শিক্ষকসকলৰ ব্যক্তিগত কৌশলসমূহ ৰাজ্যিক শিক্ষা বিভাগ আৰু পৰীক্ষণ কৰ্তৃপক্ষবোৰৰ নিয়মবোৰৰ দ্বাৰা নিৰ্ধাৰিত কৰা হয়। শৈক্ষিক আৰু বৃত্তিগত যোগ্যতাৰ ক্ষেত্ৰত বৃত্তিগত কৌশলৰ পৰ্যায় স্থিৰ. আৰু ইয়াক মান্যতা আৰু অন্তৰ্ভুক্তিকৰণৰ মঞ্জুৰ কৰাৰ ক্ষেত্ৰতো গুৰুত্বপূৰ্ণ বুলি বিবেচনা কৰা হয়। সেয়েহে ব্যক্তিগত আৰু ৰাজহুৱা খণ্ডত প্ৰতিষ্ঠিত বিভিন্ন ধৰণৰ অনুষ্ঠানসমূহে ৰাজ্যৰ দ্বাৰা নিৰ্ধাৰিত মানদণ্ড পালন কৰিব লাগে।

- শিক্ষকসকলৰ প্ৰাৰম্ভিক প্ৰশিক্ষণ সাধাৰণতে ৩টা পৰ্যায়ত সংগঠিত কৰা হয়। যেনে— পূৰ্ব বিদ্যালয় শিক্ষক শিক্ষা, প্ৰাথমিক শিক্ষক শিক্ষা আৰু মাধ্যমিক শিক্ষক শিক্ষা।

- বিশেষকৈ প্ৰাথমিক শ্ৰেণীবোৰ— শ্ৰেণী ১ৰ পৰা ৫মলৈ শিকাবলৈ শিক্ষকসকলক প্ৰশিক্ষণ দিয়াৰ বাবে প্ৰাথমিক শিক্ষক শিক্ষা সংগঠিত কৰা হৈছে। প্ৰাথমিক শিক্ষক শিক্ষা ব্যৱস্থাত নামভৰ্তি কৰাৰ ন্যূনতম যোগ্যতা। অৰ্হতা হৈছে ১০ বছৰীয়া অথবা ১২ বছৰীয়া স্কুলীয়া শিক্ষা। বৰ্তমান প্ৰায়বোৰ ৰাজ্যতে এনে ব্যৱস্থাত নামভৰ্তিৰ অৰ্হতা ১২ বছৰীয়া স্কুলীয়া শিক্ষা নিৰ্ধাৰণ কৰিছে যদিও এতিয়াও কিছুমান ৰাজ্যত নামভৰ্তিৰ এই যোগ্যতা হৈছে মাধ্যমিক স্কুলৰ পৰীক্ষা উত্তীৰ্ণ। এই ব্যৱস্থাৰ/কাৰ্যসূচীৰ প্ৰায়বোৰ ৰাজ্যতে সময়সীমা দুই বছৰ, কিন্তু কিছুমান ৰাজ্যত এই সময়সীমা এক বছৰ। প্ৰাথমিক শিক্ষক প্ৰশিক্ষণ অনুষ্ঠানসমূহ তিনি প্ৰকাৰৰ— চৰকাৰী, ব্যক্তিগত সহায় প্ৰাপ্ত, ব্যক্তিগত অসহায়প্ৰাপ্ত (private unbleded) সকলো ৰাজ্যতে বৰ্তমান জিলা শিক্ষা আৰু প্ৰশিক্ষণ অনুষ্ঠান স্থাপন কৰা হৈছে। জিলা শিক্ষা আৰু প্ৰশিক্ষণ অনুষ্ঠানৰ এটা উল্লেখযোগ্য বৈশিষ্ট্য হৈছে ই শিক্ষকক প্ৰাক্-কালীন শিক্ষক শিক্ষা প্ৰদান কৰাৰ উপৰিও অন্তৰ্বৰ্তীকালীন শিক্ষা

প্ৰদান কৰে।

**৮.৩.৩ শিক্ষকৰ অন্তৰ্ৱৰ্তীকালীন প্ৰশিক্ষণ ঃ**

এন পি ই ১৯৮৬ৰ প্ৰেক্ষাপতত, ভাৰত চৰকাৰে শিক্ষকসকলৰ অন্তৰ্ৱৰ্তীকালীন প্ৰশিক্ষণ ব্যৱস্থা কৰা হৈছে, যাতে প্ৰাথমিক বিদ্যালয়ৰ শিক্ষকসকলক সামৰি ল'ব পাৰে। ইয়াৰ বাবে সংগঠিত কিছুমান ব্যৱস্থা হৈছে—

- **বিদ্যালয় শিক্ষকসকলৰ জন উন্মুখীকৰণৰ ব্যৱস্থা/কাৰ্যসূচী ঃ** (পি এম ও এচ টি) এই ব্যৱস্থা বা কাৰ্যসূচীৰ উদ্দেশ্য হৈছে শিক্ষাৰ উদীয়মান দিশসমূহৰ বা উদ্বেগসমূহৰ প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনকৰণ, শিক্ষাৰ্থীকেন্দ্ৰিক দৃষ্টিভংগী, ক্ৰিয়া গৱেষণা, শিক্ষকসকলৰ দায়িত্ব আৰু কৰ্তব্য, পাঠ্যক্ৰমিক দিশত বা বিষয়ত তেওঁলোকৰ জ্ঞানৰ সমৃদ্ধি আৰু এন পি ই ১৯৮৬ত উল্লেখিত অন্যান্য দিশসমূহৰ প্ৰতি সংবেদনশীল কৰি তোলা। ই কাৰ্যক্ষেত্ৰত ১৯৮৬-১৯৯০ চনলৈ ১০ দিনীয়া কাৰ্যসূচী আছিল আৰু প্ৰায় ১.৮ মিলিয়ন শিক্ষক ইয়াৰ দ্বাৰা সামৰি লোৱা হৈছিল। বিভিন্ন ৰাজ্যৰ এচ চি ই আৰ টিৰ সহযোগত এন চি ই আৰ টিয়ে এই কাৰ্যসূচী বাস্তৱায়িত হৈছিল। দেশৰ বিভিন্ন প্ৰান্তত শিক্ষকসকলৰ উপযোগিতাৰ বাবে বিভিন্ন প্ৰশিক্ষণ প্ৰিণ্ট পেকেজ সম্বলিত চলচ্চিত্ৰ/ফ্লিম ৰাষ্ট্ৰীয় নেটৱৰ্কত প্ৰচাৰ কৰা হয়। প্ৰত্যেকটো দৃশ/দেখাৰ অধিৱেশন আলোচনাৰ দ্বাৰা অনুধাৱন কৰা হয়। এই প্ৰশিক্ষণত এক অংশগ্ৰহণকাৰী আৰু যোগাযোগমূলক ব্যৱস্থা অনুকৰণ কৰা হয়।
- **প্ৰাথমিক বিদ্যালয়ৰ শিক্ষকসকলৰ বাবে বিশেষ উন্মুখীকৰণ ব্যৱস্থাযকাৰ্যসূচী ঃ** প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনকৰণৰ লক্ষ্যত উপনীত হোৱাৰ কৌশলৰ ব্যৱস্থাৰ অংশ হিচাপে প্ৰাথমিক শিক্ষাৰ গুণগত বিকাশৰ বাবে এই ব্যৱস্থা/কাৰ্যসূচী ১৯৯৩-৯৪ চনত ৰূপায়ণ কৰা হৈছিল। এই কাৰ্যসূচীৰ প্ৰধান গুৰুত্বপূৰ্ণ দিশ হৈছে প্ৰাথমিক স্তৰৰ বাবে চিনাক্ত কৰা এম এল এল এচ কাৰ্যকৰী কৰা, প্ৰাথমিক বিদ্যালয়ৰ শিক্ষকসকলক প্ৰদান কৰা অ'পেৰেচন ব্লেকবৰ্ড বা কৃষ্ণফলক আঁচনিৰ সামগ্ৰীসমূহ ব্যৱহাৰ কৰাৰ প্ৰশিক্ষণ, শিক্ষকসকলক শিকনৰ শিশুকেন্দ্ৰিক ব্যৱস্থা গ্ৰহণ কৰিবলৈ উৎসাহিত কৰা। এই কাৰ্যসূচীয়ে প্ৰত্যেক বছৰে ০.৪৫ মিলিয়ন শিক্ষকসকলক সামৰি লোৱাৰ পৰিকল্পনা কৰা হৈছে।

**৮.৩.৪ বিশেষ প্ৰয়োজন সম্পন্নৰ বাবে শিক্ষক প্ৰশিক্ষণ ঃ**

- বিশেষ প্ৰয়োজন সম্পন্ন শিশুসকলৰ যত্ন লোৱাৰ বাবে সকলো শিক্ষক আৰু শিক্ষা বিষয়াসকলক উন্মুখীকৰণৰ উদ্দেশ্যে এন চি ই আৰ টিৰ (NCERT) দ্বাৰা বিশেষ ব্যৱস্থা লোৱা হৈছে আৰু ইয়াৰ বাবে সকলোবোৰ মুখ্য অন্তৰৱৰ্তীকালীন শিক্ষক প্ৰশিক্ষণ ব্যৱস্থাত বিশেষ প্ৰয়োজনসম্পন্নসকলৰ বিষয়ে অন্তৰ্ভুক্ত কৰা হৈছে। ইয়াৰ প্ৰধান গুৰুত্বপূৰ্ণ দিশ হৈছে সাধাৰণ শিক্ষকসকলক প্ৰস্তুত কৰি তোলা আৰু শ্ৰেণীকোঠাত সকলোৰে ব্যক্তিগত প্ৰয়োজন পূৰণৰ ওপৰত গুৰুত্ব দি প্ৰাথমিক বিদ্যালয়সমূহক অন্তৰ্ভুক্তিকৃত বিদ্যালয় হিচাপে গঢ় দিয়াৰ দিশে গতি কৰা। এই প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষকসকলক এন চি ই আৰ টি (NCERT)ৰ চাৰি আৰ আই ইচ (RIES) দ্বাৰা প্ৰদান কৰা বহুমুখী প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষকসকলৰ দ্বাৰা সমৰ্থিত। বিশেষ বিদ্যালয়সমূহত

অন্তৰ্ভুক্ত শিক্ষকসকলক বিশেষকৈ একক অক্ষমতা বিদ্যালয় আৰু বহু অক্ষমতাযুক্ত বিদ্যালয় যেনে— মাংসপেশীৰ অনৈচ্ছিক আক্ষেপজনিত (spastics), চেৰিব্ৰেল পালচি্ ইত্যাদি (মস্তিষ্কৰ পক্ষাঘাত) আদিক বাধাগ্ৰস্তসকলৰ ৰাষ্ট্ৰীয় অনুষ্ঠান (National Institute for Handicapped) আৰু ভাৰতবৰ্ষৰ ৰিহেবিলিটেচন কাউন্সিলৰ দ্বাৰা অনুমোদিত তথা মান্যতা প্ৰাপ্ত পাঠ্যসূচীৰ সৈতে আন কিছুমান স্বেচ্ছাচাৰী সংগঠনৰ অধীনত প্ৰশিক্ষণ দিয়া হয়। বিশেষ শিক্ষাৰ ক্ষেত্ৰত বহু সংখ্যক বিশ্ববিদ্যালয়ে বৰ্তমান (B.Ed.) বি. এড আৰু এম. এড (M.Ed.) পাঠ্যক্ৰম আৰম্ভ কৰিছে।

**৮.৩.৫ প্ৰাথমিক স্তৰ/পৰ্যায়ত শিক্ষক শিক্ষাৰ পাঠ্যক্ৰম ঃ**

- প্ৰাথমিক শিক্ষক সকলক বিশেষকৈ, প্ৰথম তিনিটা গ্ৰেডত বা পৰ্যায়ত প্ৰধানকৈ সাক্ষৰতা, সংখ্যাত্মক আৰু জীৱন শৈলী শিকাব বুলি আশা কৰা হয়। ইয়াৰ উপৰিও শিক্ষকৰ শিশুসকলৰ বৃদ্ধি, বিকাশ আৰু শিক্ষণ প্ৰক্ৰিয়াৰ জ্ঞান থকাটো প্ৰয়োজনীয়।
- প্ৰাথমিক পৰ্যায়ৰ শিক্ষক শিক্ষাৰ পাঠ্যক্ৰম ৰাজ্য চৰকাৰ/শিক্ষক শিক্ষাৰ ৰাজ্যিক ব'ৰ্ড দ্বাৰা নিৰ্ধাৰিত/প্ৰস্তুত কৰা হয় আৰু ইয়াক সময়ে সময়ে পুনৰীক্ষণ কৰা হয়।
- প্ৰাথমিক শিক্ষাৰ বাবে এন চি ই আৰ টিয়ে (NCERT) আদৰ্শ পাঠ্যক্ৰম প্ৰস্তুত কৰিছে। ৰাজ্য চৰকাৰবোৰে আৰু বিশ্ববিদ্যালয়সমূহে এই আদৰ্শ পাঠ্যক্ৰম তেওঁলোকৰ শিক্ষক শিক্ষা ব্যৱস্থাত গ্ৰহণ কৰিব পাৰে। এন চি আৰ টিয়ে এই পাঠ্যক্ৰম সময়ে সময়ে সংশোধন কৰে। এনচি আৰ টিৰ দ্বাৰা দ্বাৰা নিৰ্দেশিত বৰ্তমান পাঠ্যক্ৰমৰ গাঁথনি সম্বন্ধে পিছৰ উপ-গোট আমি অধ্যয়ন কৰিম।

**৮.৩.৬ প্ৰশিক্ষণৰ বাবে আনুষ্ঠানিক আন্তঃগাঁথনি ঃ**

শিশুসকলৰ অন্তৰ্বৰ্তীকালীন প্ৰশিক্ষণৰ আন্তঃগাঁথনি ৰাষ্ট্ৰীয় ৰাজ্যিক, আঞ্চলিক, জিলাভিত্তিক আৰু উপ-জিলাভিত্তিক স্তৰত/পৰ্যায়ত আছে। এই পাঠ্যসূচীৰ ৪ নম্বৰ গোটত আপোনালোকে এই বিষেয়ে শিকিব।

আন্তৰ্জাতিক/ৰাষ্ট্ৰীয় এন চি ই আৰ টি (NCERT), নিউপা (NUEPA), বিদেশী ভাষা আৰু ইংৰাজীৰ কেন্দ্ৰীয় অনুষ্ঠান (CIEFL), হাইদৰাবাদ আৰু ভাৰতীয় ভাষাৰ কেন্দ্ৰীয় অনুষ্ঠান (CIIL), মহীশূৰ আদি অনুষ্ঠান আছে।

আঞ্চলিক পৰ্যায়ত, দেশৰ চাৰিটা দিশত উত্তৰ, পশ্চিম, পূব দক্ষিণত শিক্ষাৰ আঞ্চলিক অনুষ্ঠান (Regional Institute of Education) অৱস্থিত। ভাৰতৰ উত্তৰ-পূব দিশৰ বাবে চিলঙত নতুনকৈ আন এটা শিক্ষাৰ আঞ্চলিক অনুষ্ঠান স্থাপন কৰা হৈছে।

আকৌ ৰাজ্যিক পৰ্যায়ত, এচ চি ই আৰ টি (SCERT) শিক্ষাৰ ৰাজ্যিক অনুষ্ঠান (SIE), ৰাজ্যিক বিজ্ঞান শিক্ষাৰ অনুষ্ঠান (State Institute of Science Education), আই এ এছ ই (IASE), চি টি ইচ (CTEs) আৰু এচ আই ই টি চ (SIETs) আদি অনুষ্ঠান সমূহ আছে।

জিলা পৰ্যায়ত জিলা শিক্ষা আৰু প্ৰশিক্ষণ অনুষ্ঠান (DIET) আৰু অন্তৰ্বৰ্তীকালীন প্ৰশিক্ষণ

অনুষ্ঠান আছে। উচ্চ প্ৰাথমিক আৰু প্ৰাথমিক পৰ্যায়ত কৰ্মৰত শিক্ষকসকলক ডায়েটে (DIET)য়ে অন্তৰ্ৱৰ্তী/কৰ্মকালীন শিক্ষা প্ৰদান কৰে। বৰ্তমান উপ-জিলা ভিত্তিক পৰ্যায়ত, যেনে— খণ্ড আৰু গোট (cluster) পৰ্যায়ত অন্তৰ্ৱৰ্তীকালীন/কৰ্মকালীন প্ৰশিক্ষণৰ কেন্দ্ৰ স্থাপন কৰা হৈছে। এই কেন্দ্ৰসমূহ আৰম্ভ কৰিবলৈ ডি পি ই পিৰ অধীনত (DPEP) জিলা পৰ্যায়ত প্ৰথমে এই কেন্দ্ৰসমূহ স্থাপন কৰা হৈছে।

**৮.৩.৭ শিক্ষকসকলৰ নিযুক্তি ঃ**

বিভিন্ন ৰাজ্যসমূহে বিভিন্ন নিযুক্তিৰ প্ৰক্ৰিয়া অনুকৰণ কৰে। কিছুমান ৰাজ্যত, প্ৰতিযোগিতামূলক পৰীক্ষাত প্ৰাৰ্থীসকলৰ প্ৰদৰ্শনৰ তথা কৰ্মক্ষমতাৰ ওপৰত ভিত্তি কৰি নিযুক্তি দিয়া হয়। আনহাতে, আন কিছুমান ৰাজ্যত আকৌ প্ৰাৰ্থীসকলৰ শৈক্ষিক আৰু বৃত্তিগত পৃষ্ঠভূমিৰ ওপৰত ভিত্তি কৰি নিয়োগ কৰা হয়। প্ৰতিজন প্ৰাৰ্থীয়ে যোগ্যতা তেওঁলোকে পৰীক্ষাত লাভ কৰা নম্বৰৰ ওপৰত ভিত্তি কৰি নিৰ্ধাৰণ কৰে আৰু লগতে তেওঁলোকে লাভ কৰা পূৰ্বৰ শিক্ষণ অভিজ্ঞতাৰ ওপৰতো তেওঁলোকৰ যোগ্যতা নিৰ্ভৰ কৰে। আন কিছুমান ৰাজ্যত, দুটা প্ৰক্ৰিয়াৰ সংমিশ্ৰণ, যেনে— প্ৰতিযোগিতামূলক পৰীক্ষাত প্ৰাৰ্থীসকলৰ প্ৰদৰ্শন আৰু প্ৰাৰ্থীসকলৰ শৈক্ষিক শংসাপত্ৰত (academic credintiaf) ভিত্তি কৰি নিৰ্ধাৰণ কৰা যোগ্যতা— এই দুয়োটা প্ৰক্ৰিয়া গ্ৰহণ কৰা হয়। তদুপৰি সাক্ষাৎকাৰৰ দ্বাৰা অনুষ্ঠিত মৌখিক পৰীক্ষাত প্ৰাৰ্থীসকলে দেখুওৱা কৰ্মক্ষমতা/প্ৰদৰ্শনৰ ওপৰতো কিছু গুৰুত্ব আৰোপ কৰা হয়।

**৮.৪ প্ৰাথমিক শিক্ষকসকলৰ বাবে শিক্ষক শিক্ষাৰ ৰাষ্ট্ৰীয় পাঠ্যক্ৰম গাঁথনি (এন চি এফ টি ই), ২০০৯-১০ৰ প্ৰধান দিশসমূহ ঃ**

শিক্ষক শিক্ষা আৰু বিদ্যালয় শিক্ষাৰ মাজত এক পৰস্পৰ সম্পৰ্ক আছে। ইটো আনটোৰ ওপৰত প্ৰভাৱ পেলায়। উপযুক্ত শিক্ষক শিক্ষাই উপযুক্ত শিক্ষক সৃষ্টি কৰাত সহায় কৰে। এই শিক্ষকসকলে স্কুলীয়া ছাত্ৰ-ছাত্ৰীসকলক উপযুক্ত শিক্ষা প্ৰদান কৰাৰ লগতে স্কুলীয়া শিক্ষাৰ গুণগত মানৰ সংস্কাৰ কৰিব। গতিকে, শিক্ষাৰ সম্পূৰ্ণ গুণগত বিকাশ আৰু উন্নতি শিক্ষক শিক্ষাৰ পুনৰগঠনৰ ওপৰত নিৰ্ভৰ কৰে। এই গুণগত বিকাশ ৰাষ্ট্ৰীয় আৰু আন্তৰ্জাতিক পৰ্যায়ৰ উদীয়মান উদ্বেগ/দিশসমূহ আৰু পৰিৱৰ্তিত শিক্ষাৰ কেনভাসৰ অনুজ্ঞাসূচকৰ লগত সংগতি ৰাখি কৰা হ'ব।

**স্তৰ ১**

প্ৰাথমিক পৰ্যায়ৰ বাবে
শিক্ষক শিক্ষা শ্ৰেণী
১মৰ পৰা ৫মলৈ

**স্তৰ ২**

প্ৰাথমিক পৰ্যায়ৰ বাবে
শিক্ষক শিক্ষা শ্ৰেণী
১মৰ পৰা ৮মলৈ

চিত্ৰ ৮.৩

বিভিন্ন স্তৰৰ বাবে এই গাঁথনি সম্বন্ধে তলত বৰ্ণনা কৰা হ'ল ঃ

**পৰ্যায়/স্তৰ ১ ঃ** প্ৰাথমিক শিক্ষাৰ বাবে শিক্ষক শিক্ষা (শ্ৰেণী ১মৰ পৰা ৫মলৈ)

**৮.৪.১ ঃ যুক্তিযুক্ততা ঃ**

শিক্ষকসকলক প্ৰশিক্ষণৰ মাজেৰে সবলীকৰণ কৰাৰ প্ৰয়োজনীয়তা আছে যাতে তেওঁলোকে সমাজৰ বিভিন্ন সমস্যা আৰু বিকাশ প্ৰক্ৰিয়াৰ ঐতিহাসিক দৃষ্টিভংগী সম্বন্ধে অন্তৰ্দৃষ্টি লাভ কৰিব পাৰে। আপুনি জানে বা সচেতন যে শিক্ষকৰ প্ৰফাইল বিশেষকৈ শিকনৰ পৰা শিক্ষণৰ সূচলকাৰীলৈ সলনি হৈছে, এন চি এফ টি ই য়ে প্ৰাথমিক শিক্ষাৰ বাবে স্থানীয় পৰিৱেশক গ্ৰহণ কৰিব পৰাকৈ বা স্তানীয় পৰিৱেশৰ উপযোগীকৈ এক পৰিৱৰ্তনশীল গাঁথনিৰ পৰামৰ্শ আগবঢ়াইছে।

**৮.৪.২ ঃ পাঠ্যসূচীৰ বিষয়বস্তু ঃ**

- এন চি এফ টি ইয়ে উল্লেখ কৰা মতে উদীয়মান ভাৰতীয় সমাজৰ পাঠ্যসূচীয়ে এন চি এফ ২০০৫ (NCF 2005)ত চিনাক্ত কৰা গুৰুত্বপূৰ্ণ দিশসমূহ, শিশুৰ অধিকাৰ, মানৱ অধিকাৰ শিক্ষা, মূল্যবোধ আৰু ইয়াৰ বৈশিষ্ট্যসমূহ, দেশৰ শৈক্ষিক, সামাজিক অৰ্থনৈতিক আৰু ৰাজনৈতিক বিকাশৰ দৃষ্টিভংগী, বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাক সামৰি বিভিন্ন ক্ষেত্ৰৰ বিকাশৰ গুৰুত্বপূৰ্ণ দিশসমূহ আদি অন্তৰ্ভুক্ত কৰে। ইয়াৰ প্ৰধান উদ্দেশ্য হৈছে শিক্ষকসকলক প্ৰাসংগিক সত্যতাৰ প্ৰতি সচেতন কৰি তোলা য'ত তেওঁলোক কৰ্মৰত।
- শিকন আৰু শিক্ষণৰ মনোবিজ্ঞান, স্বাস্থ্য আৰু শাৰীৰিক শিক্ষা, বিশেষ প্ৰয়োজনসম্পন্ন শিশুসকলৰ শিক্ষা আদি পাঠ্যসূচী হৈছে শিশু সম্বন্ধে বোধ, সম্প্ৰদান আৰু সমাজ, বিদ্যালয়ৰ অন্তৰ্ভুক্ত বাহ্যিক আৰু আভ্যন্তৰিণ কাৰক আৰু শিক্ষাৰ্থীৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰা বাহ্যিক আৰু আভ্যন্তৰিণ উপাদানসমূহৰ বিষয়ে বোধ লাভ কৰাৰ বাবে প্ৰয়োজনীয় তাত্বিক উপাদান।
- বিদ্যালয় সংগঠন আৰু প্ৰাথমিক বিদ্যালয়ৰ বিষয়সমূহৰ শিক্ষাদানশৈলীমূলক বিশ্লেষণ প্ৰয়োজন কাৰণ ই শিক্ষকসকলক শিক্ষক হিচাপে কৰ্ম কৰিবলৈ এক সুস্থ গাঁথনি প্ৰদান কৰে।

**৮.৪.৩ প্ৰশিক্ষণ ঃ**

- প্ৰশিক্ষণ ব্যৱস্থাত তাত্বিক আৰু ব্যৱহাৰিক দিশৰ সংহতি স্থাপনে এই দুয়োটাৰে মাজত অৰ্থপূৰ্ণ আৰু যোগাযোগৰ সম্পৰ্ক স্থাপন কৰে।
- বাহ্যিক পৰিৱেশ আৰু শিক্ষাৰ পাঠ্যক্ৰমিক দিশৰ মাজত সহসম্বন্ধ স্থাপন হয়।
- শিক্ষকে তেওঁলোকৰ বৃত্তিটোত বিভিন্ন সমস্যা সমাধান কৰিব লগা হয়। প্ৰশিক্ষণত ক্ৰিয়ামূলক গৱেষণা অন্তৰ্ভুক্ত কৰা হৈছে বিভিন্ন দিশৰ উন্নতিৰ বাবে, যাতে ইয়াৰ দ্বাৰা শিক্ষকসকলে সমস্যাবিলাক চিনাক্ত কৰে আৰু সমস্যাসমূহৰ সমাধান কৰিব পাৰে।

  এন চি ই এফ টি ইয়ে (NCEFTE) প্ৰস্তাৱ দিয়ে যে ৰাজ্যসমূহে আন কিছুমান বিকল্প দিশ পাঠ্যসূচিত অন্তৰ্ভুক্ত কৰিব পাৰে আৰু ইয়াৰ দ্বাৰা পাঠ্যসূচীৰ বিষয়বস্তুক যোগ্য তথা উপযুক্ত আৰু অঞ্চল ভিত্তিক কৰি তুলিব পাৰে।

**৮.৪.৪ পাঠ্যক্ৰমৰ লেনদেন ঃ**

- পাঠ্যক্ৰমৰ লেনদেনৰ তিনিটা উপাদান ঃ তত্ত্ব, শিক্ষাদানশৈলী আৰু ব্যৱহাৰিক দিশ। এই তিনিওটা

উপাদান চিন্তাশীলভাৱে সংহত কৰিব লাগে। আপোনালোকে জানে যে প্ৰশিক্ষণ ব্যৱস্থাৰ সৰ্বমুঠ লক্ষ্য হৈছে প্ৰতিশ্ৰুতিৱদ্ধ, প্ৰতিক্ৰিয়াত্মক আৰু যোগ্য শিক্ষক প্ৰস্তুত কৰি তোলা। এই তিনিওটা উপাদানে কিদৰে কাৰ্য কৰে সেই বিষয়ে তলত বৰ্ণনা কৰা হ'ল।

- **তত্ত্ব ঃ** ইয়াৰ প্ৰধান গুৰুত্বৰ দিশ হ'ল বক্তৃতা, আলোচনা, আলোচনাচক্ৰ, মাধ্যম সহায়কাৰী শিকন টিউট'ৰিয়েল, আত্ম অধ্যয়ন আৰু ব্যৱহাৰিক কাৰ্যাৱলী আদি ব্যৱহাৰ কৰি যোগাযোগ, অংশগ্ৰহণকাৰী আৰু ক্ৰিয়াভিত্তিক দৃষ্টিভংগীৰ ওপৰত গুৰুত্ব দিয়া। প্ৰশিক্ষণৰ সময়ত ইয়াত বিষয়বস্তুৰ জ্ঞানৰ ওপৰত অধিক গুৰুত্ব দিয়া হয়।

- **শিক্ষাণশৈলী ঃ** শিক্ষাদানশৈলী হৈছে আপুনি কিদৰে শিকায়। ই হৈছে এক উপযুক্ত শিকনৰ বিজ্ঞান যি বিষয়বস্তুৰ মাজত সংহতি স্থাপন আৰু শিকনৰ উপযুক্ত পদ্ধতিসমূহৰ লগত জড়িত। বিদ্যালয়ৰ বিষয়সমূহৰ শিক্ষাদানশৈলীমূলক বিশ্লেষণ হৈছে শিকন অভ্যাসৰ/অনুশীলনৰ এক গুৰুত্বপূৰ্ণ উপাদান। শিক্ষাদানশৈলীমূলক বিশ্লেষণে এজন ছাত্ৰ-শিক্ষকক উদ্দেশ্যসমূহ, শ্ৰেণীকোঠা পৰিচালনা আৰু মূল্যায়ন কৌশলৰ বিষয়ে দক্ষ হোৱাত সহায় কৰে।

  এইটো আশা কৰা হয় যে বিষয়বস্তুৰ দক্ষতাৰ এক চিন্তাশীল সংহতি স্থাপন, শিক্ষাদানশৈলীমূলক বিশ্লেষণৰ দ্বাৰা আয়ত্ব কৰা অন্তৰ্দৃষ্টি আৰু শ্ৰেণীকোঠাৰ নিৰ্দেশনা বাবে আধাৰ সদৃশ পাঠ্যসূচীসমূহ নিযুক্ত কৰা হ'ব।

- **ব্যাৱহাৰিক দিশ ঃ** তাত্ত্বিক ধাৰণাসমূহৰ সমাৱেশৰ বাবে ব্যৱহাৰিক কাৰ্যসমূহ গুৰুত্বপূৰ্ণ উপাদান। গতিকে তাত্ত্বিক দিশৰ প্ৰতিটো দিশতে এই ব্যৱহাৰিক দিশটো পৰিকল্পিত হ'ব লাগিব। তদুপৰি ব্যৱহাৰিক কাৰ্যসূচীয়ে সামৰি লোৱা বিভিন্ন বিদ্যালয় অভিজ্ঞতা, কৰ্ম শিক্ষা বিদ্যালয়-সম্প্ৰদায়ৰ যোগাযোগ, ক্ৰিয়া গৱেষণা প্ৰকল্প আৰু অন্যান্য শিক্ষণীয় কাৰ্যাৱলী যি ছাত্ৰ-ছাত্ৰীৰ ব্যক্তিত্ব বিকাশত সহায়, সেই সকলোবোৰ ভাবী শিক্ষকসকলে আৰম্ভ তথা গ্ৰহণ কৰিব লাগে।

**কাৰ্যাৱলী - ২ ঃ**

- তলৰ প্ৰত্যেকটোৰ বাবে পাঠ্যক্ৰমৰ লেনদেনৰ বাবে তিনিটা নতুন ধাৰণাৰ পৰামৰ্শ দিয়া।
- **তত্ত্ব ঃ** ....................................................................................................

  ....................................................................................................

  ....................................................................................................
- **শিক্ষাদানশৈলী ঃ**

  ..............................................................................

  ....................................................................................................

  ....................................................................................................
- **ব্যৱহাৰিক ঃ** ....................................................................................

  ....................................................................................................

  ....................................................................................................

### ৮.৪.৫ শিক্ষক প্ৰশিক্ষকৰ ভূমিকা ঃ

বৰ্তমান এই পৰ্যায়ত শিক্ষক প্ৰশিক্ষকসকলৰ ভূমিকা পাঠ্যক্ৰম লেনদেনৰ ক্ষেত্ৰত যথেষ্ট প্ৰত্যাহ্বানমূলক হৈছে, যিহেতু তেওঁলোকে সমগ্ৰ পাঠ্যসূচীতে ধাৰাবাহিকভাৱে পৰিকল্পনা, বিশ্লেষণ, পৰ্যৱেশন আৰু মূল্যায়ন কৰিব লাগে। গতিকে, ই শিক্ষক প্ৰশিক্ষকসকলৰ অংশগ্ৰহণ আগতকৈ বেছি সবল কৰি তুলিছে।

### ৮.৪.৬ মূল্যায়ন ঃ

আলোনালোক ইতিমধ্যে সচেতন যে, নিৰ্দিষ্ট লক্ষ্যৰ কৃতকাৰ্যতা নিৰ্ধাৰণ কৰাই হৈছে মূল্যায়নৰ উদ্দেশ্য। মূল্যায়নে কোনো এক ব্যৱস্থাৰ লক্ষ্যত উপনীত হোৱাৰ যোগ্যতা/কাৰ্যকাৰিতা নিৰ্ধাৰণ কৰাত সহায় কৰে। তাত্ত্বিক, শিকন অভ্যাস/অনুশীলন আৰু ব্যৱহাৰিক দিশৰ ক্ষেত্ৰত মূল্যায়ণ ব্যৱস্থাই প্ৰশিক্ষণ ব্যৱস্থাৰ উদ্দেশ্য ফলাফল তথা আকাংক্ষিত ফলাফল সামৰি লোৱা উচিত। সাধাৰণতে ই কেৱল শিকন প্ৰক্ৰিয়াৰ শেষ স্তৰতহে ব্যৱহাৰ হ'ব নালাগে বৰং ই এই প্ৰক্ৰিয়াৰ প্ৰতিটো স্তৰতে (CCE) ব্যৱহাৰ হ'ব লাগে। গতিকে এইবোৰ প্ৰতিটো দিশৰ মূল্যায়ন সাৱধানতাৰে পৰিকল্পনা কৰাৰ প্ৰয়োজন। সেয়েহে বৰ্তমান বাহ্যিক পৰীক্ষাতকৈ আভ্যান্তৰিন ধাৰাবাহিক আৰু ব্যাপক মূল্যায়নৰ আৰম্ভণিৰ প্ৰয়োজনীয়তা বিশেষকৈ অনুভৱ কৰা হৈছে। ইতিমধ্যে এই ব্যৱস্থা বাহ্যিক পৰীক্ষাৰ লগত মূল্যায়নৰ এক গুৰুত্বপূৰ্ণ অংশ হিচাপে আৰম্ভ কৰা হৈছে যদিও বহুতৰ মতে বাহ্যিক পৰীক্ষাৰ স্থানান্তৰণ ধাৰাবাহিক আৰু ব্যাপক মূল্যায়নৰ দ্বাৰা সম্ভৱ নহয় বুলি পোষকতা কৰিছে।

### ৮.৪.৭ মূল্যায়নৰ আহিলাসমূহ ঃ

প্ৰতিটো দিশৰ উদ্দেশ্যৰ ওপৰত ভিত্তি কৰি সঠিক মান-নিৰূপণ তথা মূল্যায়নৰ আহিলা প্ৰস্তুত আৰু নিৰ্বাচন কৰা প্ৰয়োজন; যেনে—

- বস্তুনিষ্ঠ ভিত্তিক প্ৰশ্নাৱলী, ৰচনাধৰ্মী, চমু উত্তৰধৰ্মী আৰু বস্তুনিষ্ঠ প্ৰশ্নাৱলীৰ সমতাপূৰ্ণ সংমিশ্ৰণ সম্বলিত কাগজ-পেন্সিল পৰীক্ষা।
- মৌখিক পৰীক্ষাসমূহ।
- প্ৰদৰ্শনমূলক কাৰ্যাৱলী যেনে শিকন অভ্যাস, পৰীক্ষণ তালিকাৰ দ্বাৰা নিৰ্ধাৰিত বিভিন্ন কাৰ্যাৱলীত অংশগ্ৰহণ, জোখ-মাখনী আৰু পৰ্যৱেক্ষণসূচী ইত্যাদি।

মূল্যায়ন বাহ্যিক, আভ্যান্তৰিণ আৰু দুয়োটাৰে ন্যায়সংগত সংমিশ্ৰন আৰু নম্বৰৰ সলনি ই গ্ৰেড প্ৰদান কৰাটো এটা বৃত্তিগতভাৱে সুস্থ পদক্ষেপ কিয়নো ই নম্বৰৰ ভিত্তিত ছাত্ৰ-ছাত্ৰীসকলৰ মাজৰ বিভাজন নিম্নগামী কৰিছে আৰু লগতে শিক্ষাৰ্থীসকলৰ মাজত অসুস্থ প্ৰতিযোগিতা নাইকিয়া কৰিছে। আকৌ ই মুক্ত শিক্ষণ পৰিৱেশত গঠন কৰাৰ বাবে সামাজিক চাপ নাইকীয়া কৰাত সহায় কৰে।

**কাৰ্যসূচী ৩**

আপুনি ইতিমধ্যে ওপৰত উল্লেখিত বিষয়বস্তুসমূহ পঢ়িলে। আপুনি কি পঢ়িলে তাৰ ওপৰত ভিত্তি কৰি তিনিটা প্ৰশ্ন বনাওক। এই প্ৰশ্নসমূহ কি, কিয় আৰু কেনেকৈ এই শব্দকেইটাৰে আৰম্ভ কৰি অন্ততঃ ২০০ শব্দৰ ভিতৰত উত্তৰ দিয়ক।

**কি ঃ** (১) ......................................................................

(২) ......................................................................

(৩) ......................................................................

**কিয় ঃ** (১) ......................................................................

(২) ......................................................................

(৩) ......................................................................

**কেনেকৈ ঃ** (১) ......................................................................

(২) ......................................................................

(৩) ......................................................................

**স্তৰ/পৰ্যায় ২ ঃ প্ৰাথমিক স্তৰৰ বাবে শিক্ষক শিক্ষা (শ্ৰেণী ১মৰ পৰা শ্ৰেণী ৮মলৈ)**

**৮.৪.৮ যুক্তিযুক্ততা ঃ**

১৪ বছৰ পৰ্যন্ত প্ৰতিজন শিশুকে বাধ্যতামূলক শিক্ষা প্ৰদান কৰাৰ সাংবিধানিক ব্যৱস্থাৰ পৰা শিক্ষাৰ অধিকাৰ আইনখন বিকশিত হৈছে। এই বয়স সীমাটোৱে মূৰ্ত কাৰ্যনিৰ্বাহ (কংক্ৰিট অ'পাৰেচনেল) বিকাশৰ স্তৰৰ পৰা বিমূৰ্ত চিন্তা/যুক্তিৰ প্ৰক্ৰিয়ালৈ এক ক্ৰমাগত পৰিৱৰ্তনক সামৰি লয়। ই শিকন আৰু শিক্ষণ প্ৰক্ৰিয়াৰ ক্ষেত্ৰতো পৰিৱৰ্তন দাবী কৰে আৰু শিক্ষাৰ্থীসকলৰ পৰিপক্কতাৰ লগত, সংগীতি ৰাখি শিকন-শিক্ষণ কৌশলসমূহৰ এটা পৰ্যায়ৰ পৰা আনটোলৈ এক ক্ৰমাগত পৰিৱৰ্তন দাবী কৰিছে।

**৮.৪.৯ পাঠ্যসূচীৰ বিষয়বস্তু ঃ**

উদীয়মান ভাৰতীয় সমাজৰ শিক্ষা বিষয়ক পাঠ্যসূচীয়ে ভাবী শিক্ষকসকলক শিক্ষাই পূৰণ কৰিবলগীয়া সামাজিক দাবীসমূহৰ বিষয়ে বুজাত সহায় কৰিব বা বুজিবলৈ সমৰ্থৱান কৰি তুলিব। এই পৰ্যায়ত ভাৰতবৰ্ষত প্ৰাথমিক শিক্ষা— স্থিতি, সমস্যা আৰু বিভিন্ন দিশ সম্বলিত পাঠ্যসূচী প্ৰস্তাৱিত কৰা হয়, যিয়ে এই সকলো আশা বাস্তৱত পৰিণত কৰিব পৰা যাব নে নাই সেই সম্বন্ধে পৰীক্ষা তথা অনুসন্ধান কৰিবলৈ সাৰ্থ প্ৰদান কৰিব।

- শিকন আৰু শিক্ষণৰ মনোবিজ্ঞানৰ পাঠ্যসূচীয়ে আপোনালোকক আপোনালোকৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত শিক্ষনৰ বিকাশ সাধন কৰিবলৈ কিদৰে শিক্ষণীয় কৌশল প্ৰস্তুত কৰিব লাগে সেই বিষয়ে জানিবলৈ সমৰ্থৱান কৰি তুলিব।

- স্বাস্থ আৰু শাৰীৰিক শিক্ষাই সুস্থ ব্যক্তিত্ব বিকাশৰ অভ্যাসৰ পৰিকল্পনাৰ বাবে আপোনালোকক সমৰ্থৱান কৰি তুলিব।
- বিশেষ প্ৰয়োজন সম্পন্ন শিশুসকলৰ লগত সম্পৰ্ক স্থাপন কৰাটো ই সহায় কৰিব।
- পৰামৰ্শ আৰু নিৰ্দেশনাৰ পাঠ্যসূচীয়ে ছাত্ৰ-ছাত্ৰীসকলে যদি কোনো পৰিস্থিতিত সমস্যাৰ সন্মুখীন হয় তেনে ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকলক সহায় কৰিবলৈ আপোনালোকক সমৰ্থৱান কৰি তুলিব।

**৮.৪.১০ প্ৰশিক্ষণ**

ভাবী শিক্ষকসকলক শিকনৰ পূৰ্ব-নিৰ্দেশনামূলক, নিৰ্দেশনামূলক আৰু শেষৰ নিৰ্দেশনামূলক পৰ্যায়ত যাতে কৃতকাৰ্যতাৰে প্ৰদৰ্শন কৰিব পাৰে তাৰ বাবে প্ৰস্তুত কৰি তোলা হয়। ইয়াৰ বাবে তলত উল্লেখ কৰা সামৰ্থসমূহৰ বিকাশ কৰাটো দৰকাৰ—

- ক্ৰিয়া বিষয়ক গৱেষণাই আপোনাৰ সমস্যা সমাধানমূলক সামৰ্থৰ বিকাশ সাধন কৰিব।
- শিক্ষাদানশৈলীমূলক বিশ্লেষণে প্ৰাথমিক পৰ্যায়ত বিষয়সমূহৰ শিকনৰ ক্ষেত্ৰত দেখা দিয়া সমস্যাসমূহৰ বিষয়ে বুজিবলৈ সহায় কৰিব। ই আপোনালোকক শিক্ষণীয় কৌশলসমূহ পৰিকল্পনা কৰাৰ বাবে সামৰ্থৱান কৰি তুলিব। প্ৰকৃত শ্ৰেণীকোঠাৰ পৰিৱেশত আদৰ্শ পাঠসমূহৰ আৰু শিকন অভ্যাসৰ সমালোচনামূলক পৰ্যৱেক্ষণে আপোনালোকক এজন উপযুক্ত আৰু সামৰ্থৱান শিক্ষক হিচাপে গঢ় দি তুলিব।
- বিদ্যালয়ত ইণ্টাৰ্ণশ্বিপে বিদ্যালয়ত কাম কৰাৰ বাবে ভিন্ন অভিজ্ঞতা প্ৰদান কৰিব। ই কৰ্ম আৰু অভিজ্ঞতাৰ শৈক্ষিক মূল্যবোধ, শ্ৰমৰ মৰ্যাদাৰ সমাৱেশ কৰিব।
- বিদ্যালয় সম্প্ৰদায়ৰ যোগাযোগে তথা সম্পৰ্কই পৰস্পৰ যোগাযোগৰ সহায় প্ৰদান কৰাৰ উপৰিও আপোনালোকক ছাত্ৰ-ছাত্ৰীসকলৰ বাবে উপযুক্ত শিক্ষাদানশৈলী প্ৰস্তুত কৰিবৰ বাবে সমৰ্থৱান কৰি তুলিব।

  শিক্ষাবিষয়ক কাৰ্যসূচীসমূহৰ সংগঠনে শিক্ষাৰ্থীসকলৰ ব্যক্তিত্ব বিকাশৰ বাবে প্ৰয়োজন হোৱা বিভিন্ন কাৰ্যাৱলীসমূহৰ পৰিকল্পনা আৰু গ্ৰহণ তথা কাৰ্যকৰী কৰাৰ বাবে সাৰ্থ্যৰ বিকাশ সাধন কৰিব। এই দিশত পৰামৰ্শ দিয়া তাত্বিক আৰু ব্যৱহাৰিক পাঠ্যসূচীসমূহে এজন সামৰ্থৱান প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক প্ৰস্তুত কৰাত সহায় কৰে।

**৮.৪.১১ পাঠ্যক্ৰমৰ লেনদেন ঃ**

**তত্ত্ব ঃ** বিভিন্ন সু-পৰিকল্পিত তথা সু-সজ্জিত দৃষ্টিভংগী, যেনে— বক্তৃতা-আলোচনা, সহযোগী অধ্যয়ন, ব্যৱহাৰিক আৰু প্ৰদৰ্শনমূলক কৌশল, আত্ম অধ্যয়ন আৰু প্ৰকল্প আদি দৃষ্টিভংগীসমূহৰ গ্ৰহণ কৰাৰ প্ৰয়োজন আছে। শিক্ষকসকলে বিভিন্ন কৌশল আৰু নিৰ্দেশনামূলক সামগ্ৰীৰ সংযোগ সাধন কৰাৰ লগতে সহায়কাৰী মাধ্যমৰ ব্যৱহাৰ, বিভিন্ন অভিজ্ঞতাৰ পৰিকল্পনা/প্ৰস্তুতি, ক্ষেত্ৰ অধ্যয়ন আৰু ক্ষেত্ৰ ভ্ৰমণ আদি কৰিব সংগঠন তথা প্ৰস্তুতি কৰিব লাগে। বিশেষ প্ৰয়োজনসম্পন্ন শিশুসকলক যথোচিত প্ৰাধান্য/গুৰুত্ব দিব লাগে। পাঠ্যক্ৰমৰ লেনদেন সাধাৰণতে শিক্ষাৰ্থীসকলৰ প্ৰয়োজন আৰু

উপলব্ধ সম্পদসমূহৰ লগত সংগতি ৰাখি কৰিব লাগিব।

**শিক্ষাদানশৈলী ঃ** শিকন আৰু শিক্ষণ প্ৰক্ৰিয়াৰ সময়ছোৱাত, বৰ্তমান বিদ্যমান কাৰ্যনিৰ্বাহক তথা পাঠ্যক্ৰমৰ লেনদেন সম্পৰ্কীয় কৌশলসমূহে সাধাৰণতে স্বাধীন অধ্যয়ন, আত্ম-অনুসন্ধান আৰু আত্ম অধ্যয়নৰ সামৰ্থৰ বিকাশ সাধন কৰে। এইবোৰে কেতিয়াবাহে ভাবী শিক্ষকসকলক অংশগ্ৰহণৰ সুবিধা প্ৰদান কৰে আৰু প্ৰায় একপক্ষীয় যোগাযোগ ব্যৱস্থা। আনকি সহযোগী শিক্ষণ দৃষ্টিভংগীও বক্তৃতা পদ্ধতিৰ দ্বাৰা শিকোৱা হয়। গতিকে আপোনালোকে ইয়াত শিক্ষাৰ্থীকেন্দ্ৰিক দৃষ্টিভংগীৰ ব্যৱহাৰ তথা অভ্যাস কৰিব নোৱাৰে। উপৰোক্ত এই কৌশলসমূহে ভাবী শিক্ষকসকলক তেওঁলোকৰ ছাত্ৰ-ছাত্ৰীৰ বাবে এই কৌশলবোৰ ব্যৱহাৰ কৰাত সহায় কৰিব। কাৰণ তেওঁলোকে ইয়াৰ ব্যৱহাৰৰ দ্বাৰা প্ৰথম প্ৰদৰ্শনমূলক অভিজ্ঞতা লাভ কৰিব।

শিকন অভ্যাস, শিক্ষক শিক্ষাৰ আটাইতকৈ দুৰ্বল দিশ বুলি বিবেচিত যদিও অধিকভাৱে সংগঠিত কৰিলে ই এক শিক্ষক শিক্ষাৰ সবল দিশ হিচাপে নিজক ৰূপান্তৰ কৰাৰ সামৰ্থতা বহন কৰে। কিন্তু পাঠ্যক্ৰমৰ লেনদেন প্ৰক্ৰিয়াৰ ক্ষেত্ৰত উন্নতি আৰু সমৃদ্ধিৰ দৰকাৰ। শিক্ষণীয় বিষয়সমূহৰ শিক্ষাদানশৈলীমূলক বিশ্লেষণে নিশ্চিতভাৱে শিকন আৰু শিক্ষণৰ পৰিশোধন কৰিব যিহেতু ই শিক্ষকসকলৰ কৰ্মক্ষমতাৰ পৰিৱৰ্তন সাধন আৰু পাৰদৰ্শিতাৰ বিকাশ সাধন কৰিব আৰু ই পদ্ধতি তথা বিষয়বস্তু সম্বন্ধ দৃষ্টিভংগীৰ পৰা মুক্ত হ'ব। শিক্ষাদানশৈলীমূলক বিশ্লেষণৰ পৃষ্ঠভূমিত আৰু শিক্ষক প্ৰশিক্ষকৰ দ্বাৰা দিয়া আদৰ্শ আৰু প্ৰদৰ্শনমূলক পাঠে নিশ্চিতভাৱে শ্ৰেণীকোঠাৰ কৰ্মক্ষমতা তথা প্ৰদৰ্শন উন্নত কৰিব যদিহে বিষয় বিশেযজ্ঞৰ দ্বাৰা ইয়াৰ সঠিক পৰিদৰ্শন কৰা হয়।

**ব্যৱহাৰিক ঃ** কৰ্মশিক্ষা হৈছে ব্যৱহাৰিক শিক্ষাৰ এক গুৰুত্বপূৰ্ণ দিশ/উপাদান। কিছুমান চাৰিত্ৰিক বৈশিষ্ঠ্যৰ বিকাশৰ বাবে কম শিক্ষাৰ গুণাগুণসমূহ শিক্ষক শিক্ষাৰ দ্বাৰা ব্যৱহাৰ কৰা উচিত। বিদ্যালয় আৰু সম্প্ৰদায়ৰ মাজত থকা পৰস্পৰ সহযোগিতাই শিক্ষকসকলক নতুন তথা উপযুক্ত শিকন কৌশলৰ প্ৰস্তুতকৰণত সহায় কৰে।

শিক্ষকসকলে বিদ্যালয়ত শিক্ষণীয় কাৰ্যাৱলীৰ সংগঠন উপযুক্তভাৱে কৰাৰ প্ৰয়োজনীয়তা আছে। এই কাৰ্যৱলীসমূহৰ প্ৰস্তুতকৰণ, পৰিকল্পনা আৰু সংগঠনৰ কৰিবলৈ শিক্ষকসকলে শিকিব লাগিব কিয়নো এই কাৰ্যাৱলীসমূহ শিক্ষাৰ্থীসকলৰ ব্যক্তিত্ব বিকাশৰ আৰু আত্ম প্ৰকাশৰ সুবিধা প্ৰদান কৰাৰ বাবে প্ৰয়োজন। শিক্ষাৰ্থীসকলৰ মাজত শিক্ষণৰ প্ৰচাৰ আৰু শিক্ষণ দ্ৰুত কৰিবলৈ সম্পূৰক সামগ্ৰীৰ ব্যৱহাৰ কৰিবলৈ শিক্ষকসকলক প্ৰশিক্ষণ দিব লাগিব।

### ৮.৪.১২ শিক্ষক প্ৰশিক্ষণৰ ভূমিকা ঃ

শিক্ষক প্ৰশিক্ষকসকলে ভাবী শিক্ষকসকলৰ শাৰীৰিক, সামাজিক, আবেগিক আৰু সৌন্দৰ্য্যবোধক বিকাশৰ বাবে সুবিধা প্ৰদান কৰিব। তেওঁলোকৰ সৃজনাত্মক আৰু গঠনাত্মক সম্ভৱনাসমূহৰ লালন-পালন কৰাৰ প্ৰয়োজন আছে। ব্যৱহাৰিক কাৰ্যৱলীসমূহে এই লক্ষ্যত উপনীত হ'বলৈ সহায় কৰিব। গতিকে এই কাৰ্যৱলীসমূহ ধাৰাবাহিকভাৱে সংগঠন কৰা দৰকাৰ। শিক্ষকৰ ব্যক্তিত্ব আৰু আচৰণৰ এক বিস্তৃত প্ৰভাৱ ছাত্ৰ-ছাত্ৰীসকলৰ ওপৰত আছে। লেনদেনমূলক কৌশলৰ নিৰ্বাচন আৰু গ্ৰহণ কৰাৰ ক্ষেত্ৰত শিক্ষক প্ৰশিক্ষকসকলে নিশ্চিত কৰিব লাগিব যে ইয়াৰ দ্বাৰা শিকন অংশগ্ৰহণমূলক, সহযোগী আৰু

ক্ৰিয়াকেন্দ্ৰিক আৰু আনন্দদায়ক হ'ব লাগিব যাতে ভাবী শিক্ষকসকলে তেওঁলোকৰ শিকন-শিক্ষণ প্ৰক্ৰিয়াত একে ধৰণৰ পৰিৱৰ্তন আনিব পাৰে।

শিক্ষক শিক্ষাই বৃত্তিগত প্ৰতিশ্ৰুতি আৰু পাৰদৰ্শিতাৰ বিকাশ সাধন কৰিব লাগিব আৰু বিশেষ পৰিস্থিতিৰ লগত খাপ খাব পৰাকৈ তথা সম্পৰ্ক স্থাপন কৰিবলৈ শিক্ষকসকলক প্ৰতিক্ৰিয়াত্মক কৰি গঢ় দি তুলিব লাগিব।

**৮.৪.১৩ মূল্যায়ন ঃ**

এই পৰ্যায়ত, মূল্যায়ন ধাৰাবাহিক, গঠনাত্মক আৰু ব্যাপক হ'ব লাগিব যাতে শিক্ষণ-শিক্ষা প্ৰক্ৰিয়াৰ উন্নতি কৰিব পৰা যায়। নিয়মানুগত মূল্যায়নে এজন শিক্ষকক সঠিক শিকন কৌশলবোৰ নিৰ্বাচন কৰাত আৰু পাঠ্যক্ৰমিক প্ৰক্ৰিয়াত উপযুক্ত পৰিৱৰ্তন সাধন কৰিবলৈ সমৰ্থৱান কৰি তোলে বা তুলিব।

প্ৰাথমিক পৰ্যায়ৰ মূল্যায়নৰ পৰা উচ্চ প্ৰাথমিক স্তৰৰ ছাত্ৰ-শিক্ষকসকলৰ মূল্যায়ন বেছি পৃথক নহয়। প্ৰাথমিক পৰ্যায়ত ব্যৱহৃত একে নীতিসমূহ আৰু একে ব্যৱস্থাসমূহ এই স্তৰটো ব্যৱহাৰ কৰিব পৰা যায়।

**৮.৪.১৪ মূল্যায়নৰ আহিলাসমূহ ঃ**

পাঠ্যক্ৰমৰ লেনদেনৰ কৃতকাৰ্য্যতা আৰু অকৃতকাৰ্য্যতা বৈধ আৰু নিৰ্ভৰযোগ্য আহিলাৰ দ্বাৰা কৰা মূল্যায়নে নিৰ্ধাৰণ কৰে যাৰ বিষয়ে আপোনালোকে ইতিমধ্যে অবগত।

**কাৰ্যৱলী ৪ ঃ**

প্ৰাথমিক শিক্ষক শিক্ষা পৰ্যায়ৰ দুটা স্তৰৰ তুলনামূলক ব্যাখ্যা কমেও ৫টা পইণ্ট বা শাৰীত উল্লেখ কৰক।

..............................................................................................

..............................................................................................

..............................................................................................

..............................................................................................

..............................................................................................

**৮.৫ সংহত আৰ্হিতক অন্তৰ্ভুক্ত কৰি প্ৰাথমিক শিক্ষক শিক্ষাৰ আৰ্হিসমূহ ঃ**

শিক্ষা আয়োগ (১৯৬৪-৬৬) য়ে মত পোষণ কৰিছে যে "বিশেষ প্ৰয়োজন সমূহ পূৰণ কৰিবলৈ নতুন পাঠ্যসূচীৰ বিকাশ সাধন কৰা উচিত" (কোঠাৰী ১৯৬৬, অনুচ্ছেদ, ৪-২৫, পৃষ্ঠা ১৩৬)। উপযুক্ত শিক্ষক প্ৰশিক্ষণ ব্যৱস্থাই নৱপ্ৰৱৰ্তনৰ সংস্কৃতি আৰু নতুন চিন্তাধাৰা বিকাশ সাধন কৰে যাক প্ৰয়োজন অনুসৰি উপযুক্তভাৱে ব্যৱহাৰ কৰিব পাৰি। শিক্ষকসকলক প্ৰশিক্ষণ দিয়াটো এটা জটিল সমস্যা।

প্ৰাথমিক পৰ্যায়ৰ বাবে শিক্ষক শিক্ষাৰ পাঠ্যসূচী প্ৰস্তুত কৰাৰ ক্ষেত্ৰত তিনিটা নিৰ্দিষ্ট সম্ভৱনা তথা দিশ আছে। সেই বিষয়ে তলৰ চিন ঃ ৮.৪ত উল্লেখ কৰা হৈছে—

১
প্ৰাথমিক বিদ্যালয় পৰ্যায়
শ্ৰেণী ১মৰ পৰা ৫মলৈ

২
প্ৰাথমিক বিদ্যালয় পৰ্যায়
শ্ৰেণী ১মৰ পৰা ৮মলৈ

৩
কেৱল উচ্চ প্ৰাথমিক বিদ্যালয় পৰ্যায়ৰ
বাবে শ্ৰেণী ৬ষ্ঠৰ পৰা ৮মলৈ

চিত্ৰ ৮.৪

প্ৰথমিক শিক্ষাৰ সাৰ্বজনীনকৰণৰ প্ৰতি লক্ষ্য ৰাখি শিক্ষক শিক্ষাৰ ৰাষ্ট্ৰীয় পাঠ্যক্ৰম গাঁথনি (এন চি এফ টি ই), ২০০৯-১০ উচ্চ প্ৰাথমিক আৰু প্ৰাথমিক পৰ্যায়ৰ বাবে পৃথক পাঠ্যসূচীৰ পৰামৰ্শ দিছে। যিটো আমি পূৰ্বৰ উপ-গোটত বহলভাৱে পঢ়ি আহিছোঁ)। যিহেতু উচ্চ প্ৰাথমিক বিদ্যালয়ৰ সংখ্যাত কম (প্ৰায় ১.৭৬ লাখ) প্ৰাথমিক বিদ্যালয়তকৈ (প্ৰায় ৫.৯৮ লাখ)। সেয়ে এন চি এফ টি ইয়ে শ্ৰেণী ৬ষ্ঠৰ পৰা ৮মলৈ পৃথক পাঠ্যসূচীৰ ব্যৱস্থা কৰাতকৈ প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক পৰ্যায়ৰ বাবে পৃথক পাঠ্যসূচীৰ পৰামৰ্শ।

**সূত্ৰ ঃ** নিৰ্বাচিত শিক্ষাবিষয়ক পৰিসংখ্যা, ১৯৯৬-৯৭, http://www.note-india.org/pub/curr/curr.htm#26 on 17 August 2011ৰ পৰা লোৱা হৈছে।*

**৮.৫.১ বৰ্তমান প্ৰাথমিক শিক্ষক শিক্ষাৰ স্থিতি ঃ**

প্ৰাথমিক শিক্ষাৰ ডিপ্লমা (ডি এল এড)

এই ডিপ্লমা পাঠ্যসূচী সেইসকল ছাত্ৰ-ছাত্ৰীসকলৰ বাবে প্ৰস্তুত কৰা হৈছে যিসকলে ১২ বছৰীয়া স্কুলীয়া শিক্ষা সমাপ্ত কৰিছে আৰু প্ৰাথমিক বিদ্যালয়ত শিকাবলৈ ইচ্ছা কৰে। এই পাঠ্যসূচীৰ সময়সীমাই দুটা শিক্ষাবৰ্ষ লগতে ৬ মাহৰ ইণ্টাৰ্ণচিপ সামৰি লয়। ইয়াৰ পাঠ্যক্ৰমে তিনিটা গুৰুত্বপূৰ্ণ উপাদান অন্তৰ্ভুক্ত কৰে।

**১. তত্ত্ব ঃ** প্ৰত্যেকখন পাঠ্যবিষয়ৰ লগত ব্যৱহাৰিক কৰ্ম অন্তৰ্ভুক্ত কৰি ডি.এল.এড প্ৰথম বৰ্ষই ৯ খন পাঠ্যবিষয় আৰু দ্বিতীয় বৰ্ষই ৮ খন পাঠ্যবিষয় অন্তৰ্ভুক্ত কৰিছে।

**২. ব্যৱহাৰিক ঃ** ই অনুশিক্ষণ (মাইক্ৰ শিক্ষণ), শিক্ষণ অভ্যাস সমাজ সেৱা, গান, কলা আৰু শাৰীৰিক শিক্ষা অন্তৰ্ভুক্ত কৰে।

**৩. ইণ্টাৰ্ণশ্বিপ ঃ** ই বিভিন্ন শিক্ষণ/শিকন কৌশলৰ উন্নয়নৰ বাবে আৰু ৬ মাহৰ সময়সীমাত উপযুক্ত পদ্ধতিৰ ব্যৱহাৰ কৰাৰ বাবে উপযোগী।

**৮.৫.২. প্ৰাথমিক শিক্ষক শিক্ষাৰ উন্নতিকৰণ ঃ**

আন্তঃবিষয়মূলক জ্ঞানৰ ক্ষেত্ৰ হিচাপে শিক্ষা কেৱল কেইটামান প্ৰধান বিষয়ৰ প্ৰয়োগ কৰাই নহয় বৰং ই এক প্ৰচলিত প্ৰথা আৰু প্ৰসংগ যত তাত্ত্বিক আৰু ব্যৱহাৰিক জ্ঞান ধাৰাবাহিকভাৱে উৎপন্ন সৃষ্টি হয়। বৰ্তমান সময়ত বিশ্ববিদ্যালয়ৰ শিক্ষা বিভাগসমূহত মাধ্যমিক শিক্ষক শিক্ষাৰ অনুষ্ঠানসমূহ গঢ় লৈ উঠিছে। আৰু সেয়েহে প্ৰাথমিক শিক্ষক শিক্ষা আৰু আগতীয়া বাল্যকালৰ শিক্ষা, জ্ঞানৰ এক স্বতন্ত্ৰ ক্ষেত্ৰ হিচাপে নিজৰ স্বতন্ত্ৰ দিশসমূহ, ধাৰণা আৰু কাৰ্যপ্ৰণালী সম্বন্ধীয় দৃষ্টিভংগী অৱহেলিত হৈ আছে।

এন চি এফ ২০০৫ (NCF 2005)ৰ ওপৰত ভিত্তি কৰি প্ৰাথমিক বিদ্যালয়ৰ শিক্ষকৰ প্ৰাক্‌কালীন প্ৰশিক্ষণ প্ৰাথমিক বিদ্যালয়ৰ শিক্ষকসকলৰ কাৰ্যৱলী আৰু ভূমিকাৰ পৰা উত্থান হোৱা উচিত আৰু প্ৰাথমিক শ্ৰেণীসমূহৰ পাঠ্যক্ৰম উপযুক্তভাৱে সম্ভাৱিৰ বাবে তথা উপযুক্তভাৱে প্ৰয়োগ কৰাৰ বাবে প্ৰশিক্ষাৰ্থীসকলক প্ৰস্তুত কৰি তুলিবৰ বাবে সামৰ্থ থাকিব লাগিব।

বিদ্যালয় শিক্ষা ব্যৱস্থাত ডি এল এডৰ ভূমিকা আৰু গুৰুত্বৰ ক্ষেত্ৰত থকা নব্য ধাৰণা আৰু সময়ৰ পৰিৱৰ্তনৰ লগে লগে এই পাঠ্যসূচীৰ ক্ষেত্ৰত যথেষ্ট সালসলনি/পৰিৱৰ্তন সাধন হৈছে। এয়া বিশেষকৈ বৰ্তমানৰ পদক্ষেপসমূহৰ লগত উপযুক্ত যেনে এন চি এফ ২০০৫, আৰ টি ই ২০০৯, মানৱ অধিকাৰ আৰু শিশুৰ অধিকাৰ, মৌলিক কৰ্তব্য বহু বুদ্ধি, অংশগ্ৰহণমূলক শিক্ষণ ইত্যাদি। বৰ্তমান পৰিস্থিতিৰ লগত খাপ খোৱা তথা উপযুক্ত নতুন ধাৰণাৰ অন্তভুক্তিকৰণে সকলো হিতাধিকাৰীসকলক সামৰি অংশগ্ৰহণমূলক পাঠ্যক্ৰমৰ প্ৰয়োজনীয়তাৰ পৰিকল্পনাৰ পোষকতা কৰিছে। শিক্ষক শিক্ষা প্ৰক্ৰিয়াত মডুলাৰ (Modular) দৃষ্টিভংগী, কৌশল শিক্ষণ আৰু অভ্যাস, কৌশল প্ৰশিক্ষণৰ এক বৃত্তিগত দৃষ্টিভংগী আৰু উপযুক্ত শিক্ষণ সামগ্ৰীসমূহৰ বিকাশ আৰু সাংগঠনিক, পাঠ্যক্ৰমিক আৰু প্ৰযুক্তিগত বিকল্পৰ প্ৰয়োগৰ পোষকতা কৰা হৈছে।

প্ৰাথমিক শিক্ষকৰ ভূমিকাৰ ওপৰত ভিত্তি কৰি, পাঠ্যক্ৰমে বিভিন্ন ধৰণৰ পাঠ্য বিষয়বস্তু অন্তৰ্ভক্ত কৰিছে।

১। শিক্ষাৰ ভিত্তি (Foundation of Education)

২। বিভিন্ন বিষয়ৰ বিষয়বস্তু আৰু পদ্ধতি (Content cum methodalogy of different subjects)

৩। বিদ্যালয় অভিজ্ঞতা ব্যৱস্থা/কাৰ্যসূচী (School Experience Programme)

৪। ব্যৱহাৰিক কৰ্ম (Practical work)

চিত্ৰ ৮.৫

বিভিন্ন বিষয়ৰ লগত শিক্ষা জড়িত। আচলতে ইয়াৰ মূল ধাৰণাৰ মূল/গুৰি অন্যান্য বিষয়ৰ বোৰৰ লগত যেনে দৰ্শন, মনোবিজ্ঞান আৰু সমাজ-শাস্ত্ৰৰ লগত জড়িত। শিক্ষকৰ বিভিন্ন প্ৰক্ৰিয়াৰ বিষয়ে জানিবলৈ/বুজিবলৈ, এই বিষয়সমূহৰ বিষয়ে বুজিবলৈ বিশেষকৈ শিক্ষাত ইয়াৰ প্ৰয়োগিকতা অধিক গুৰুত্বপূৰ্ণ। এই পাঠ্যসূচীবোৰৰ প্ৰধান কাৰ্যবোৰে হৈছে ভাবী শিক্ষকসকলক শিকন-শিক্ষণ প্ৰক্ৰিয়াৰ গুৰুত্বপূৰ্ণ দিশ আৰু সমস্যাসমূহৰ বিষয়ে অন্তৰ্দৃষ্টিৰ বিকাশ সাধন কৰিবলৈ প্ৰস্তুত কৰি তোলা। এইটো

ধাৰণা পৰিকল্পনা কৰা হয় যে এই পাঠ্যসূচীতসমূহত অন্তৰ্ভুক্ত কৰা ধাৰণাসমূহে আপোনালোকক সঠিক দৃষ্টিভংগীত শ্ৰেণীকোঠাত শিকন-শিক্ষণ প্ৰক্ৰিয়াৰ সংগঠন কৰিবলৈ প্ৰস্তুত কৰি তুলিব।

ডি এল এড পাঠ্যসূচীৰ ক্ষেত্ৰত লোৱা পদক্ষেপসমূহ হৈছে অধিক অৰ্থপূৰ্ণ, উপযুক্ত আৰু উৎকৃষ্টবিধৰ। ই বিদ্যালয় শিক্ষাৰ গুণগত উন্নয়নৰ ক্ষেত্ৰত যথেষ্ট অৰিহণা যোগাব।

**৮.৫.৩ নতুন আৰ্হিসমূহৰ প্ৰয়োজনীয়তা ঃ**

যিহেতু প্ৰাথমিক শিক্ষা এক মৌলিক মানৱ অধিকাৰ হিচাপে অভিহিত হৈছে, গতিকে প্ৰাৰম্ভিক শিক্ষক শিক্ষাৰ এক গুৰুত্ব আছে। বিভিন্ন কাৰণত প্ৰাথমিক শিক্ষাৰ পিছতে বা প্ৰাথমিক শিক্ষা সমাপ্ত কৰি হয়তো বহুতো ছাত্ৰ-ছাত্ৰী শিক্ষা ব্যৱস্থা এৰিব পাৰে, কিন্তু তেওঁলোকে সচেতন তথা উৎপাদনশীল নাগৰিক হিচাপে দেশৰ জাতীয় বিকাশত বৰঙণি যোগাব লাগিব। গতিকে ব্যক্তি আৰু জাতীয় বিকাশত ইয়াৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে।

+২ প্ৰৱেশ পৰ্যায়ে ভাবী শিক্ষকসকলক প্ৰাথমিক পৰ্যায় শিকাবৰ বাবে বিষয়ৰ মূল জ্ঞান প্ৰদান নকৰে, বিশেষকৈ শ্ৰেণী ৩য়ৰ পৰা ৮মলৈ। তদুপৰি হ্ৰস্বম্যাদী এই পাঠ্যসূচীয়ে তেওঁলোকক শিশুসকলৰ শিক্ষণৰ বাবে প্ৰয়োজনীয় শিক্ষাদান শৈলীমূলক জ্ঞান আৰু শিশুসকলৰ মনোসমাজিক আৰু শিক্ষণীয় প্ৰয়োজনসমূহ বুজিবলৈও সহায় নকৰে তথা প্ৰস্তুত নকৰে।

আগৰ পাঠ্যক্ৰম গাঁথনিয়ে প্ৰদান কৰা নিৰ্দেশনাসমূহ অতি সাধাৰণ বিধৰ আৰু ই প্ৰাথমিক শিক্ষকসকলৰ পৰ্যায় বিশেষ প্ৰশিক্ষণৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰা নাই। পাঠ্যক্ৰম গাঁথনি (১৯৯৮) বাস্তৱত এক আদৰণীয় ব্যতিক্ৰম পদক্ষেপ। এই গাঁথনিয়ে সৰ্বপ্ৰথম স্তৰ/পৰ্যায় বিশেষ নিৰ্দেশনা প্ৰদান কৰিছিল। প্ৰাথমিক শিক্ষক শিক্ষাৰ বিভিন্ন দিশ। আৰু সমস্যাসমূহ জাতীয় পৰ্যায়লৈ অনাৰ ক্ষেত্ৰত ডায়েটৰ (DIET)ৰ স্থাপনক এক গুৰুত্বপূৰ্ণ বিকাশ বুলি গণ্য কৰা হয়।

আপোনালোকে ইতিমধ্যে গুণগত শিক্ষক শিক্ষাৰ বাবে পাঠ্যক্ৰম গাঁথনি (১৯৯৮) আৰু ২০১৩ চনত এন চি টি ইৰ দ্বাৰা প্ৰাথমিক শিক্ষক শিক্ষাৰ পাঠ্যক্ৰমৰ নৱীকৰণৰ পদ্ধতি পত্ৰ (Approach Paper) যত প্ৰাথমিক শিক্ষাৰ বিভিন্ন দিশ তথা সমস্যাসমূহ বিশদভাৱে উল্লেখ আছে সেই বিষয়ে অধ্যয়ন কৰিছে।

প্ৰাথমিক শিক্ষাত বিশেষভাৱে যোগ্য শিক্ষক প্ৰশিক্ষকৰ প্ৰয়োজনীয়তা সম্প্ৰতি স্বীকৃত নহয়। এইটো বৰ্তমান মানি লোৱা হৈছে যে বিভিন্ন পৰ্যায়ত শিক্ষক প্ৰস্তুতিকৰণৰ প্ৰচলিত ব্যৱস্থাই প্ৰাথমিক শিক্ষক প্ৰশিক্ষকসকলৰ বাবে বি. এড আৰু মাধ্যমিক শিক্ষক প্ৰশিক্ষক সকলৰ বাবে এম এডৰ ব্যৱস্থা কৰিব। বৰ্তমান প্ৰাথমিক শিক্ষক প্ৰশিক্ষকসকলে এম. এড অৰ্হতা অৰ্জন কৰি তেওঁলোকৰ বৃত্তিগত যোগ্যতাৰ উন্নয়ন সাধন কৰিছে। প্ৰাথমিক শিক্ষক প্ৰশিক্ষক সকলৰ প্ৰশিক্ষণ এম. এডৰ ফেকাল্টি তথা প্ৰশিক্ষকৰ দ্বাৰা দিয়া হয়। প্ৰায় সকলোবোৰ ৰাজ্যতে বৰ্তমান এম. এড কাৰ্যসীচয়ে প্ৰাথমিক শিক্ষক প্ৰশিক্ষণৰ প্ৰয়োজনীয়তা পূৰণ কৰিব পৰা নাই, যিহেতু ই কেৱল মাধ্যমিক শিক্ষাৰ প্ৰয়োজনসমূহৰ ওপৰত প্ৰতিষ্ঠিত।

প্ৰাথমিক বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীসকলক শিকোৱা কাৰ্যসূচীৰ বাহিৰে আন সকলোবোৰ কাৰ্যৱলী

প্ৰাথমিক পৰ্যায়ৰ শিক্ষাত উপযুক্ত প্ৰশিক্ষণপ্ৰাপ্ত ব্যক্তি তথা প্ৰশিক্ষকৰ অভাৱত মাধ্যমিক শিক্ষাৰ বাবে প্ৰশিক্ষণপ্ৰাপ্ত ব্যক্তিসকলে সম্পাদন কৰে।

সেয়েহে আপোনালোকে জানে যে প্ৰৱেশৰ যোগ্যতা আৰু প্ৰশিক্ষণৰ সময়সীমাৰ উন্নয়ন কৰি বা বৃদ্ধি কৰি প্ৰাৰম্ভিক শিক্ষক শিক্ষাৰ উন্নতি কৰাৰ প্ৰয়োজনীয়তা আছে।

**৮.৫.৪ নতুন পদক্ষেপসমূহ ঃ**

- পৰিৱৰ্তিত প্ৰয়োজনৰ লগত খাপ খোৱা অভিনৱ পাঠ্যসূচীসমূহ ঃ

বহু শিক্ষাবিদে ভাবে যে প্ৰাৰম্ভিক শিক্ষক শিক্ষা-ব্যৱস্থা ডিগ্ৰী ব্যৱস্থাৰ লগত সমপৰ্যায়ৰ হোৱা উচিত আৰু বিশ্ববিদ্যালয় প্ৰশিক্ষক পৰ্যায়ৰ বৃত্তিগত সন্থাক প্ৰাথমিক শিক্ষক শিক্ষা ব্যৱস্থাৰ পৰিচালনা আৰু নিয়ন্ত্ৰণৰ দায়িত্ব আবন্তন কৰাৰ প্ৰয়োজনীয়তা আছে।

জানিয়া মিলিয়া ইছলামিয়া বিশ্ববিদ্যালয়ে কিছুমান অভিনৱ পাঠ্যসূচী আৰম্ভ কৰিছে, বিশেষকৈ প্ৰাথমিক শিক্ষাত এম. এড কাৰ্যসূচী।

টি আই এচ এচ (TISS) 3 প্ৰাথমিক পৰ্যায়ত এম.এড কাৰ্যসূচী মুম্বাইত আৰম্ভ কৰিছে বা আয়োজন কৰিছে।

- **স্নাতকসকলৰ প্ৰাথমিক বিদ্যালয়ৰ শিকনৰ বাবে এবছৰীয়া বি. এড. পাঠ্যসূচী ঃ**

প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক প্ৰশিক্ষণ ব্যৱস্থা উচ্চ শিক্ষাৰ পৰ্যায়লৈ উৎসাহিত তথা উন্নয়ন কৰিবৰ বাবে এবছৰীয়া বি.এড. পাঠ্যসূচীক (প্ৰাথমিক) প্ৰাথমিক বিদ্যালয় শিক্ষকৰ দুবছৰীয়া ডিপ্লনা পাঠ্যসূচী সমপৰ্যায়ৰ কৰি তুলিব পাৰি।

- **দিল্লী বিশ্ববিদ্যালয়ৰ প্ৰাথমিক শিক্ষাৰ ব্যাচেলৰ (Bachelor) ব্যৱস্থা/পাঠ্যসূচী— এক চাৰি বছৰীয়া সংহত বৃত্তিগত ডিগ্ৰী কাৰ্যসূচী ঃ**

প্ৰাথমিক শিক্ষাৰ ব্যাচেলৰ পাঠ্যসূচী হৈছে প্ৰাথমিক শিক্ষক শিক্ষাৰ এক চাৰি বছৰীয়া সংহত বৃত্তিগত ডিগ্ৰী পাঠ্যসূচী। এই পাঠ্যসূচী বিদ্যালয়ৰ উচ্চ মাধ্যমিক পৰ্যায়ৰ (শ্ৰেণী দ্বাদশ) পিছত প্ৰদান কৰা হয়। দিল্লী বিশ্ববিদ্যালয়ৰ শিক্ষা বিভাগৰ প্ৰাথমিক আৰু সামাজিক শিক্ষাৰ বাবে থকা মৌলানা আজাদ কেন্দ্ৰৰ দ্বাৰা অৱধাৰিত বা ধাৰণাকৃত ই এক দ্বিভাষিক কাৰ্যসূচী। এই কাৰ্যসূচী ১৯৯৪-৯৫ চনৰ শিক্ষাবৰ্ষত আৰম্ভ কৰা হৈছিল। এই কাৰ্যসূচী/ব্যৱস্থা বৃত্তিগত যোগ্যতাপ্ৰাপ্ত প্ৰাথমিক বিদ্যালয়ৰ শিক্ষকসকলৰ প্ৰয়োজন পূৰণ কৰাৰ দিশে এক প্ৰচেষ্টা। বিষয়জ্ঞানৰ অধ্যয়ন, মানৱ বিকাশ, শিক্ষাদানশৈলীমূলক জ্ঞান আৰু যোগাযোগৰ কৌশলসমূহৰ মাজত সংহতি স্থাপন কৰাৰ বাবে বি.এড. এড. পাঠ্যসূচীৰ প্ৰস্তুত কৰা হৈছে।

বি. এল. এড. পাঠ্যসূচীৰ দ্বাৰা দিল্লী বিশ্ববিদ্যালয়ৰ তত্বাৱধানত প্ৰাথমিক শিক্ষাৰ বিভিন্ন দিশ তথা সমস্যাসমূহ বিশ্ববিদ্যালয় ব্যৱস্থাৰ লগত সংহাত কৰা হৈছে। প্ৰাথমিক শিক্ষাক বিশ্ববিদ্যালয়ৰ ডিগ্ৰী প্ৰদান কৰি ইও প্ৰাথমিক বিদ্যালয়ৰ শিক্ষকসকলৰ বৃত্তিগত উন্নয়ন সাধন কৰিছে।

বৰ্তমান এই পাঠ্যসূচী দিল্লী বিশ্ববিদ্যালয়ৰ আঁঠখন মহিলা মহাবিদ্যালয়ত প্ৰদান কৰা হৈছে।

১৯৯৮ চনৰ পৰা এই মহাবিদ্যালয়সমূহৰ পৰা প্ৰায় ৩০০ ছাত্ৰ-ছাত্ৰীয়ে ইতিমধ্যে স্নাতক ডিগ্ৰী লাভ কৰিছে। এইসকলৰ ভিতৰত অধিক সংখ্যক ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন চৰকাৰী আৰু বেচৰকাৰী বিদ্যালয়ত বৃত্তিগত যোগ্যতাসম্পন্ন প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক হিচাপে অংশগ্ৰহণ কৰিছে। আনসকল ছাত্ৰ-ছাত্ৰীয়ে বিভিন্ন বিষয় যেনে— শিক্ষা, ভাষাবিদ্যাগত মনোবিজ্ঞান, ভাষা, বুৰঞ্জী, সমাজত কৰ্ম, সমাজশাস্ত্ৰ, গণিত আৰু ৰাজনীতি বিজ্ঞানত স্নাতোকোত্তৰ অধ্যয়ন আৰু গৱেষণাৰ অনুগমন কৰি আছে। এই পাঠ্যসূচীৰ বহুতো স্নাতক ছাত্ৰ-ছাত্ৰীসকলে কেন্দ্ৰীয় বিশ্ববিদ্যালয়ত শিক্ষণীয় বিষয়ত গৱেষণামূলক অধ্যয়নৰ অনুগমন (pursuing) কৰি আছে আৰু সেইসকলৰ কিছুমানে শিক্ষক প্ৰশিক্ষক হিচাপে কৰ্মৰত আছে।

শিক্ষক শিক্ষাৰ ক্ষেত্ৰত উচ্চ ক্ষমতাসম্পন্ন স্নাতক ছাত্ৰ-ছাত্ৰীৰ সৃষ্টি তথা বিকাশ সাধন কৰাই হৈছে বি এল এড পাঠ্যসূচীৰ/ব্যৱস্থাৰ উদ্দেশ্য। তেওঁলোকক অৰ্থাৎ ছাত্ৰ-ছাত্ৰীসকলক প্ৰশিক্ষণ আৰু এক সহায়কাৰী আৰু উত্তেজনা/উৎসাহিত পৰিৱেশ প্ৰদান কৰাৰ বাবে যথেষ্ট চেষ্টা কৰা হৈছে। যিসকল ছাত্ৰ-ছাত্ৰীয়ে বি এল.এড ডিগ্ৰী লাভ কৰি স্নাতক হৈছে সেইসকলৰ বাবে শৈক্ষিক আৰু বৃত্তিগত পাঠ্যসূচী দুয়োটা বিকল্প উপলব্ধ আছে।

প্ৰাথমিক বিদ্যালয়ত শিকন (শ্ৰেণী ১মৰ পৰা ৮মলৈ) এম চি ডি এন ডি এম চি দিল্লী সৰ্বোদয় বিদ্যালয়, কেন্দ্ৰীয় বিদ্যালয়, নবোদয় বিদ্যালয় আৰু ব্যক্তিগত বিদ্যালয়

বিভিন্ন সামৰ্থসমূহ প্ৰাথমিক বিদ্যালয় ব্যৱস্থাত নেতৃত্ব দিয়া।

চৰকাৰী আৰু বেচৰকাৰী খণ্ডত প্ৰাথমিক বিদ্যালয়ত শিকন আৰু গৱেষণা।

শিক্ষা আৰু আন সম্বন্ধীয় বিষয়সমূহত স্নাতকোত্তৰ আৰু গৱেষণা অধ্যয়ন।

প্ৰাথমিক/মাধ্যমিক শিক্ষাত প্ৰশিক্ষণ প্ৰদান কৰা বিভিন্ন ৰাজ্যিক অনুষ্ঠান, বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়ৰ বিভাগ আদিত শিক্ষক প্ৰশিক্ষক হিচাপে সেৰা আগবঢ়ায়।

চিত্ৰ ৮.৬

**এটা পৰ্যায়ৰ পৰা আন এটা পৰ্যায়লৈ গতি কৰাৰ সেতু পাঠ্যসূচী ঃ**

- উত্তৰ প্ৰদেশ চৰকাৰৰ দ্বাৰা প্ৰদান কৰা এক পাঠ্যসূচীয়ে বি এড উত্তীৰ্ণ প্ৰাৰ্থীসকলক ছমহীয়া বিশেষ বিটিচি পাঠ্যসূচীত তেওঁলোকৰ অংশগ্ৰহণৰ দ্বাৰা প্ৰাথমিক বিদ্যালয়ৰ শিকনৰ চাকৰিৰ বাবে যোগ্য কৰি তোলে।

শিক্ষক প্ৰশিক্ষকসকলক প্ৰস্তুতি কৰাৰ বাবে প্ৰয়োজনীয় সময়ৰ প্ৰতি লক্ষ্য ৰাখি এক নিৰ্দিষ্ট সময় সীমাৰ ভিতৰত অন্ততঃ ৫ বছৰ সময়সীমাত নতুন আৰ্হিসমূহলৈ পৰিৱৰ্তনৰ প্ৰক্ৰিয়াৰ সমাপ্ত কৰাৰ প্ৰয়োজন আছে। যিয়ে নহওক ১২ বছৰীয়া বিদ্যালয় শিক্ষাৰ পিছত বৰ্তমানৰ দুবছৰীয়া ডি.এড আৰ্হিক অৰ্থপূৰ্ণ আৰু উপযুক্ত হিচাপে গঢ় দি তুলি অবিৰতভাৱে চলি থাকিব পাৰে।

**৮.৬ প্ৰতিক্ৰিয়াত্মক/চিন্তনশীল ব্যক্তি হিচাপে শিক্ষক ঃ**

শিক্ষক এজনৰ বৃত্তিগত জীৱনত বহু সময়ত এনে কিছুমান দিশ/মুহূৰ্ত আছে যিটো অপেক্ষিত

নহয়। তেওঁলোকে এটা উপযুক্ত পথ নিৰ্বাচন কৰিব লাগে কিন্তু সেই পথ নিৰ্বাচনৰ সিদ্ধান্ত তেওঁ কেনেকৈ ল'ব? সিদ্ধান্ত গ্ৰহণৰ সময়তো আপোনালোকে তেনে দোমোজাৰ সন্মুখীন হ'ব পাৰে। আপোনালোকে কিদৰে সঠিক/শুদ্ধ দৃষ্টিভংগী নিৰ্বাচন কৰিব? কিছু সময়ৰ বাবে ভাবক।

বৰ্তমান আপোনালোক চিন্তনত জড়িত হৈছিল। হয়, প্ৰতিফলন/প্ৰতিক্ৰিয়াই যিকোনো পৰিস্থিতি উপযুক্তভাৱে নিৰূপণ কৰাৰ বাবে আৰু ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰয়োজনৰ অনুসৰি উপযুক্ত পথ নিৰ্বাচনৰ বাবে অনুমতি প্ৰদান কৰে। প্ৰতিক্ৰিয়াত্মক ব্যৱস্থাই আপোনালোকক নিজৰ শিক্ষণৰ/শিকনৰ বিষয়ে সমালোচনামূলকভাৱে ভাবিবলৈ সহায় কৰে আৰু ভৱিষ্যতে তেওঁলোকৰ শিক্ষণ ব্যৱস্থা উন্নয়ন কৰিবলৈ সেই জ্ঞানৰ ব্যৱহাৰ কৰিব পাৰে।

আমি বিশ্বাস কৰো যে শিক্ষকসকল হৈছে সিদ্ধান্ত গ্ৰহণকাৰী। তেওঁলোকে পৰম্পৰাগত ব্যৱস্থাৰ বিষয়ে কঠিন প্ৰশ্ন সোধে। শিকন আৰু শিক্ষণৰ বিষয়ে তেওঁলোকে তেওঁলোকৰ বিশ্বাস আৰু কল্পনাৰ বিষয়ে ধাৰাবাহিকভাৱে প্ৰতিফলনৰ ব্যৱহাৰ কৰে। তদুপৰি ই শিক্ষক প্ৰস্তুতকৰণৰ প্ৰক্ৰিয়াৰ ক্ষেত্ৰতো এক সচেতনমূলক চেষ্টা তথা গুৰুত্ব প্ৰদান কৰে।

**৮.৬.১ প্ৰতিক্ৰিয়াত্মক/প্ৰতিফলিত ব্যৱস্থাৰ অৰ্থ ঃ**

তলত উল্লেখিত প্ৰতিফলনৰ সংখ্যাসমূহে প্ৰতিফলনৰ অৰ্থ বুজাৰ ক্ষেত্ৰত আমাক সহায় কৰিব।

- প্ৰতিফলন হৈছে ব্যক্তিয়ে নিজৰ অভিজ্ঞতাসমূহৰ অনুসন্ধানৰ বাবে জড়িত থকা মানসিক আৰু আবেগিক কাৰ্যাৱলী সমৃদ্ধ এক সাধাৰণ/সামান্য/জাতিগত শব্দ, যাৰ দ্বাৰা নতুন ধাৰণা/বোধ আৰু সৌন্দৰ্যবোধৰ বিকাশ সাধন হয়— (Boud, and Walker-1985)

**প্ৰতিফলিত/প্ৰতিক্ৰিয়াত্মক ব্যৱস্থা ঃ**

- ব্যক্তিয়ে কি শিকিছে সেইবোৰৰ উন্নতিৰ বাবে লোৱা পদক্ষেপকযকাৰ্যক বুজায়।
- পৰিৱৰ্তনৰ বাবে ই নিৰপেক্ষভাৱে চিন্তা আৰু কাৰ্যক সম্পৰ্কিত কৰে।
- ব্যক্তিৰ বৃত্তিগত অভ্যাস/যোগ্যতাৰ উন্নতিৰ উদ্দেশ্যে ই তেওঁৰ কাৰ্যৰ বিষয়ে চিন্তন আৰু সমালোচনাত্মক বিশ্লেষণ কৰে।
- এজন প্ৰতিক্ৰিয়াত্মক তথা চিন্তনশীল ব্যক্তি হৈছে সেইজন—
  - ➢ যিয়ে সমালোচনাত্মকভাৱে কাৰ্যৰ পুনৰীক্ষণ, সেই কাৰ্য/প্ৰভাৱ সম্বন্ধে বিবেচনা আৰু ভৱিষ্যতে একে পৰিস্থিতিত তেওঁ কেনে প্ৰতিক্ৰিয়া দেখুৱাব তাৰ পৰিকল্পনাৰ অভিজ্ঞতাৰ দ্বাৰা শিকে।
  - ➢ গভীৰ সচেতনমূলক চিন্তাৰ দ্বাৰা সম্বন্ধ এক বিশেষ বৃত্তিৰ অভ্যাস কৰে বা বিশেষ বৃত্তিৰ লগত জড়িত; এই ক্ষেত্ৰত নিৰ্দেশনা উন্নয়নৰ বাবে যিজন শিক্ষকে অনুসন্ধানমূলক দৃষ্টিভংগী প্ৰয়োগ কৰে।

**৮.৬.২ প্ৰতিফলনৰ বিষয়ে শিক্ষাবিদসকলে কি কয় ঃ**

“প্ৰতিক্ৰিয়াত্মক/প্ৰতিফলিত ব্যৱস্থাত ব্যক্তিয়ে (Practitioner) আত্ম-নিৰীক্ষণ আৰু আত্মমূল্যায়নৰ এক ধাৰাবাহিক চক্ৰৰ সৈতে জড়িত হৈ থাকে যাতে তেওঁলোকে নিজৰ আৰু শিক্ষাৰ্থীসকলৰ মাজত নিহিত কৰা/সুচোৰা নিজৰ ক্ৰিয়া আৰু প্ৰতিক্ৰিয়াসমূহৰ বিষয়ে বোধ লাভ কৰিব পাৰে (Bookfield, 1995; Thiel, 1999)।

প্ৰতিফলিত/প্ৰতিক্ৰিয়াত্মক ব্যৱস্থাৰ লক্ষ্য অনুশীলনকাৰী গৱেষণাৰ দৰে, কেৱল এক বিশেষ সমস্যা আৰু প্ৰাৰম্ভতে সংজ্ঞায়িত প্ৰশ্নসমূহৰ সম্বোধন কৰাই নহয়, কিন্তু সামান্য ৰূপত ধাৰাবাহিকভাৱে ব্যৱস্থাৰ পৰীক্ষণ আৰু পৰিশোধনক সামৰি লয়।”(কানিংহাম ২০০১)।

প্ৰতিফলিত/প্ৰতিক্ৰিয়াত্মক ব্যৱস্থাত জড়িত হ'বলৈ ব্যক্তিক বাহ্যিক নিৰীক্ষণৰ দৃষ্টিভংগীৰ অনুমান কৰাৰ সামৰ্থৰ প্ৰয়োজন যাতে ব্যৱস্থাৰ আধাৰভূত অনুভূতিসমূহ আৰু বিশ্বাস তথা অনুমানবোৰ চিনাক্ত কৰিব পাৰে আৰু কিদৰে এই অনুভূতি আৰু বিশ্বাসবোৰে ব্যৱস্থাৰ ওপৰত প্ৰভাৱ পেলায় সেই বিষয়ে কল্পনা কৰিব পাৰে।” (Imel 1992)

### ৮.৬.৩ প্ৰতিফলিত/প্ৰতিক্ৰিয়াত্মক ব্যৱস্থাৰ উৎপত্তি/মূলকথা ঃ

জন ডিউই হৈছে প্ৰথম শিক্ষাবিদ যিয়ে পোন প্ৰথমে পৰামৰ্শ দিছিল যে প্ৰতিফলনৰ দ্বাৰা শিক্ষকে সকলে তেওঁলোকৰ অভ্যাস/ব্যৱস্থাৰৰ উন্নতি কৰিব পাৰি। ডিউই (১৯৯৩) পৃষ্ঠা-১১৮) প্ৰতিফলিত চিন্তাক সক্ৰিয়, দৃঢ় আৰু কোনো বিশ্বাসৰ সচেতনমূলক বিবেচনা বুলি সংজ্ঞা দিছে।

প্ৰতিফলিত ক্ৰিয়াৰ প্ৰতিটো ক্ষেত্ৰতে এজন ব্যক্তিয়ে নিজক প্ৰদত্ত বৰ্তমান পৰিস্থিতিৰ লগত সন্মুখীন হয় য'ৰ পৰা তেওঁ এনে এটা পৰিস্থিতিলৈ গতি কৰিব লাগিব বা সমাপ্ত কৰিব লাগিব। যিটো বাস্তৱত অনুপস্থিত। এই উপলব্ধ বিষয়বস্তুৰ পৰা অনুপস্থিত এটা ধাৰণা লৈ গতি কৰা প্ৰক্ৰিয়াক অনুমান বুলি কোৱা হয়।

জন ডিউইয়ে প্ৰতিফলনক শিকনৰ সমগ্ৰ দৃষ্টিভংগী আৰু শিক্ষকে শ্ৰেণী কোঠাত সৃষ্টি হোৱা সমস্যাবোৰৰ সমাধান কৰাৰ উপায় হিচাপে অভিহিত কৰিছে। তেওঁ প্ৰতিফলিত প্ৰক্ৰিয়াৰ তিনিটা মূল উপাদানৰ বিষয়ে উল্লেখ কৰিছে— খোলা প্ৰকৃতিৰ/খোলা মনৰ দায়িত্ববোধ আৰু সমৰ্পিত।

ডিউইৰ মতে,

- **খোলা প্ৰকৃতিৰ** মনোভাৱে এজন শিক্ষকৰ নিজৰ শিকনৰ প্ৰতিটো দিশৰ সমালোচনাত্মকভাৱে অধ্যয়ন কৰো, তথ্যৰ সন্ধান কৰা আৰু নতুন ধাৰণা তথা দৃষ্টিভংগীৰ গ্ৰহণ আৰু বিকাশ সাধন কৰিব বিচৰাৰ ক্ষমতাক বুজায়।
- **দায়িত্ববোধে** কোনো ব্যক্তিৰ শিকনে ছাত্ৰ-ছাত্ৰীসকলৰ ওপৰত কেনে প্ৰভাৱ পেলাব পাৰে সেই প্ৰভাৱ সম্বন্ধে বোধ জন্মায় আৰু অভিপ্ৰেত তথ্যৰ শিকনৰ বাহিৰে এটা পাঠৰ পৰা কি আহৰণ কৰিব পাৰি সেই সম্বন্ধেবোধ জন্মায় বা জনাত সহায় কৰে।
- সমৰ্পিত ভাব ধাৰাই উৎসাহৰ সৈতে কামক আগবঢ়াই নিয়ে। উপযুক্ত শিকনৰ বাবে উৎসাহ আৰু কৌতূহলপৰায়ণতা গুৰুত্বপূৰ্ণ/প্ৰয়োজনীয়। যদি আমি আমাৰ কৰ্মত সম্পূৰ্ণ চেষ্টা প্ৰয়োগ

নকৰো, তেন্তে আমি সামৰ্থ অনুসৰি উপযুক্ত ফলাফল পাব নোৱাৰো। সমৰ্থিত ভাবধাৰাৰ আন এক অৰ্থ হৈছে যে পূৰ্বৰ দুই দৃষ্টিভংগী যেনে খোলা প্ৰকৃতিৰ আৰু দায়িত্ববোধ আমাৰ জীৱনৰ এক গুৰুত্বপূৰ্ণ অংশ হোৱা উচিত যেতিয়া ই নিয়মিতভাৱে ছাত্ৰ-ছাত্ৰীৰ ওপৰত শিকন আৰু ইয়াৰ প্ৰভাৱ সম্বন্ধে পুনঃনিৰীক্ষণ কৰে।

**৮.৬.৪ প্ৰতিফলন ঃ** অনুভূতিসমূহৰ সৈতে অভিজ্ঞতা Boud, Keogh and/আৰু Walker (1985), প্ৰতিফলন হৈছে এক কাৰ্যৱলী য'ত ব্যক্তিয়ে 'নিজৰ অভিজ্ঞতা প্ৰতিগ্ৰহণ/পুনৰ গ্ৰহণ (recapture) কৰে, এই বিষয়ে ভাবে আৰু বিচাৰ কৰে আৰু মূল্যায়ন কৰে।

চিন্তন প্ৰক্ৰিয়াৰ লগত অনুভূতিসমূহৰ সংযোগ সাধন কৰি এইবোৰে তলত উল্লেখিত প্ৰতিফলনৰ তিনিটা দিশ উপস্থাপন কৰে।

- **অভিজ্ঞতালৈ উভতনি ঃ** প্ৰধান ঘটনাৱলীৰ পুনঃস্মৰণ আৰু বিশদ আলোচনা।
- **অনুভূতিসমূহৰ লগত সংযোগ সাধন ঃ** উপযুক্ত অনুভূতিসমূহৰ ব্যৱহাৰ আৰু প্ৰতিৰোধমূলক অনুভূতিসমূহৰ নাইকীয়া কৰা।
- **অভিজ্ঞতাৰ মূল্যায়ন ঃ** কোনো ব্যক্তিৰ অভিপ্ৰায়ৰ দৃষ্টিত অভিজ্ঞতাৰ পুনঃপৰীক্ষা কৰা আৰু প্ৰচলিত জ্ঞান কোনো ব্যক্তিৰ ধাৰণাকৃত গাঁথনিত এই নতুন জ্ঞানৰ সংহতিকৰণ।

**৮.৬.৫ প্ৰতিফলিত/প্ৰতিক্ৰিয়াত্মক ব্যৱস্থাৰ আধুনিক ধাৰণা ঃ**

ডনাল্ড স্কোন (Donald Schon) (১৯৮৩)য়ে 'কম'ত জ্ঞানৰ ধাৰণা আগবঢ়াইছিল— এই হৈছে এক প্ৰকাৰৰ জ্ঞান, যি আমি কি ধৰণে আমাৰ কাৰ্যসমূহ বহন কৰে আৰু কিদৰে সমস্যাসমূহ দাঙি ধৰো সেই বিষয়ে প্ৰকাশ কৰে। এই জ্ঞান কৰ্মত নিহিত হৈ থাকে। এয়া ব্যক্তিৰ কৰ্মদক্ষতাত দেখা যায়, কিন্তু আমি এই বিষয়ে মৌখিকভাৱে স্পষ্ট কৰি দিয়া নাই। মৌনজ্ঞান/নীৰৱ জ্ঞান গৱেষণা আৰু আমাৰ নিজৰ প্ৰতিফলন আৰু অভিজ্ঞতাৰ পৰা আহৰণ কৰা হয়। এই বৃত্তিগত জ্ঞান প্ৰত্যেক প্ৰতিকাত্মক তথা প্ৰতিফলিত শিকন অভিজ্ঞতাৰ লগে লগে বৃদ্ধি হয় আৰু শিক্ষকসকলক জ্ঞানৰ ওপৰত ভিত্তি কৰি ধাৰাবাহিকভাৱে পদক্ষেপ ল'বলৈ অনুমতি প্ৰদান কৰে। তেওঁ পৰামৰ্শ প্ৰদান কৰে যে ধাৰাবাহিক বা নিৰন্তন শিক্ষণ প্ৰক্ৰিয়াত জড়িত হ'বলৈ কৰ্ম প্ৰতিফলিত হোৱাৰ সামৰ্থ বা ক্ষমতা হৈছে বৃত্তিগত ব্যৱস্থাৰ এক উল্লেখযোগ্য বৈশিষ্ট্য আছিল।

তেওঁ প্ৰতিফলিত প্ৰক্ৰিয়াক তিনিটা প্ৰধান/মুখ্য দিশঃ— কৰ্মত প্ৰতিফলন, কৰ্ম প্ৰতিফলন আৰু কৰ্মৰ বাবে প্ৰতিফলনৰ সংমিশ্ৰণ বুলি অভিহিত কৰিছে।

- **কৰ্মত প্ৰতিফলন ঃ** কৰ্ম সংঘটিত হোৱাৰ ফলত যি প্ৰতিফলন হয় তাকে কৰ্মত প্ৰতিফলন বুলি কোৱা হয়। ই হৈছে আমি যেতিয়া কৰ্ম কৰি আছো তেতিয়া কি কৰি আছো সেই বিষয়ে চিন্তা কৰাৰ ক্ষমতা। তেওঁ ইয়াক মুখ্য কৌশল বুলি অভিহিত কৰিছে। পুৰণি তথা পূৰ্ব অভিজ্ঞতাক বৰ্তমানৰ পৰিস্থিতিত চিন্তা আৰু প্ৰয়োগ কৰাৰ এই ক্ষমতাই শিক্ষণীয় প্ৰয়োজনসমূহৰ প্ৰতি শিক্ষকসকলৰ সচেতনতা বৃদ্ধি কৰাত সহায় কৰে। ই আপোনাক পৰামৰ্শ দিয়ে যে আপুনি যেতিয়া শিকাই থাকে আপোনাৰ প্ৰতিফলন কৰাৰ সামৰ্থ আছে।

- **কৰ্মৰ ওপৰত প্ৰতিফলন ঃ** ই আৰম্ভণি হোৱাৰ আগত আৰু সমাপ্ত হোৱাৰ পিছত অভিজ্ঞতাৰ ওপৰত প্ৰতিফলিত কৰাক অন্তৰ্ভুক্ত কৰে। ই আপোনাক আপোনাৰ কৰ্মৰ কৃতকাৰ্যতা আৰু অকৃতকাৰ্যতাৰ বিশেষণ কৰাৰ পৰামৰ্শ প্ৰদান কৰে।
- **কৰ্মত বাবে প্ৰতিফলন ঃ** যেতিয়া প্ৰতিফলনৰ পৰা আহৰণ কৰা জ্ঞানে ভৱিষৎ কৰ্মক প্ৰভাৱিত কৰে তেতিয়া ই সংঘটিত হয়। আপুনি আপোনাৰ শিক্ষণৰ বিষয়ে সক্ৰিয় হোৱাৰ বাবে পৰামৰ্শ দিয়ে।

**কাৰ্যাৱলী-৬ ঃ**

স্তম্ভ A/‘ক’ই প্ৰতিফলনৰ প্ৰধান দিশসমূহ দেখুৱাইছে আৰু স্তম্ভ ‘খ’ই তেওঁলোকৰ বৰ্ণনা আৰু উদাহৰণ দেখুৱাইছে। স্তম্ভ ‘ক’ৰ প্ৰতিটো দিশে স্তম্ভ ‘খ’ৰ বৰ্ণনা আৰু উদাহৰণৰ সৈতে মিল আছে।

| স্তম্ভ ‘ক’ | স্তম্ভ ‘খ’ |
|---|---|
| কৰ্মত প্ৰতিফলন | উপযুক্ত ব্যৱস্থা আৰু গৱেষণাৰ ওপৰত ভিত্তি কৰি পাঠসমূহৰ প্ৰস্তুতকৰণ। |
| কৰ্মৰ ওপৰত প্ৰতিফলন | পৰীক্ষাত ছাত্ৰ-ছাত্ৰীসকলৰ উত্তৰ বহী চোৱা/পৰীক্ষণ কৰা। |
| কৰ্মৰ বাবে প্ৰতিফলন | প্ৰশ্নৰ দ্বাৰা বোধ শক্তিৰ পৰীক্ষা কৰা আৰু পাঠৰ গতি সেই অনুসৰি সমাযোজিত কৰা।<br>ভৱিষৎ প্ৰসংগ আৰু আগত পাঠৰ উন্নতিকৰণ বা পৰিৱৰ্তন কৰা। |

**৮.৬.৬ প্ৰতিক্ৰিয়াত্মক শিকনৰ জিচনাৰ (Zeichner) আৰু লিচটনৰ (Liston's) আৰ্হি ঃ**

জিচনাৰ আৰু লিচটনৰ প্ৰতিক্ৰিয়াত্মক শিক্ষণৰ আৰ্হিৰে প্ৰতিক্ৰিয়াত্মক ব্যক্তি হিচাপে শিক্ষকৰ ৫টা প্ৰধান বৈশিষ্ট্যৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। সেইবোৰ হ’ল—

(ক) শ্ৰেণীকোঠাৰ ব্যৱস্থাৰ দোমোজাৰ পৰীক্ষা আৰু সমাধানৰ চেষ্টা কৰা।

(খ) তেওঁ শিকনত কঢ়িয়াই অনা প্ৰশ্ন, সিদ্ধান্তসমূহ আৰু মূল্যবোধসমূহৰ বিষয়ে সচেতন।

(গ) তেওঁ শিক্ষাদান কৰা আনুষ্ঠানিক আৰু সাংস্কৃতিক পৰিস্থিতিৰ প্ৰতি আগ্ৰহী।

(ঘ) পাঠ্যক্ৰমৰ বিকাশত অংশগ্ৰহণ কৰে।

(ঙ) নিজৰ বৃত্তিগত বিকাশৰ দায়িত্ব বহন কৰে।

জিচ্‌নাৰ আৰু লিচ্‌টনে প্ৰতিক্ৰিয়াত্মক শিক্ষাদান প্ৰক্ৰিয়াৰ পৰম্পৰা প্ৰধান বৈশিষ্ট্যসমূহ পৰীক্ষা

আৰু আকৰ্ষণ কৰে। শিক্ষাদান আৰু শিক্ষক শিক্ষাত সংশোধনমূলক প্ৰচেষ্টাৰ পৰামৰ্শ দিয়া প্ৰতিক্ৰিয়াত্মক ব্যৱস্থাৰ ৫ টা পৰম্পৰা চিনাক্ত কৰা হৈছিল। এইবোৰ হৈছে শৈক্ষিক, সামাজিক দক্ষতা, বিকাশবাদী, সামাজিক পুনঃনিৰ্মাণবাদী আৰু জাতিগত পৰম্পৰা। তেওঁলোকে মত প্ৰকাশ কৰে যে এই সকলোবোৰ পৰম্পৰাই (জাতিগত দৃষ্টিভংগীৰ ব্যতিক্ৰম) শিক্ষকৰ চিন্তাৰ বিষয়বস্তুৰ ক্ষেত্ৰত এক বিশেষ গুৰুত্ব আৰোপ কৰে।

- **শৈক্ষিক পৰম্পৰা ঃ** ই পাঠ্যসূচীৰ বিষয়বস্তু আৰু এই বিষয়বস্তু কিদৰে শিকোৱা হয়, ছাত্ৰ-ছাত্ৰীৰ মাজত বোধশক্তিৰ বিকাশৰ বাবে পুনঃউপস্থাপন আৰু অনুবাদক প্ৰতিফলিত কৰাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰে।
- সামাজিক দক্ষতা পৰম্পৰাই নিৰ্দেশনাৰ ভিত্তি হিচাপে বৈজ্ঞানিক গৱেষণাত নিহিত থকা পদ্ধতিৰ ব্যৱহাৰৰ বুজায় আৰু শিক্ষকে তেওঁলোকৰ কৰ্মৰ ওপৰত প্ৰতিফলন কৰাৰ মানদণ্ডক সূচায়।
- বিকাশবাদী পৰম্পৰাই ছাত্ৰ-ছাত্ৰীসকলৰ পৃষ্ঠভূমি, আগ্ৰহ চিন্তা আৰু শৈক্ষিক আৰু বিকাশশীল পৰ্যায়ৰ ওপৰত প্ৰতিষ্ঠিতজনৰ দৃষ্টিভংগীক প্ৰতিফলিত কৰাৰ ওপৰত গুৰুত্ব দিয়ে।
- সামাজিক পুনঃনিৰ্মাণবাদী পৰাম্পৰাই বিদ্যালয় আৰু সমাজত সুস্থ/উপযুক্ত পৰিস্থিতি, সমতা, ন্যায়ৰ সমৃদ্ধিৰ বাবে বিদ্যালয়ৰ সামাজিক আৰু ৰাজনৈতিক প্ৰসংগ আৰু শ্ৰেণীকোঠাৰ কাৰ্যৰ নিৰূপণৰ বিষয়ে প্ৰতিফলন কৰাৰ ওপৰত মনোযোগ প্ৰদান কৰে।
- জাতিগত পৰম্পৰাই সাধাৰণভাৱে চিন্তনশীল শিক্ষকে গুণগত ব্যৱস্থা আৰু চিন্তাৰ বিষয়বস্তু অহিবনে তেওঁলোকৰ কৰ্মত কি কৰে সেই বিষয়ে প্ৰতিনিধিত্ব কৰে।

উপযুক্ত শিক্ষণে বিভিন্ন পৰম্পৰাৰ দ্বাৰা গুৰুত্ব প্ৰদান কৰা সকলোবোৰ বিষয়বস্তুৰ প্ৰয়োজনীয়তা পূৰণ কৰিব লাগে। সেইবোৰ হৈছে— বিষয়বস্তুৰ উপস্থাপন, ছাত্ৰ-ছাত্ৰীৰ চিন্তা আৰু বোধ শক্তি, গৱেষণাভিত্তিক শিক্ষাদানৰ কৌশলবোৰ আৰু শিক্ষাদানৰ সামাজিক প্ৰসংগবোৰ।

তেওঁলোকে আকৌ গুৰুত্ব প্ৰদান কৰে যে—

- যদি শিক্ষকসকলে তেওঁলোকৰ কৰ্মক নিৰ্দেশনা দিয়াৰ উদ্দেশ্য মূল্যবোধ আৰু দিশবোৰক প্ৰশ্ন নকৰে আৰু তেওঁলোকে শিক্ষাদান কৰা প্ৰসংগক/প্ৰেক্ষাপতক পৰীক্ষণ নকৰে/পৰীক্ষা নকৰে, তেন্তে তেওঁলোক উপযুক্ত প্ৰতিক্ৰিয়াত্মক শিকন/শিক্ষাদানত জড়িত নহয়।
- প্ৰতিক্ৰিয়াত্মক শিকন/শিক্ষাদানে শিক্ষাদানৰ প্ৰসংগ আৰু উপায় আৰু সমাপ্তিৰ বিষয়ে সমালোচনাত্মক প্ৰশ্নাৱলী অন্তৰ্ভুক্ত কৰে।
- উপযুক্ত প্ৰতিক্ৰিয়াত্মক/প্ৰতিফলিত শিক্ষাদান গণতান্ত্ৰিক হোৱাৰ প্ৰয়োজন যাতে শিক্ষকসকলে সমপৰ্যায়ৰ উচ্চ শৈক্ষিক মানদণ্ড সম্পন্নভাৱে ছাত্ৰ-ছাত্ৰীসকলক সকলো বিষয়ৰ শিক্ষাদানৰ প্ৰতি প্ৰতিশ্ৰুতিৰদ্ধ হোৱা উচিত।
- ই গণতান্ত্ৰিক আৰু আত্ম সমালোচনামূলক হোৱা উচিত।

### ৮.৬.৭ প্ৰতিফলনৰ পদ্ধতিসমূহ ঃ

আপোনালোকে কোনো এটা বিশেষ ঘটনা আৰু ঘটনাৰাজি সংৰক্ষণ কৰি ৰাখিব বিচাৰে কিয়নো আপোনালোকে সেইবোৰ আপোনালোকৰ বাবে গুৰুত্বপূৰ্ণ বুলি ভাবে। আপোনালোকে পৰিস্থিতি, আপোনাৰ ভূমিকা, আপোনাৰ কৰ্মৰ ফলাফল আৰু কোনো পৰিস্থিতি আৰু ঘটনাৰ ওপৰত প্ৰতিফলন বিষয়ে সংৰক্ষণ কৰা উচিত। এইবোৰ তলত উল্লেখিত ধৰণে সংৰক্ষণ কৰিব পাৰে।

- বৰ্ণনা হৈছে কোনো ব্যক্তিৰ ওপৰত লিখা ঘটনা বা অভিজ্ঞতাৰ এক কাহিনী যিয়ে ব্যক্তিগত আৰু বৃত্তিগত বিকাশৰ মাজত সংযোগ স্থাপন কৰিবলৈ সক্ষম কৰি তোলে।
- প্ৰতিফলিত পত্ৰিকা হৈছে পৰিস্থিতিৰ পৰা লাভ শিক্ষণ আৰু বিভিন্ন ধৰণে দৃষ্টি নিক্ষেপ কৰা অভিজ্ঞতাৰ লগত আন অভিজ্ঞতাৰ সংযোগ কৰা অভিজ্ঞতা আৰু ঘটনাৰাজিৰ প্ৰতি প্ৰতিক্ৰিয়া। তদুপৰি ইয়াক আপুনি কি শিকাৰ প্ৰয়োজন আৰু আপুনি কিদৰে নিজৰ নিৰ্বাচিন/চিনাক্ত শিক্ষণ উদ্দেশ্যত উপনীত হ'ব পাৰে সেই বিষয়ে তথ্য আছে।

**কাৰ্যৱলী ৭ ঃ**

"প্ৰতিক্ৰিয়াত্মক ব্যক্তি হ'বলৈ....."এই বিষয়ে ৰচনা প্ৰস্তুত কৰক/লিখক (১৫ৰ পৰা ২০ শাৰী ভিতৰত)

..........................................................................................

..........................................................................................

..........................................................................................

..........................................................................................

..........................................................................................

### ৮.৭ সামৰণি/সাৰাংশ

এইদৰে, এই গোটটোত আমি প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক পৰ্যায়ৰ উপ-মঞ্চৰ শিক্ষাদানশৈলীমূলক সমস্যা আৰু দিশসমূহৰ বিষয়ে অধ্যয়ন কৰিলো যিয়ে বিদ্যালয় শিক্ষাৰ ৰাষ্ট্ৰীয় পাঠ্যক্ৰম গাঁথনি ২০০৫ৰ প্ৰধান দিশসমূহৰ পৰিচালিত কৰে। ইয়াত অধ্যয়ন কৰা প্ৰধান গুৰুত্বপূৰ্ণ দিশ আছিল বিশেষকৈ শিক্ষকসকলৰ প্ৰশিক্ষণ— প্ৰাক্‌কালীন আৰু কৰ্মকালীন পৰ্যায়ত, প্ৰশিক্ষণৰ বাবে প্ৰয়োজনীয় আনুষ্ঠানিক আন্তঃগাঁথনি আৰু প্ৰাথমিক পৰ্যায়ত শিক্ষকসকলৰ নিযুক্তি আদি।

শিক্ষক শিক্ষাৰ ৰাষ্ট্ৰীয় পাঠ্যক্ৰম গাঁথনি ২০০৯-১০ য়ে এই দিশসমূহৰ প্ৰতি লক্ষ্য ৰাখিছে আৰু প্ৰাথমিক পৰ্যায়ৰ বাবে শিক্ষক শিক্ষা (শ্ৰেণী ১ৰ পৰা ৫মলৈ) শিক্ষক শিক্ষাৰ ক্ষেত্ৰকে ধৰি প্ৰাথমিক শিক্ষক শিক্ষাৰ বিভিন্ন দিশসমূহ বিশেষভাৱে আকৰ্ষণ কৰিছে। যেনে— প্ৰাথমিক শিক্ষাৰ যুক্ততা, বিষয়বস্তু/পাঠ্য সূচীৰ বিষয়বস্তু, প্ৰশিক্ষণ, পাঠ্যক্ৰমৰ লেনদেন, মূল্যায়ন আৰু মূল্যায়নৰ বিভিন্ন আহিলাসমূহ।

আকৌ আমি এই গোটটোত প্ৰাথমিক শিক্ষক শিক্ষাৰ বিভিন্ন আৰ্হিসমূহৰ বিষয়ে আলোচনা কৰিছো। তাৰ ভিতৰত প্ৰচলিত আৰ্হিসমূহৰ উন্নতিকৰণ আৰু ডিগ্ৰী পৰ্যায়ৰ ৰূপত নতুন পদক্ষেপসমূহ আৰু সংহত আৰ্হিসমূহ। কিন্তু এই সকলোবোৰ প্ৰচেষ্টা/পদক্ষেপ নিৰৰ্থক হ'ব যদিহে বাস্তৱত এই পদক্ষেপসমূহ আৰু অভিনৱ চিন্তাধাৰাসমূহ গ্ৰহণ আৰু প্ৰয়োগ নকৰে। ইয়াৰ বাবে প্ৰতিক্ৰিয়াত্মক তথা চিন্তাশীল শিক্ষকৰ প্ৰয়োজন আৰু সেয়েহে আমি অবিৰত প্ৰতিফলিত উন্নয়নৰ বাবে প্ৰতিক্ৰিয়াত্মক ব্যৱস্থাৰ অৰ্থ আৰু প্ৰতিফলনৰ পদ্ধতিসমূহৰ বিষয়ে অধ্যয়ন কৰিছো।

প্ৰাথমিক পৰ্যায়ত শিক্ষাদানৰ বাবে শিক্ষকৰ যোগ্যতা পৰীক্ষা (TET) এক গুৰুত্বপূৰ্ণ চৰ্ত হৈ পৰিছে আৰু গতিকে আমি এই পৰীক্ষা কি ধৰণে সঞ্চালিত/পৰিচালিত হয় জনা উচিত।

## ৮.৮ শব্দকোষ আৰু সংক্ষিপ্ত নাম ঃ

- **প্ৰেক্সিচ বা প্ৰচলিত প্ৰথা (Praxis)** ঃ কোনো বিষয়ৰ ব্যৱহাৰিক দিশ আৰু প্ৰয়োগ, যেনে— এক বৃত্তিগত কৌশল বা ইয়াৰ তত্ত্বৰ বিপৰীতে এক বৃত্তিগত কৌশল।

## ৮.৯ পৰামৰ্শমূলক পঠন আৰু প্ৰসংগ পুথি ঃ


- Approach paper for Elementary Teacher Education Curriculum Renewal (2003) NCTE, New Delhi, India.
- Boud, D. Keogh, R. Walker, D. (1985) Reflection : Torning experience into learning. Londow : Kogan Page.
- Curriculume Tramework for Quality Teacher Education (1998) NCTE,
- Dewey, J. (1993) How we Think. A. restatement of the relation of reflective thinking to the educative process (Revised edn.), Boston; D.C. Health.
- Kenneth M. Zeichner and Dantel P. Liston in Reflutive Teaching : An Introduction.
- Kathari, D.S. (Chairman) 1996) Report of the Education Commission 1964-66. Govt. of India, New Delhi.
- MHRD (1986) National Policy on Education 1986 : Programe of Action. Govt. of India, Hew Delhi.
- National Curriculum Framework for Teacher Education (2009) NCTE, New Delhi, India.
- Schon. D.A. (1983) The reflective Practitioner. Temple Smith : London.
- http://www.indg.in/Primary- education/policies ends schemes/rte-ssa-final-report. Pof. rltreved on 8.8.2011.
- http:/Indg.in Primary Education/teacher corner/national-curricula-for-teacher-education. pdf retrived on 10.8.2011.

- http : ww. ncte-india. org/pub/curr/curr. htm#26retrived on 12.8.2011.
- http://www.ucdoer.il/index.php/Defining_Refective_Practice.
- http://www.resources. scalingtheheights.com/schon%20 and %20 Reflective %20 Practice. htm.
- http://www.infed. org/bibleo/b-reflect.htm.

**৮.১০ গোট/পাঠ সমাপ্তি অনুশীলনী ঃ**

এন চি এফ টি ই ২০০৯-১০ আৰু এন চি এফ ১০০৫ৰ লক্ষ্য কৰি বা অনুসৰি প্ৰাথমিক শিক্ষক হিচাপে আপুনি আপোনাৰ ভূমিকাত কি ধৰণৰ পৰিৰ্বতনৰ পৰিকল্পনা তথা বিবেচনা কৰিব? ৩০০ শব্দৰ ভিতৰত বৰ্ণনা কৰক।

# গোট ৯ বঞ্চিতসকলৰ শিক্ষাৰ বাবে শিক্ষকৰ প্ৰস্তুতি

**সংগঠন**


৯.০ অৱতাৰণা/পৰিচয়

৯.১ শিক্ষণ উদ্দেশ্যসমূহ

৯.২ প্ৰৱেশ আৰু সংৰক্ষণৰ দিশ/সমস্যাসমূহ

৯.২.১ অনুসূচীত জাতিৰ শিশুসকলৰ শিক্ষা

৯.২.২ অনুসূচীত জনজাতিৰ শিশুসকলৰ শিক্ষা

৯.২.৩ বিশেষ প্ৰয়োজনসম্পন্ন শিশুসকল

৯.২.৪ বিশেষ প্ৰয়োজনৰ বাবে শিক্ষকৰ প্ৰশিক্ষণ

৯.২.৫ নগৰৰ বঞ্চিত শিশুসকল

৯.২.৬ শিশু শ্ৰমিক

৯.২.৭ সংখ্যালঘু শিশুসকলৰ শিক্ষা

৯.৩ শৈক্ষিক সহায়ক ব্যৱস্থা

৯.৪ অন্তৰ্ভুক্ত শিক্ষা

৯.৪.১ আন্তৰ্জাতিক দৃষ্টিকোণ

৯.৪.২ অন্তৰ্ভুক্তিকৃত শিক্ষাৰ সুবিধাসমূহ

৯.৪.৩ অন্তৰ্ভুক্তিকৃত বিদ্যালয় আৰু শ্ৰেণীকোঠা

৯.৫ বিদ্যালয়ত শিশুৰ অধিকাৰৰ ৰক্ষণাবেক্ষণ

৯.৬ সামৰণি/সাৰংশ

৯.৭ পৰামৰ্শমূলক পঠন আৰু প্ৰসংগপুথি

৯.৮ গোট সমাপ্তি অনুশীলনী।

# বঞ্চিতসকলৰ শিক্ষাৰ বাবে শিক্ষকৰ প্ৰস্তুতি

**৯.০ অৱতাৰণা/পৰিচয় ঃ**

বিদ্যালয় শিক্ষাত সমতা হৈছে এক গুৰুত্বপূৰ্ণ বিষয় তথা দিশ। ভাৰতীয় বিদ্যালয়সমূহত উপস্থিত বা যোৱা ছাত্ৰ-ছাত্ৰীসকলৰ ঘৰুৱা পৃষ্ঠভূমি বা পৰিৱেশৰ ক্ষেত্ৰত অসাধাৰণ বিভিন্নতা দেখা যায়। এফালে এনে কিছুমান ছাত্ৰ-ছাত্ৰী যিবোৰৰ ঘৰত ইণ্টাৰনেটৰ সা-সুবিধা আছে। আনহাতে, এনে কিছুমান ছাত্ৰ-ছাত্ৰী আছে যিসকলে আনকি দৈনিক বাতৰিকাকত পঢ়াৰ সুবিধা নাপায়। এফালে কিছুমান ছাত্ৰ-ছাত্ৰী আছে যিসকলৰ পিতৃ-মাতৃ শিক্ষিত আৰু তেওঁলোকে ছাত্ৰ-ছাত্ৰীসকলৰ শিক্ষাৰ ক্ষেত্ৰত সহায় কৰিব পাৰে। আনহাতে, আকৌ কিছু ছাত্ৰ-ছাত্ৰী আছে যিসকলৰ অভিভাৱক/পিতৃ-মাতৃ অশিক্ষিত আৰু খুব কমেহে বিদ্যালয় শিক্ষাৰ গুৰুত্ব আৰু সুবিধাৰ বিষয়ে জানে। পৰম্পৰাগতভাৱে কিছুমান সম্প্ৰদায়ে শিক্ষাব্যৱস্থাৰ পৰা সুবিধা গ্ৰহণ কৰি আহিছে, আনফালে কিছুমান অন্য সম্প্ৰদায় সম্পূৰ্ণৰূপে এই সুবিধাৰ পৰা বঞ্চিত। এই পাৰ্থক্য নাইকিয়া কৰাটো এটা প্ৰত্যাহ্বান। এই গোটটোৱে প্ৰথম প্ৰজন্মৰ শিক্ষাৰ্থীসকলক বিদ্যালয় শিক্ষাৰ সুবিধা লাভৰ বাবে উৎসাহিত কৰাৰ উদ্দেশ্য কিদৰে শ্ৰেণীকোঠা আৰু বিদ্যালয়ত ইতিবাচক বৈষম্যৰ অনুশীলন কৰিব লাগে সেই বিষয়ে আভাষ দিব।

**৯.০ শিক্ষণ উদ্দেশ্যসমূহ**

এই গোটটো অধ্যয়ন কৰাৰ পিছত আপোনালোক সমৰ্থ হ'ব—

- বিদ্যালয়লৈ যোৱা শিশুসকলৰ মাজৰ বিভিন্নতাৰ বিষয়ে বুজিবলৈ।
- সমাজৰ বঞ্চিত শ্ৰেণীৰ লোকসকলৰ শৈক্ষিক সমস্যাসমূহৰ বিবেচনা কৰিবলৈ।
- প্ৰথম প্ৰজন্মৰ শিক্ষাৰ্থীসকলক বিদ্যালয়ৰ বিষয়সমূহ শিকাবলৈ কৌশল আয়ত্ত্ব কৰা।
- বিদ্যালয়ৰ শিশুৰ প্ৰৱেশ আৰু সংৰক্ষণৰ সমৃদ্ধিৰ বাবে বিভিন্ন পদ্ধতিৰ অৱলম্বন কৰা।
- শৈক্ষিক সুবিধাৰ ন্যায়/সমতাপ্ৰাপ্তিৰ বাবে কৌশলৰ অবলম্বন কৰিবলৈ।

**৯.২ প্ৰৱেশ আৰু সংৰক্ষণৰ বিভিন্ন দিশ/সমস্যাসমূহ**

ভাৰতীয় সংবিধান অনুসৰি চৰকাৰে ৬ বছৰৰ পৰা ১৪ বছৰ বয়সৰ সকলো শিশুকে বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা প্ৰদানৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ হৈছে। এই লক্ষ্যত উপনীত হ'বলৈ ভাৰতবৰ্ষত

স্বাধীনতাৰ পিছত বিভিন্ন ধৰণৰ প্ৰচেষ্টা আৰু পদক্ষেপ হাতত লোৱা হৈছে। তদুপৰি শিশুসকলৰ বিদ্যালয়ৰ আশে পাশে তথা সান্নিধ্য নিশ্চিত কৰাৰ বাবে সমগ্ৰ দেশতে বহুসংখ্যক প্ৰাথমিক বিদ্যালয় প্ৰতিষ্ঠা কৰা হৈছিল। গাঁওসমূহত শিক্ষাৰ সুবিধা প্ৰদান কৰাৰ বাবে বহু ঠাইত এজনীয়া শিক্ষকৰ বিদ্যালয় আৰম্ভ কৰা হৈছিল। বিভিন্ন আঁচনি যেনে— বিনামূলীয়া নিৰ্দেশনাৰ সামগ্ৰী, মধ্যাহ্ন ভোজন, বিদ্যালয় ইউনিফৰ্মৰ বিতৰণ আৰু বিতৰণ আৰু জনজাতীয় ঠাইৰ ছোৱালীৰ বাবে সহায় আদি কাৰ্যকৰী কৰা হৈছিল। বিশ শতিকাৰ শেষৰ দশকৰ ফালে ভাৰত চৰকাৰৰ মানৱ সম্পদ উন্নয়ন মন্ত্ৰালয়ে গড় হিচাপে ৰাষ্ট্ৰীয় পৰ্যায়তকৈ যিবোৰ জিলাত মহিলাৰ সাক্ষৰতাৰ হাৰ কম সেই জিলাসমূহৰ বাবে এক উচ্চাকাংক্ষী আঁচনি জিলা প্ৰাথমিক শিক্ষা আঁাচনি (DPEP) গ্ৰহণ কৰিছিল। এই আঁচনিখনৰ দ্বাৰা প্ৰাথমিক শিক্ষাত শিশুসকলৰ প্ৰৱেশ নিশ্চিতকৰণ আৰু সংৰক্ষণ বৃদ্ধি কৰাৰ বাবে সম্পূৰ্ণ চেষ্টা কৰা হৈছিল। সৰ্বশিক্ষা অভিযানৰ অধীনত এই প্ৰচেষ্টাসমূহ বহল ভিত্তিত চলি আছিল। এই দুয়োখন আঁচনিয়ে ছাত্ৰ-ছাত্ৰীসকলৰ বিদ্যালয়ত নামভৰ্তিকৰণ আৰু বিদ্যালয় শিক্ষাৰ ধাৰাবাহিকতা ৰক্ষা কৰাৰ ক্ষেত্ৰত কিছুমান লাভালাভ কঢ়িয়াই আহিছে। তথাপিও প্ৰাথমিক শিক্ষাত ১০০ শতাংশ নামভৰ্তিকৰণ আৰু সংৰক্ষণ বৰ্তমানেও এটা সপোন স্বৰূপ হৈ আছে। এই সপোন পূৰণ কৰাটো এটা প্ৰত্যাহ্বান আৰু দেশৰ প্ৰাথমিক শিক্ষকসকলৰ এই ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা ল'বলগীয়া আছে।

**৯.২.১ অনুসূচীত জাতিৰ শিশুসকলৰ শিক্ষা ঃ**

ভাৰতবৰ্ষত অতীজৰে পৰা বৰ্ণ-প্ৰথাৰ প্ৰচলন হৈ থকা হেতুকে কিছুমান দলৰ মানুহক অচ্ছুৎ হিচাপে বিভাজন কৰা হৈছে। ভৃত্যৰ বৃত্তিত (চাকৰৰ বৃত্তিত) জড়িত হৈ থকা বাবে এইসকলে শিক্ষা ব্যৱস্থাৰ পৰা নিৰ্লিপ্ত হৈ থাকে। স্বাধীনতাৰ পিছত অচ্ছুৎ বা অস্পৃশ্য এই ধাৰণা আইনৰ দ্বাৰা নাইকিয়া/বৰ্জন কৰা হয়। তথাপিও এইসকল ব্যক্তিক তেওঁলোকৰ বঞ্চিতকৰণৰ ক্ষতিপূৰণ হিচাপে কিছুমান অতিৰিক্ত সুবিধা প্ৰদান কৰিটো নিশ্চিত কৰিবলৈ জাতিৰ এখন সূচী প্ৰস্তুত কৰা হৈছিল। অনুসূচীত জাতিৰ (SC) অন্তৰ্ভুক্ত লোকসকলক কিছুমান সাংবিধানিক অধিকাৰো প্ৰদান কৰা হৈছে। তেওঁলোকক কেৱল বিনামূলীয়া স্কুলীয়া শিক্ষাৰ সুবিধাই নহয় বৰং উচ্চ শিক্ষাৰ বাবে শৈক্ষিক অনুষ্ঠানসমূহত সংৰক্ষণৰ ব্যৱস্থাও কৰা হৈছে। এই ব্যৱস্থাই বিদ্যালয় আৰু মহাবিদ্যালয়সমূহত অনুসূচীত জাতিৰ ছাত্ৰ-ছাত্ৰীসকলৰ শতকৰা হাৰ বৃদ্ধি কৰিছে। তেওঁলোকৰ ভিতৰত বহুতে কৃতকাৰ্যতাৰে উচ্চ শিক্ষাও সমাপ্ত কৰিছে। যোৱা ৬০ বছৰৰ ভিতৰত এই সম্প্ৰদায়ৰ পৰা অহা ব্যক্তিসকলৰ সাক্ষৰতাৰ ক্ষেত্ৰত ধাৰাবাহিক বৃদ্ধি দেখা গৈছে। তথাপিও ইয়াক সম্পূৰ্ণৰূপে সমাধান কৰিবলৈ সঠিক ক্ৰিয়া প্ৰকল্প আৰু সমস্যাৰ গভীৰ আৰু সম্পূৰ্ণ অনুসন্ধানৰ প্ৰয়োজন।

কেতিয়াবা বিদ্যালয়ত এচ চি (SC) শিশুসকলৰ বাবে পৃথক শ্ৰেণীবিন্যাসৰ ব্যৱস্থা বা শ্ৰেণীবিন্যাস অনুশীলন কৰা দেখা যায়। ইয়াৰ ওপৰিও শ্ৰেণীকোঠাত উচ্চ বৰ্ণৰ ছাত্ৰ-ছাত্ৰী/শিশুসকলৰ সম্পৰ্কত অনুসূচীত জাতিৰ শিশুসকলৰ অযুক্তিকৰভাৱে তিৰস্কাৰ তথা উৎপীড়ন কৰা দেখা যায়। উদাহৰণস্বৰূপে— বিদ্যালয়ত পলমকৈ অহা বাবে শিশুসকলক গালি বা শাস্তি দিয়া, শ্ৰেণীকোঠাত অনুসূচীত জাতিৰ ছাত্ৰ-ছাত্ৰীসকলক সময় আৰু মনোযোগ নিদিয়া, তেওঁলোকৰ প্ৰশ্নৰ উত্তৰ নিদিয়া, আনকি শ্ৰেণীত প্ৰশ্ন সোধাৰ বাবে তেওঁলোকক গালি দিয়া আদি বিভিন্ন উদাহৰণ আমি সময়ে সময়ে পাই আহিছো। বিদ্যালয়ৰ ৰাজহুৱা উৎসৱৰ পৰা এচ চি (SC) শিশুসকলক বাহিৰ কৰি দিয়া, যেনে— ৰাতিপুৱাৰ

প্ৰাৰ্থনা সভাত অংশগ্ৰহণ কৰাৰ বাবে তেওঁলোকক অনুমতি নিদিয়া আৰু অন্যান্য ৰাজহুৱা ঘটনা বা উৎসৱ, যেনে— গণতান্ত্ৰিক দিৱস আৰু স্বাধীনতা দিৱস আদি সহজতে জানিব বা চিনাক্ত কৰিব পৰা নাযায়। এচ চি (SC) শিশুসকলৰ বাবে অপমানজনক মন্তব্য, তেওঁলোকৰ শৈক্ষিক কাৰ্যৰ লগতে খাপ খোৱাৰ অক্ষমতা, পানীৰ উৎসকে ধৰি বিদ্যালয়ৰ সুবিধাসমূহ এচ চি (SC) শিশুসকলক ব্যৱহাৰ কৰিব নিদিয়া আদি বিভিন্ন বাৰ্তা বিভিন্ন ঠাইৰ পৰা আহিছে। ইয়াৰ উপৰিও এচ চি শিশুসকলক বিদ্যালয়ত ভৃত্যৰ দৰে কাম কৰিবলৈ কোৱা হয়। যেনে— বিদ্যালয় পৰিসৰ আৰু শৌচাগাৰ পৰিস্কাৰ বা ঝাড়ু দিয়া আদি। আনকি জিৰণি সময়ত যেতিয়া লগৰ সমনীয়াবোৰে খেলিবলৈ বাহিৰলৈ যায় তেতিয়া লগৰ সমনীয়াবোৰে এচ চি (SC) শিশুসকলক প্ৰায়ে খেলা-ধূলাত অংশগ্ৰহণ কৰিব নিদিয়ে বা অন্তৰ্ভুক্ত নকৰে। ফলস্বৰূপে এচ চি (SC) শিশুসকলে তেওঁলোকৰ চুবুৰীৰ বিদ্যালয়লৈ নযোৱা এচ চি শিশুসকলৰ লগত খেলিবলৈ গৈ উভতি আহে, যিসকলে বিদ্যালয়লৈ নাযায় বা বিদ্যালয়লৈ নোহোৱা এচ চি (SC) শিশুসকলৰ লগত খেলিবলৈ উভতি আহে।

এচ চি (SC) সম্প্ৰদায়ৰ পৰা অহা শিশুসকলৰ বাবে সহায়কাৰী ব্যৱস্থা উদ্দীপক ক্ষুদ্ৰ পৰিকল্পনাৰ ওপৰত (incentive micro plan) প্ৰতিষ্ঠিত হোৱা উচিত হ'ব লাগে, যিয়ে প্ৰতিটো শিশুৰ প্ৰয়োজন পূৰণ কৰিব। বিদ্যালয়ত এচ চি (SC) শিশুসকলক অন্তৰ্ভুক্ত কৰাৰ কিছুমান পৰামৰ্শ হ'ল—

(ক) বিদ্যালয়ৰ ভিতৰত শিক্ষক, বিদ্যালয় কৰ্মী আৰু ছাত্ৰ-ছাত্ৰীসকলৰ ব্যৱহাৰ/আচৰণৰ মানদণ্ড স্থাপন কৰা।

(খ) বিশেষ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰী, বিদ্যালয় কৰ্মী আৰু শিক্ষকৰ দ্বাৰা অনুশীলন কৰা বৈষম্যৰ প্ৰকাৰ সময়মতে চিনাক্ত কৰা।

(গ) শিশুৰ মাত/কথা শুনিবলৈ উপায় বিচৰাটো এই ব্যৱস্থাৰ বাবে গুৰুত্বপূৰ্ণ।

(ঘ) বিদ্যালয় পৰ্যায়ত বৈষম্যমূলক আচৰণৰ অনুশীলন কৰাৰ প্ৰতিবেদন দিবলৈ এক ব্যৱস্থা কৰাটো হৈছে প্ৰথম পদক্ষেপ। বিদ্যালয়ত থকা অভিযোগৰ বাকচ/বক্স নিয়মিতভাৱে আৰু সময় মতে পৰীক্ষা কৰিব লাগে আৰু সময় মতে দিয়া বিদ্যালয় আৰু খণ্ডপৰ্যায়ত বৈষম্যতা নিৰ্ধাৰণৰ উদাহৰণে নিশ্চিতভাৱে ভাল ফলাফল দেখুৱাব তথা শুদ্ধ চিন্তা-ধাৰাৰ বিকাশ কৰিব।

(ঙ) শ্ৰেণীকোঠাৰ যোগাযোগ ব্যৱস্থা যেনে শ্ৰেণীবিন্যাস দিয়ে শিশুসকলক যাতে বৰ্ণ, সম্প্ৰদায় আৰু লিংগৰ ভিত্তিত পৃথক কৰা হোৱা নাই, সেইটো নিশ্চিত কৰাৰ ব্যৱস্থা ল'ব লাগে। উনৈশ শতিকাৰ মধ্যভাগত কৰ্ণাটকত আৰম্ভ কৰা বহুস্তৰীয় শিক্ষণৰ নালি-কালি আৰ্হি (Nali-Kali model of mutilevel learning) হৈছে অতি গুৰুত্বপূৰ্ণ, কাৰণ শিশুসকলক বৰ্ণ আৰু লিংগৰ ভিত্তিত শ্ৰেণীকোঠাত বহাতকৈ শিক্ষণৰ পৰ্যায়ৰ ওপৰত ভিত্তি কৰি শিশুসকলক শ্ৰেণীত দলীয়ভাৱে বহিবলৈ অনুমতি দিছিল। ই কেৱল সামাজিক ব্যৱধানেই নাইকিয়া কৰা নাছিল বৰং ই শ্ৰেণীবিন্যাসৰ ৰোটেচন (ঘূৰ্ণন)ৰ বাবে অনুমতি দিছিল আৰু এইদৰে শিশুসকলে পৰস্পৰ শিক্ষণ চক্ৰৰ বাহিৰে আৰু ভিতৰে গতি কৰে।

(চ) সহ-পাঠক্ৰমিক কাৰ্যসূচী যেনে— খেলাধূলা, গান আৰু নাটক যিবোৰে সামাজিক ব্যৱধান শিশুসকলৰ মাজৰ পৰা নাইকিয়া কৰে, সেই কাৰ্যসূচীবোৰ উৎসাহিত কৰিব লাগিব। এইক্ষেত্ৰবোৰ অৱহেলিত হৈ আছে আৰু এইবোৰ শিশুসকলৰ মাজত পৰস্পৰ যোগাযোগ বৃদ্ধিৰ বাবে উপযুক্ত কৌশল হ'ব আৰু লগতে বিভিন্ন পটভূমিৰ শিশুসকলক তেওঁলোকৰ প্ৰতিভা দেখুৱা তথা প্ৰকাশৰ আৰু স্বীকৃতি লাভৰ অনুমতি প্ৰদান কৰে।

(ছ) আৰ টি ই (RTE)ত অন্তৰ্ভুক্ত শাৰীৰিক শাস্তি আৰু উৎপীড়নৰ প্ৰতিৰোধ সম্পৰ্কীয় নাতি-নিয়মৰ প্ৰতি কঠোৰ পৰ্যবেক্ষণ আৰু আনুগত্যৰ প্ৰয়োজন। শিক্ষকৰ আচৰণৰ আৰু বিদ্যালয় কৰ্মীসকলৰ আচৰণৰ পৰ্যবেক্ষণ কৰাটো এচ এম চিৰ (SMC) এক উল্লেখযোগ্য নিৰ্দেশনা। বি আৰ চি (BRCs) আৰু চি আৰ চি (CRCs) সমূহে শিক্ষকসকলক শিক্ষাদান শৈলীমূলক আহিলাৰ বিকাশ আৰু শ্ৰেণীকোঠাৰ ব্যৱস্থাৰ বিকাশ সাধনত সহায় কৰিব পাৰে আৰু ই সামাজিক ব্যৱধান আঁতৰ কৰাত সহায় কৰে।

(জ) বিদ্যালয়ত অন্তৰ্ভুক্তি নিশ্চিতকৰণত শিক্ষক হৈছে এজন মূখ্য ব্যক্তি। কিন্তু শিক্ষা প্ৰক্ৰিয়াত তেওঁৰ ভূমিকা অৱহেলিত হোৱা দেখা যায়। গতিকে প্ৰাক্‌কালীন প্ৰশিক্ষণৰ পৰ্যায়ৰ পিছৰ পৰাই শিক্ষকসকলক শিক্ষক শিক্ষা আৰু প্ৰশিক্ষণ ব্যৱস্থাৰ ব্যৱহাৰৰ বাবে বিশেষ মডিউল (আৰ্হি) বিকাশৰ বাবে সংবেদনশীল কৰি তুলিব লাগে। খণ্ড পৰ্যায়ত এচ চি (SC) শিশুসকলৰ সৈতে আৰু সিহঁতৰ সমস্যাসমূহ সমাধানৰ অৰ্থে নিৰ্দেশনা দিয়া সময়ৰ ভিতৰত বিশেষ কৰ্ম-কালীন প্ৰশিক্ষণৰ ব্যৱস্থা কৰিব পাৰে।

(ঝ) প্ৰাথমিক বিদ্যালয়ৰ বাবে উপযুক্ত আন্তঃগাঁথনিৰ ব্যৱস্থা কৰা আৰু এচ চি (SC) শিশুসকলৰ মাজত শিক্ষাৰ সমৃদ্ধি বিকাশ কৰা। শিক্ষা বিভাগে যিবোৰ এচ চি কেন্দ্ৰিক স্থান/চুবুৰী আছে সেইবোৰত প্ৰয়োজন অনুসৰি মুক্ত বিদ্যালয়ৰ সুবিধা প্ৰদান কৰিব পাৰে।

(ঞ) এচ চি (SC) ছাত্ৰ-ছাত্ৰীসকলে সন্মুখীন হোৱা শিক্ষণ সমস্যাসমূহৰ বাবে এক পদ্ধতিগত গৱেষণামূলক অধ্যয়নৰ প্ৰয়োজন। এইটো পোৱা গৈছে যে শিক্ষণ সমস্যাসমূহৰ অনুসন্ধান আৰু সেইবোৰ সমাধান কৰাৰ উপায়ে কেৱল এচ চি ছাত্ৰ-ছাত্ৰীসকলৰ মাজত শিক্ষণৰ সুবিধা প্ৰদান কৰা নাই বৰং ই তেওঁলোকৰ শৈক্ষিক কৃতকাৰ্যতাও বৃদ্ধি কৰিছে (Kulkarni and Agarkar 1985)।

এইটো স্বীকাৰ কৰিব লাগিব যে বহিস্কাৰৰ সমস্যাই প্ৰায়ে স্থানীয় আৰু প্ৰসংগ বিশেষ ৰূপ লোৱা দেখা যায়। ওপৰত উল্লেখিত তালিকাখন সাধাৰণ প্ৰকৃতিৰ উপায়সমূহৰ সৈতে সম্পৰ্কিত। ইয়াৰ উপৰিও ক্ষেত্ৰবিশেষ আৰু সম্প্ৰদায় বিশেষ সমস্যাসমূহৰ চিনাক্ত কৰাটো দৰকাৰ আৰু এচ চি ছাত্ৰ-ছাত্ৰীসকলৰ সমস্যাৰ সমাধানৰ বাবে তৎকালীনভাৱে ব্যৱস্থা গ্ৰহণ কৰাটো আৱশ্যক।

কার্যৱলী ১ ঃ

ভাৰতবৰ্ষত এচ চি (SC) ছাত্ৰ-ছাত্ৰীসকলৰ উন্নয়ন সম্বন্ধে তথ্যৰ বিচাৰ কৰা আৰু তাৰ পিছত তলৰ প্ৰশ্নসমূহৰ উত্তৰ দিয়া ঃ

১। ১৯৫০ চনত এই সম্প্ৰদায়ৰ পৰা অহা লোকসকলৰ সাক্ষৰতাৰ হাৰ কি আছিল?

..........................................................................................................

..........................................................................................................

২। বৰ্তমান সাক্ষৰতাৰ হাৰ কি?/কিমান?

..........................................................................................................

..........................................................................................................

৩। এই ক্ষেত্ৰৰ উন্নয়নে সাক্ষৰতাৰ সাধাৰণ উন্নয়নৰ লগত খাপ খাইছেনে?

..........................................................................................................

..........................................................................................................

৪। এচ চি (SC) সম্প্ৰদায়ৰ পুৰুষ আৰু মহিলাৰ সাক্ষৰতাৰ হাৰৰ ক্ষেত্ৰত আপুনি কিবা পাৰ্থক্য বিচাৰি পাইছোনে?

..........................................................................................................

..........................................................................................................

**৯.২.২ অনুসূচীত জনজাতিৰ শিশুসকলৰ শিক্ষা ঃ**

ভাৰতীয় সংবিধানৰ ৪৬নং অনুচ্ছেদত জনজাতি লোকসকলৰ কল্যাণৰ বাবে ভাৰতীয়সকলৰ সচেতনতা ভালদৰে প্ৰতিফলিত হৈছে, য'ত উল্লেখ আছে যে ৰাষ্ট্ৰই তেওঁলোকৰ শৈক্ষিক আৰু অৰ্থনৈতিক বিকাশত সহায় কৰিব। জনজাতিসকলৰ সূচীৰ দৰে জনজাতিসকলৰ বাবেও এখন সূচী প্ৰস্তুত কৰা হৈছিল। অনুসূচীত জনজাতিৰ লোকসকলক বিদ্যালয় আৰু উচ্চ শিক্ষাৰ ক্ষেত্ৰত বিশেষ ব্যৱস্থা দিয়া হৈছিল। জনজাতীয় সম্প্ৰদায়সমূহ একে ধৰণৰ নহয় আৰু অৰ্থসামাজিক আৰু শৈক্ষিক বিকাশৰ বিভিন্ন পৰ্যায়ত দেখিবলৈ পোৱা যায়। সাধাৰণতে অনুসূচীত জনজাতিৰ অধিকসংখ্যক লোকেই শিক্ষাৰ ক্ষেত্ৰত পিছপৰা। স্বাধীনতাৰ সময়ৰ পৰাই তেওঁলোকক মূল সুঁতিলৈ অনাৰ চেষ্টা কৰা হৈছে। ডি পি ই পিয়ে জনজাতি আৰু বিদ্যালয় এৰাৰ বয়স পৰ্যন্ত সংৰক্ষণ কৰিবলৈ তেওঁলোকক আকৰ্ষণ কৰাৰ বাবে বিশেষ ব্যৱস্থা হাতত লৈছে। সৰ্বশিক্ষা অভিযানেও একে প্ৰচেষ্টা গ্ৰহণ কৰিছে। সেয়েহে এই বিষয়টোৰে বিশেষ মনোযোগ বিচাৰে। দেশৰ বিভিন্ন ঠাইত বাস কৰা জনজাতীয় লোকসকলৰ জীৱনশৈলী আৰু সমস্যাসমূহ ভিন্ন ধৰণৰ। সাধাৰণতে জনজাতীয় লোকসকলৰ সমস্যা সৃষ্টি হয় যিহেতু তেওঁলোক মূলসুঁতিৰ পৰা বিচ্ছিন্ন। তেওঁলোকে সাধাৰণতে পাহাৰীয়া ক্ষেত্ৰসমূহত বসবাস কৰে, যিবোৰ অতি পিছপৰা আৰু দুৰ্গম। তেওঁলোকৰ অৰ্থনৈতিক স্থিতি নিম্নমানৰ যাৰ বাবে

তেওঁলোকৰ শিশুসকলে পৰিয়ালৰ আয়ৰ বৃদ্ধিৰ বাবে কাম কৰিব লগা হয়। জনজাতীয় লোকসকলে তেওঁলোকৰ দৈনন্দিন কথোপকথনত স্থানীয় উপ-ভাষাৰ ব্যৱহাৰ কৰে। গতিকে বহু জনজাতীয় ছাত্ৰ-ছাত্ৰীসকলৰ আঞ্চলিক ভাষা প্ৰয়োগৰ উপযুক্ত কৰ্মদক্ষতা নাই। তেওঁলোকে বসবাস কৰা ঠাইসমূহ বিদ্যালয় শিক্ষাৰ বাবে উপযোগী নহয়। এই সম্প্ৰদায়বোৰ অঘৰী প্ৰকৃতিৰ; তেওঁলোকক জীৱিকা নিৰ্বাহৰ তাড়নাত এঠাইৰ পৰা আন ঠাইলৈ আৰু এখন ৰাজ্যৰ পৰা আন এখন চুবুৰীয়া ৰাজ্যলৈ গতি কৰিবলৈ বাধ্য কৰে। সেয়েহে শিশুসকলে শিক্ষাৰ ক্ষেত্ৰত ভয়াৱহ সমস্যাৰ সন্মুখীন হয়, যিহেতু তেওঁলোকে গোটেই বছৰটোত কোনো এক নিৰ্দিষ্ট বিদ্যালয়ত উপস্থিত থাকিব নোৱাৰে। গতিকে জনজাতীয় শিশুসকলক বিদ্যালয়ৰ প্ৰতি আকৰ্ষিত আৰু বিদ্যালয়ত সংৰক্ষণ কৰিবলৈ বিশেষ সহায়মূলক ব্যৱস্থা গ্ৰহণ কৰা উচিত। কিছুমান এনে ব্যৱস্থা হ'ল—

- প্ৰাথমিক শিক্ষাৰ আৰম্ভণিত শিশুৰ বাবে মাতৃভাষাত পাঠ্যপুথি প্ৰস্তুতকৰণ। কাৰণ সেই সময়ত তেওঁলোকে আঞ্চলিক ভাষা বুজি নাপায়।
- শিক্ষকৰ ব্যৱহাৰৰ বাবে ভাষাসূচীৰ ব্যৱস্থা।
- জনজাতীয় অঞ্চলৰ প্ৰত্যেক বিদ্যালয়ত আংগনবাড়ী আৰু বালৱাড়ী আৰু ক্ৰেচৰ স্থাপন কৰা যাতে ছোৱালীবোৰে কেচুৱাসকলৰ চোৱা-চিতা কৰাৰ প্ৰয়োজন নহয়।
- জনজাতীয় অঞ্চলত কাম কৰাৰ বাবে অজনজাতীয় শিক্ষকসকলৰ বাবে বিশেষ প্ৰশিক্ষণৰ ব্যৱস্থা, বিশেষকৈ জনজাতীয় উপভাষাৰ জ্ঞান।
- প্ৰতিটো বাসস্থানৰ ১ কি.মি.ৰ ভিতৰত বিদ্যালয়/ই জিট এচ (EGS), যেনে— বিকল্প সুবিধাৰ ব্যৱস্থা কৰিব লাগে।
- নিয়মীয়া বিদ্যালয়লৈ ই জি এচ (EGS)ৰ উন্নতিকৰণ।
- বিকল্প আৰু অভিনৱ শিক্ষা উপাদানৰ অধীনত বিদ্যালয় বহিৰ্ভুত শিশুৰ বাবে বিশেষ মূলসূঁতিৰ শিবিৰ স্থাপন কৰা।
- মহিলা সমীক্ষা যেনে— নতুনত্ব নিধি/অভিনৱ নিধিৰ পৰা সহায়তা।
- প্ৰক্ৰিয়া ভিত্তিক সম্প্ৰদায়ৰ অংশগ্ৰহণৰ ব্যৱস্থা কৰা; বিশেষকৈ মহিলা আৰু এচ চি/এচ টি অভিবাৱকৰ অংশগ্ৰহণত গুৰুত্ব দিয়া।
- ছোৱালীৰ শিক্ষা আৰু এচ চি/এচ টি শিশুসকলৰ শিক্ষাৰ বাবে প্ৰসংগ ভিত্তিক অভিনৱ সহায়মূলক ব্যৱস্থাৰ বাবে বিত্তীয় ব্যৱস্থা কৰা। অভিনৱ ব্যৱস্থাসমূহে নামভৰ্তিকৰণ আৰু সংৰক্ষণ শাখা, বিশেষ শিবিৰ আৰু সেতু পাঠ্যসূচী, বিকল্প বিদ্যালয়সমূহৰ বাবে বিশেষ আৰ্হিৰ স্থাপন, সম্প্ৰদায়ৰ গতিশীলন যেনে— নতুন কৰ্ম দল স্থাপন আৰু প্ৰচলিত কৰ্মদলৰ লগত কাম কৰা, উপস্থিতি পৰ্য্যৱেক্ষণ কৰা, প্ৰতিকাৰমূলক শ্ৰেণী, বিদ্যালয়ৰ বাহিৰে ভিতৰে এক সুস্থ পৰিৱেশ প্ৰদান আদি অন্তৰ্ভুক্ত কৰে।
- বিদ্যালয় পৰিচালনাৰ বাবে সম্প্ৰদায়ৰ নেতাৰ সামৰ্থ্যবিকাশৰ বাবে প্ৰশিক্ষণ ব্যৱস্থা; উপযুক্ত

শৈক্ষিক পৰ্যৱেক্ষণৰ বাবে খণ্ড আৰু ক্লাষ্টাৰ (cluster) সম্পদ কেন্দ্ৰ স্থাপন কৰা হয়।

- ৮ম শ্ৰেণী পৰ্যন্ত প্ৰতিটো শিশুকে বিনামূলীয়া পাঠ্যপুথিৰ ব্যৱস্থা, ইউনিফৰ্ম, টোকাবহী, শৌচালয়ৰ সামগ্ৰী, খাদ্য আদিৰ সৈতে হোষ্টেলৰ সুবিধা ইত্যাদি।
- সকলো প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক বিদ্যালয়ৰ বাবে উপযুক্ত শিকন-শিক্ষণ সা-সঁজুলি প্ৰদান।
- বিদ্যালয় আৰু সকলো শিক্ষকৰ বাবে শিক্ষক অনুদান, সম্প্ৰদায়ভিত্তিক পৰ্যৱেক্ষণ, গৱেষণামূলক আৰু সম্পদ অনুষ্ঠানসমূহৰ লগত অংশীদাৰী আৰু সহায়ক ব্যৱস্থাসমূহৰ সাময়িক প্ৰতিক্ৰিয়া (Feedback)।

**আশ্ৰম বিদ্যালয়ৰ বাবে গুণগত উন্নয়নৰ ব্যৱস্থা ঃ**

মহাৰাষ্ট্ৰ চৰকাৰৰ জনজাতীয় বিকাশ বিভাগৰ অনুৰোধক্ৰমে আশ্ৰম বিদ্যালয়ৰ বিজ্ঞান আৰু গণিতৰ গুণমান উন্নত কৰাৰ উদ্দেশ্যে এক ব্যৱস্থা হাতত লোৱা হৈছিল। আশ্ৰম বিদ্যালয়সমূহ ভাৰতৰ পুৰণি গুৰুকুল শিক্ষা ব্যৱস্থাৰ আধাৰত স্থাপন কৰা হৈছে। এই বিদ্যালয় স্থাপনৰ উদ্দেশ্য হৈছে বৰ্তমানলৈ অৱহেলিত জনজাতীয় সম্প্ৰদায়ৰ ছাত্ৰ-ছাত্ৰীসকলক শিক্ষা প্ৰদান কৰা। ছায়াদ্ৰী (Shayadri) পৰ্বতমালাত (মহাৰাষ্ট্ৰৰ পশ্চিম দিশ) অৱস্থিত তিনিখন জিলাত ১৯৯৩-৯৭ চনত বিজ্ঞান শিক্ষাৰ হোমি ভাবা কেন্দ্ৰৰ দ্বাৰা এই ব্যৱস্থা পৰিচালিত হৈছিল। ই তিনিটা বিষয়ৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল— (ক) সামৰ্থ্যৰ বিকাশ/নিৰ্মাণ (খ) শিক্ষক প্ৰশিক্ষণ আৰু শিশু-শিশুৰ মাজৰ যোগাযোগৰ বৃদ্ধি।

**(ক) সামৰ্থৰ বিকাশযনিৰ্মাণ ঃ** বিদ্যালয়ৰ সামৰ্থ নিৰ্মাণ/বিকাশৰ প্ৰসংগত পুথিভঁৰাল আৰু পৰীক্ষাগাৰসমূহৰ বিকাশত গুৰুত্ব আৰোপ কৰা হৈছে। পুথিভঁৰালত উপযুক্ত কিতাপসমূহ উপলব্ধ কৰা হৈছিল আৰু সেইবোৰ সঠিকভাৱে ব্যৱহাৰ কৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰা হৈছিল। একেদৰে প্ৰয়োজনীয় সা-সঁজুলিৰ সৈতে বিজ্ঞান পৰীক্ষাগাৰ সবলীকৰণ কৰা হৈছিল। ইয়াৰ উপৰিও গণিতৰ পৰীক্ষাৰ বিকাশৰ বাবে প্ৰচেষ্টা লোৱা হৈছিল।

**(খ) শিক্ষক-প্ৰশিক্ষণ ঃ** ৩ বছৰৰ সময়সীমাত বিজ্ঞান আৰু গণিতৰ শিক্ষকসকলৰ বাবে ছয়টা প্ৰশিক্ষণ পাঠ্যসূচী/কাৰ্যসূচী পৰিচালিত কৰা হৈছিল। এই প্ৰশিক্ষণৰ সময়ছোৱাত শিক্ষকসকলক জনজাতীয় ছাত্ৰ-ছাত্ৰীসকলৰ শিক্ষণ সমস্যাৰ লগত পৰিচয় কৰাই দিয়া হয় আৰু সেই সমস্যাবোৰ প্ৰতিৰোধ কৰিবলৈ কিছুমান পৰামৰ্শ প্ৰদান কৰা হৈছিল। শিক্ষকসকলৰ প্ৰসংগ বা সহায়ৰ বাবে জনজাতীয় ছাত্ৰ-ছাত্ৰীসকলৰ বাবে বিশেষভাৱে প্ৰস্তুত কৰা প্ৰতিকাৰমূলক সামগ্ৰীও উপলব্ধ কৰা হৈছিল।

**(গ) শিশু-শিশুৰ মাজত যোগাযোগৰ বৃদ্ধি ঃ** আশ্ৰম বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীসকলে শ্ৰেনীকোঠাৰ সময়ৰ পিছতো একেলগে বসবাস কৰিছিল। এই সময়খিনিৰ ব্যৱহাৰ কৰাৰ বাবে শিশু-শিশুৰ যোগাযোগৰ বৃদ্ধিৰ বাবে প্ৰচেষ্টা হাতত লোৱা হৈছিল। তেওঁলোকক কিছুমান দলীয় কাৰ্য্যাৱলী গ্ৰহণ কৰিবলৈ পৰামৰ্শ দিয়া হৈছিল। যেনে— প্ৰদৰ্শন ফলক বা বোৰ্ডত বাতৰি কাকতৰ বিভিন্ন খবৰ প্ৰদৰ্শন কৰা, ওচৰৰ গছ-গছনিৰ পৰ্যায়/স্তৰৰ বাবে (হাৰবেৰিয়াম) ঔষধিশালা প্ৰস্তুত কৰা। এই কাৰ্যসূচীবোৰে তেওঁলোকৰ আজৰি সময়খিনি সঠিক দিশত ব্যৱহাৰ কৰিবলৈ সমৰ্থৱান কৰি তোলে আৰু তেওঁলোকৰ

শৈক্ষিক প্ৰাপ্তিৰ বৃদ্ধি কৰে।

### ৯.২.৩ বিশেষ প্ৰয়োজন সম্পন্ন শিশুকল (CWSN) ঃ

সৰ্বশিক্ষা অভিযানৰ উদ্দেশ্যসমূহ তেতিয়াহে অনুধাৱন কৰিব পৰি যেতিয়া সকলো শিশুৱে প্ৰাথমিক শিক্ষাৰ সীমাৰ ভিতৰত বিশেষ প্ৰয়োজনসম্পন্ন শিশুসকলক অন্তৰ্ভুক্ত কৰে। বিভিন্ন আঁচনিসমূহৰ অভিজ্ঞতাই যেনে ডি পি ই পিয়ে প্ৰমাণ কৰিছে যে উপযুক্ত সহায়ক সেৱাৰ সৈতে বিশেষ প্ৰয়োজনসম্পন্ন শিশুসকলক নিয়মীয়া বিদ্যালয়ত গুণগত শিক্ষা প্ৰদান কৰিব পৰা যায়। চি ডব্লিউ এচ এন সকলক প্ৰায়ে তেওঁলোকৰ অক্ষমতা, তেওঁলোকৰ যোগ্যতা সম্বন্ধে অভিভাৱক আৰু সম্প্ৰদায়ৰ সচেতনতাৰ অভাৱ আদিৰ ভিত্তিত নিম্ন বুলি অভিহিত কৰা হয়। শিক্ষকসকলে তেনে ছাত্ৰ-ছাত্ৰীসকলক শিক্ষাদান কৰাৰ ক্ষেত্ৰত দেখুৱা আকংশাই তেওঁলোকৰ শিক্ষাৰ অধিকাৰ নাকচ কৰিছে। তেনে শিশুসকলৰ প্ৰতি থকা এক সহানুভূতিশীল সামাজিক দৃষ্টিভংগীয়ে তেওঁলোকে কি কৰিব পাৰে সেই মনোভাৱতকৈ তেওঁলোকে কি কৰিব নোৱাৰে তাৰ ওপৰত গুৰুত্ব প্ৰদান কৰাটো হৈছে এক ব্যৱধান। চি ডব্লিউ এচ এনসকলক নিয়মীয়া বিদ্যালয়সমূহত অন্তৰ্ভুক্ত/সংহত কৰাৰ প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি সৰ্বশিক্ষা আঁচনিৰ গাঁথনিয়ে চি ডব্লিউ এচ এনসকলক শিক্ষিত কৰাৰ বাবে উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিছে। এচ্ এচ্ এ লক্ষ্যই প্ৰতিটো শিশু/বিশেষ প্ৰয়োজনসম্পন্ন প্ৰতিটো শিশু তেওঁলোকৰ অক্ষমতাৰ প্ৰকাৰ আৰু সীমা নিৰ্বিশেষে অৰ্থপূৰ্ণ আৰু গুণগত শিক্ষা প্ৰদানৰ ব্যৱস্থা নিশ্চিত কৰে। সেয়েহে সৰ্বশিক্ষা অভিযানে শূন্য প্ৰত্যাখ্যান ব্যৱস্থা/নীতি গ্ৰহণ কৰিছে। ইয়াৰ অৰ্থ হৈছে বিশেষ প্ৰয়োজনসম্পন্ন কোনো শিশুৱে শিক্ষাৰ অধিকাৰৰ পৰা বঞ্চিত কৰা উচিত নহ'ব।

Person with Disabilities (Equal opportunities, protection of Rights and fullPerticipation) Act, 1995ৰ অনুসৰি সৰ্বশিক্ষা আঁচনিৰ গাঁথনিয়ে বিশেষ প্ৰয়োজনসম্পন্ন শিশুসকলক তেওঁলোকৰ শিক্ষাৰ প্ৰয়োজনৰ লগত খাপ খোৱা পৰিৱেশৰ লগত শিক্ষা দিয়াৰ পোষকতা কৰিছে। এইবোৰ বিশেষ বিদ্যালয়, বিকল্প অভিনৱ শিক্ষা আৰু গৃহভিত্তিক শিক্ষাক অন্তৰ্ভুক্ত কৰিছে। গতিকে, যেতিয়া জিলা, খণ্ড, গাঁও আৰু বাসস্থান পৰ্যায়ত শিক্ষাৰ পৰিকল্পনা কৰাৰ বাবে চি ডব্লিউ এচ এনসকলৰ প্ৰয়োজনৰ প্ৰতি লক্ষ্য ৰাখিব লাগে। চি ডব্লিউ এচ এনৰ কিছুমান বিশেষ প্ৰয়োজন আছে— সম্পদৰ সহায়, বিশেষ শিক্ষক প্ৰশিক্ষণ, গতিশীল সামগ্ৰী আৰু উপকৰণ আদি। আকৌ বিশেষ প্ৰয়োজনসম্পন্ন শিশুসকলৰ প্ৰয়োজনীয় আন কিছুমান বিশেষ ব্যৱস্থা ইয়াত আছে যিবোৰক আন কিছুমান অবিৰত কাৰ্যসূচীৰ লগত সম্পৰ্কিত কৰিব পাৰে যেনে— সম্প্ৰদায় সচেতনতা, গাঁও শিক্ষা কমিটীৰ সামৰ্থ নিৰ্মাণ, কৰ্ম-কালীন শিশুক প্ৰশিক্ষণ, বিদ্যালয় ক্ষেত্ৰ সুলভ আৰু অক্ষমতা অনুকূল কৰি তোলা, বাল্যকালৰ শিশুৰ যতন আৰু শিক্ষা আৰু ছোৱালী শিক্ষা আদি।

চি ডব্লিউ এচ এনসকলৰ বাবে শিক্ষাৰ অধিকাৰ বাস্তৱত পৰিণত কৰাৰ পৰিকল্পনা কৰোতে, বিশেষ প্ৰয়োজনসম্পন্ন শিশুসকলক বিভাগ অনুসৰি গৃহভিত্তিক জৰীপৰ দ্বাৰা চিনাক্ত কৰিব লাগে। বিদ্যালয় আৰু জিলাত সৰ্বমুঠ শিশু জনসংখ্যাৰ চি ডব্লিউ এচ এনসকলৰ অনুপাত সম্পৰ্কে তথ্য সংগ্ৰহ কৰা উচিত। জিলাপৰ্যায়ত চি ডব্লিউ এচ এনসকলৰ বাবে উপলব্ধ সুবিধাসমূহ চিনাক্ত কৰিব লাগে। চি ডব্লিউ এচ এনসকলৰ আনুষ্ঠানিক আৰু কাৰ্যকৰী মান নিৰূপণৰ প্ৰচেষ্টাসমূহ গ্ৰহণ কৰিব লাগে। চি

ডব্লিউ এচ এনসকলক নিয়মীয়া বিদ্যালয়সমূহত নিয়োগ কৰাৰ বাবে প্ৰয়োজনীয় যান-বাহন আৰু অন্যান্য সুবিধাসমূহৰ নিৰূপণ কৰিব লাগে। চি ডব্লিউ এচ এনৰ চিনাক্ত কৰা অনুপাতৰ তথ্য অনুসৰি চৰকাৰী বিভাগসমূহৰ অভিসৃতী অনুসৰি, তেওঁলোকৰ প্ৰয়োজন সাপেক্ষে বিভিন্ন সহায়কাৰী উপকৰণ প্ৰদান কৰা হৈছে। তদুপৰি স্বেচ্ছাসৰৌ সংগঠন, এ ডি আই পি/এ এল আই এম চি অ'/আই ই ডি চি/আৰু অন্যান্য আঁচনি, এছ এচ এৰ অনুদান আৰু অন্যান্য উৎসসমূহ সংগ্ৰহ কৰাৰ প্ৰয়োজন।

প্ৰশিক্ষণপ্ৰাপ্ত বিশেষ শিক্ষকসকলৰ নিযুক্তি, ফিজিঅ'থেৰাপিষ্টসকলৰ বাবে দীৰ্ঘকালীন প্ৰশিক্ষণ, অকুপেশনেল থেৰাপিষ্ট (Occupation therapists), প্ৰশিক্ষণৰ বাবে স্বেচ্ছাসেৰী সংগঠনসমূহ আৰু বিদ্যালয়সমূহ/নিৰূপণ/অভিনৱ শিক্ষণীয় উপকৰণসমূহৰ প্ৰয়োগকৰণ আদিৰ বাবে অনুদানৰ উৎসসমূহৰ অনুসন্ধান কৰা উচিত। বিকল্পভাৱে, হ্ৰস্বকালৰ বাবে আৰু গণ প্ৰশিক্ষণ ব্যৱস্থা/কাৰ্যসূচীৰ দ্বাৰা সকলো শিক্ষকক সংবেদনশীল কৰি তোলাৰ সহায়ক সম্পদ আৰু উৎসসমূহ চিনাক্ত কৰা উচিত। সকলো চি ডব্লিউ এচ এনক বিদ্যালয়লৈ অনাৰ উদ্দেশ্য সম্প্ৰদায় গতিশীলন আৰু অভিভাৱকসকলক সংবেদনশীল কৰাৰ ব্যৱস্থাৰ ওপৰত গুৰুত্ব প্ৰদান কৰিব লাগে। চি ডব্লিউ এচ এনসকলক অন্তৰ্ভুক্ত কৰি সকলো শিশুকে শিক্ষাৰ সুবিধা প্ৰদান কৰাৰ বাবে উপযুক্ত পাঠ্যক্ৰম গ্ৰহণৰ প্ৰচেষ্টা কৰিব লাগে।

চি ডব্লিউ এচ এনসকলৰ বাবে মূল্যায়ন আৰু পৰীক্ষাৰ ক্ষেত্ৰত শিথিলতা যেনে দৃষ্টিহীন শিশুসকলৰ বাবে লেখক প্ৰদান কৰা, পঠনৰ অক্ষম শিশুসকলৰ (Dyslexic) বাবে অতিৰিক্ত সময় প্ৰদান, শ্ৰৱণ বাধাগ্ৰস্ত শিশু আৰু পঠনৰ অক্ষম শিশুসকলক কেৱল এটা ভাষা অধ্যয়নৰ সুবিধা দিয়া, আদি গ্ৰহণ কৰা উচিত। চি ডব্লিউ এচ এনসকলক এক সুস্থ পৰিৱেশ (ৰেম্প, শৌচাগাৰৰ উন্নয়ন, শ্ৰেণীকোঠাৰ বিন্যাস) প্ৰদান কৰাৰ বাবে বৰ্তমান বিদ্যালয়সমূহত বৈষেয়িক বাধা/আন্তঃগাঁথনিমূলক বাধাসমূহ প্ৰতিৰোধ কৰাৰ পৰিকল্পনা কৰাৰ ক্ষেত্ৰত সম্প্ৰদায়ৰ সহযোগত জিলাকৰ্তৃপক্ষসমূহে সহায় কৰিব। বিদ্যালয়ত চি ডব্লিউ এচ এনসকলৰ ভৰ্তিকৰণ আৰু সংৰক্ষণৰ পৰ্যৱেক্ষণ কৰাৰ বাবে অভিভাৱকসকল, স্বেচ্ছাসেৰী সংগঠন আৰু ভি ই চি এচ (VECs) সমূহৰ অন্তৰ্ভুক্তিকৰণ কৰিব লাগে।

### ৯.২.৪ ভৌগোলিকভাৱে পিছপৰা শিশুসকলৰ বাবে শিক্ষা ঃ

শিক্ষাই অসেৰিত/বঞ্চিত অঞ্চল/বাসস্থানসমূহ বিদ্যালয়ৰ আশ্বাস প্ৰদান কৰে, সংকটপূৰ্ণ পৰিস্থিতিত শিশুসকলক ধৰি বিদ্যালয় বহিৰ্ভুত শিশুসকলৰ বাবে বিকল্প আৰু অভিনৱ শিক্ষা প্ৰদান কৰাটো সৰ্বশিক্ষা অভিযানৰ গাঁথনিৰ এক গুৰুত্বপূৰ্ণ অংশ।

ই জি এচ (EGS) আৰু এ আই ই (AIE)ৰ কাৰ্যকৰণৰ বাবে সাংগঠনিক পৰিচালনা শিক্ষাৰ পৰিকল্পনাত অন্তৰ্ভুক্তি কৰা উচিত। ইয়াৰ বাবে বিবিধ কৌশল আৰু পৰিৱৰ্তনশীল বিত্তীয় মানদণ্ডৰ প্ৰয়োজন। ইয়াত চাৰিটা বহলভিত্তিক দিশ আছে ঃ

(ক) ক্ষুদ্ৰ অসেৰিত/বঞ্চিত অঞ্চলবোৰৰ বাবে পূৰ্ণসময়/পূৰ্ণকালযুক্ত সম্প্ৰদায় বিদ্যালয়।

(খ) বিভিন্ন সময়সীমাৰ সেঁতু পাঠ্যসূচীৰ (Bridge Course) দ্বাৰা শিশুসকলক মূলসুঁতিলৈ অনা।

(গ) বিশেষ দলসমূহৰ বাবে বিশেষ কৌশলসমূহ যেনে— শিশুশ্ৰমিক, ৰাস্তাৰ শিশু/পথশিশু, কিশোৰীসকল, পিছপৰা সম্প্ৰদায়ৰ কিছুমান ছোৱালীসকল, প্ৰব্ৰজনকাৰী পৰিয়ালৰ শিশুসকল

ইত্যাদি।

(ঘ) অভিনৱ ব্যৱস্থাসমূহ ঃ শিক্ষাদানশৈলীমূলক ব্যৱস্থাৰ ক্ষেত্ৰত নতুনত্ব, পাঠ্যক্ৰম, ব্যৱস্থা পৰিচালনা, পাঠ্যপুথি আৰু টি এল এম আদিৰ ক্ষেত্ৰত নতুনত্ব।

সকলো স্থানতে প্ৰতি ১ কি.মি. ভিতৰত প্ৰাথমিক বিদ্যালয় নথকা আৰু ন্যূনতম বিদ্যালয় বয়সৰ শিশুসকলক ই জি এচ (EGS) প্ৰকাৰৰ বিদ্যালয়ৰ অধিকাৰী কৰা হয়। মূলসুঁতিলৈ অনাৰ উদ্দেশ্যে যিসকল শিশুৱে বিদ্যালয়ৰ পৰা বাদ পৰিছে তেওঁলোকক সেতু পাঠ্যসূচীৰ (Bridge Course)ৰ সুবিধা প্ৰদান কৰিব লাগে। ইয়াৰ উদ্দেশ্য হৈছে প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনকৰণৰ ক্ষেত্ৰত ই জি এচ (EGS) আৰু এ আই ই (AIE)ক এক অবিচ্ছেদ্য অংগ হিচাপে চোৱা। ই জি এচ আৰু এ আই ইৰ বাবে চি আৰ চি/বি আৰ চি/ডায়েট/এচ চি ই আৰ টিৰ যোগসূত্ৰৰ দৰকাৰ।

বিদ্যালয় বহিৰ্ভূত শিশুসকলৰ মাজত বিভিন্নতা দেখা যায়। তেওঁলোক বিদ্যালয়বিহীন স্থানৰ ভিতৰুৱা অঞ্চলৰ পৰা অহা, শিশু শ্ৰমিক হ'ব পাৰে, পথ শিশু, নগৰৰ বস্তিসমূহৰ বঞ্চিত শিশু, বেস্তিত শিশু শ্ৰমিক, যৌন শিশুকৰ্মী, সংখ্যালঘু সম্প্ৰদায়ৰ ছোৱালীসকল, ঘৰুৱা কামকাজ আৰু ভাই-ভনীৰ যত্ন লোৱাত ব্যস্ত শিশুসকল, জন্তুৰ চৰণীয়া কামত জড়িত শিশুসকল আদি। এই বিভিন্নতাই তেওঁলোকৰ শিক্ষাৰ বাবে বিবিধ দৃষ্টিভংগী আৰু কৌশলৰ প্ৰয়োজন।

ই জি এচ আৰু এ আই ইয়ে ই জি এচ কেন্দ্ৰ (প্ৰাথমিক পৰ্যায়ত) বঞ্চিত স্থানসমূহত স্থাপনৰ পোষকতা কৰিছিল য'ত ১ কি.মি. দূৰত্বৰ ভিতৰত কোনো বিদ্যালয় নাছিল আৰু ৬ বছৰৰ পৰা ১৪ বছৰ বয়সলৈ অতিকমেও ১৫ জন শিশু (১০ জন পাহাৰীয়া অঞ্চলৰ ক্ষেত্ৰত) বিদ্যালয়লৈ নোযোৱাকৈ আছে। বিভিন্ন সময়সীমাৰ বিশেষভাৱে প্ৰস্তুত সেতু পাঠ্যসূচীৰ সহায়ত বিদ্যালয় বহিৰ্ভূত শিশুসকলক মূলসুঁতিকৰণলৈ নিয়াৰ বাবে বিকল্প অভিনৱ শৈক্ষিক সহায়ক ব্যৱস্থা প্ৰস্তুত কৰিব পৰা যায়। বিভিন্ন দলৰ শিশুসকল যিবোৰক মূলসুঁতিলৈ আনিব পৰা নাযায়, যেনে— শিশু শ্ৰমিক, পথ শিশু, কিশোৰী ছোৱালী, কিছুমান পিছপৰা সম্প্ৰদায়ৰ ছোৱালীসকল আৰু প্ৰব্ৰজনকাৰী পৰিয়ালৰ শিশুসকলৰ বাবে অভিনৱ কৌশল প্ৰস্তুত কৰিব পৰা যায়।

**৯.২.৫ নগৰৰ বঞ্চিত শিশুসকল ঃ**

নগৰ অঞ্চলৰ বঞ্চিত শিশুসকলৰ শিক্ষা সম্বন্ধীয় প্ৰয়োজনবোৰৰ প্ৰতি গুৰুত্ব দিয়াটো এক গুৰুত্বপূৰ্ণ প্ৰয়োজন বা দিশ। নগৰ অঞ্চলৰ দুখীয়া শিশুসকলৰ বৰ্ধিত বিদ্যালয়ৰ সমস্যাৰ বিষয়ে বৰ্তমানৰ অধ্যয়নসমূহে ইংগিত দিছে। নগৰ অঞ্চলৰ বিদ্যালয়সমূহৰ পৰিচালনাৰ বাবে বিভিন্ন প্ৰশাসনিক বিন্যাসৰ কাৰণে, প্ৰায়ে প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনকৰণৰ বিভিন্ন পদক্ষেপসমূহে নগৰৰ বঞ্চিত শিশুসকলক ঢুকি পোৱা নাই। স্বেচ্ছাসেৱী অনুষ্ঠান যেনে— প্ৰথম, পৌৰ নিগমৰ অংশীদাৰিত্বত মুম্বাইত আৰু কলিকতাত নগৰ পৰ্যায়ৰ কৰ্ম পৰিকল্পনা আদি কিছুমান গুৰুত্বপূৰ্ণ পদক্ষেপ লোৱা হৈছে। প্ৰাথমিক শিক্ষাৰ পৰিকল্পনা প্ৰস্তুতকৰণৰ উদ্দেশ্যে ডাঙৰ চহৰবোৰৰ পৌৰ নিগমসমূহ 'জিলা' হিচাপে বিবেচনা কৰা হৈছে। এই প্ৰস্তাৱবোৰৰ বাবে বিকেন্দ্ৰীকৰণৰ পৰিচালনাৰ ব্যৱস্থা প্ৰয়োগ কৰা হৈছে। এই প্ৰস্তাৱসমূহ পৌৰ নিগমৰ দ্বাৰা বিকলিত কৰিব পাৰি আৰু এছ এছ এৰ অধীনত অনুদানৰ বাবে ৰাজ্য

চৰকাৰে এইবোৰৰ পৰামৰ্শ আগবঢ়াব, বিশেষকৈ শুদ্ধভাৱে ৰাজ্যিক অংশটো ক'ব পৰা আহিব নিৰ্দিষ্ট কৰি দিব। এছ এছ এৰ সকলো নীতি নিয়ম নগৰ অঞ্চলত প্ৰয়োগ হয়। ইয়াৰ উপৰিও ৱাৰ্ড নগৰৰ বস্তি ক্লাষ্টাৰ। গোট সেই অঞ্চলসমূহত পৰিকল্পনাৰ গোট হ'ব। নগৰ অঞ্চলসমূহৰ কিছুমান বিশেষ সমস্যা আছে যেনে— পথ শিশুসকলৰ শিক্ষা, জাবৰ-যোথৰ উঠোৱা শিশুসকলৰ শিক্ষা, যিসকল শিশুৰ অভিভাৱক বৃত্তিত জড়িত সেইবোৰে শিশুৰ শিক্ষাত বাধা দিয়ে, নগৰৰ কৰ্মী লোকসকলৰ বস্তিৰ শিশুসকলৰ শিক্ষা, উদ্যোগত কাম কৰা শিশু, ঘৰত কাম কৰা শিশুসকল, চাহৰ দোকানৰ শিশুসকল আদি। নগৰ অঞ্চলৰ শিক্ষাৰ সমস্যা দূৰ/সমাধান কৰাৰ বাবে বিবিধ দৃষ্টিভংগী তথা ব্যৱহাৰ প্ৰয়োজন। নগৰ অঞ্চলত বিদ্যালয়ৰ পৃথক প্ৰশাসনিক ব্যৱস্থাৰ বাবে। কাৰণে চহৰ অঞ্চলৰ প্ৰাথমিক শিক্ষাৰ বাবে দায়বদ্ধ স্থানীয় কৰ্তৃপক্ষ আৰু বিভাগসমূহৰ মাজত সহযোগ/সমন্বয় আৰু সন্মিলিত সহায়ক ব্যৱস্থাৰ প্ৰয়োজন আছে। ইয়ে সৰু নগৰসমূহৰ ক্ষেত্ৰত জিলা পৰিকল্পনা/আচনিৰ অংশ হিচাপে অথবা চহৰ অঞ্চলৰ বাবে পৃথক আঁচনি/পৰিকল্পনা আদি নিৰ্দিষ্টকৈ পৰিকল্পনা ব্যৱস্থাৰ বিষয়ে কৈছে। ইয়াৰ বাবে স্বেচ্ছাসেৱী সংগঠন আৰু পৌৰসমূহৰ অংশীদাৰীৰ প্ৰয়োজন।

এক বিশেষ প্ৰকাৰৰ শিশু যাক বিশেষ সহায়কাৰী ব্যৱস্থাৰ প্ৰয়োজন, তেওঁলোকে চহৰৰ নিম্ন আয়ৰ অঞ্চলসমূহত বসবাস কৰে আৰু সাধাৰণতে তেওঁলোকক 'নগৰৰ দুখীয়া' বুলি অভিহিত কৰা হয়। নগৰৰ দুখীয়া শিশুসকল কেৱল অৰ্থনৈতিকভাৱে দুখীয়া নহয় বৰং তেওঁলোক পৰিয়ালৰ সহায়ৰ পৰা বঞ্চিত আৰু শিক্ষাৰ সুবিধাৰ পৰা বঞ্চিত। নগৰৰ দুখীয়া শিশুসকলক প্ৰায়ে শিক্ষাৰ পৰা বহিস্কৃত কৰা হয় আৰু প্ৰাথমিক শিক্ষা লাভ কৰাটো তেওঁলোকৰ বাবে এক প্ৰত্যাহ্বান। প্ৰশাসনিক গোটসমূহৰ বহলতা/সংখ্যাধিক্য, ক্ষুদ্ৰ পৰ্যায়ৰ পৰিকল্পনাৰ অভাৱ আৰু সন্মিলিত কাৰ্যকৰণৰ অভাৱ, সম্প্ৰদায়ৰ বিভিন্নতা, অনুপযুক্ত চৰকাৰী বিদ্যালয়, শ্ৰেণীকোঠাৰ পাঠ্যক্ৰমৰ লেনদেনৰ ক্ষেত্ৰত দেখা দিয়া বৈষম্যতা, নিম্নমানদণ্ডৰ শিক্ষাদান, আন্তঃগাঁথনিৰ অভাৱ, বিদ্যালয়ৰ অৱস্থান আৰু সময়, উপাৰ্জনৰ অভাৱ, বিদ্যালয় বহিৰ্ভুত শিশুসকলৰ তথ্যৰ অভাৱ, নতুন বিদ্যালয় স্থাপনৰ বাবে স্থানৰ অভাৱ, ইত্যাদি নগৰ অঞ্চলৰ প্ৰাথমিক শিক্ষাৰ লাভৰ ক্ষেত্ৰত প্ৰভাৱ পেলোৱা বিভিন্ন উপাদান।

নগৰৰ দুখীয়া শিশুসকলক শিক্ষা প্ৰদান কৰা সমস্যাটো জটিল আৰু ভিন্ন। ই উপযুক্ত তথ্যৰ অভাৱ, অনুপযুক্ত বিদ্যালয় আন্তঃগাঁথনি, বিদ্যালয়ত উপস্থিত হোৱাৰ বাবে নগৰৰ দুখীয়া বঞ্চিত শিশুসকলৰ বাবে উদ্দীপক (Incentive)ৰ অভাৱ, বিদ্যালয়ৰ অৱস্থান আদি অন্তৰ্ভুক্ত কৰে। যদিও এই ক্ষেত্ৰত বহু সংখ্যক স্বেচ্ছাসেৱী সংগঠনসমূহে কাম কৰি আছে, এই পৰ্যন্ত ই সকলোবোৰ সমানভাৱে সামৰি ল'ব পৰা নাই আৰু বহুটো সংগঠনে এই ক্ষেত্ৰ এৰা দেখা যায়। ইয়াৰ ওপৰিও বহুসংখ্যক এই শিশুবোৰ প্ৰব্ৰজনকাৰী পৰিয়ালৰ পৰা অহা। এই দলৰ শিশুসকলৰ প্ৰাথমিক শিক্ষাৰ প্ৰয়োজনীয়তা আৰু ইয়াত দেখা দিয়া প্ৰত্যাহ্বানসমূহ নগৰৰ স্থানীয় চৰকাৰে পূৰণ কৰিবলৈ সমৰ্থ হোৱা নাই। নগৰৰ দুখীয়া শিশুসকলক তলত উল্লেখিত ধৰণে বিভক্ত কৰা হৈছে।

(ক) বস্তি আৰু পূনৰ্বাস উপনিৱেশত (কলনি) বাস কৰা শিশুসকল।

(খ) শিশুশ্ৰমিক/ঘৰুৱা চাকৰ/লগুৱা হিচাপে কৰ্মৰত শিশুকল।

(গ) পথ শিশু।

(ঘ) যৌন শিশু কৰ্মী।

(ঙ) প্ৰব্ৰজনকাৰী কৰ্মীৰ শিশুসকল।

(চ) ৰিমান্দ ঘৰ, বাল সুধাৰ গৃহ আৰু আইনৰ সৈতে সংঘাত থকা শিশুসকল।

(ছ) শিশু ভিক্ষাৰী।

(জ) অক্ষমতাৰ সৈতে নগৰৰ দুখীয়া শিশুসকল।

এই দলসমূহৰ অধিক সংখ্যককে দীৰ্ঘকালীন সহায় আৰু ব্যক্তিগত মনোযোগ/যত্নৰ প্ৰয়োজন। যেতিয়া এই দলৰ শিশুসকলৰ বিষয়ে পৰিকল্পনা কৰা হয়, পৰিৱৰ্তনশীল কৌশল/ব্যৱস্থাৰ প্ৰতি গুৰুত্ব প্ৰদান কৰাটো গুৰুত্বপূৰ্ণ। আনুষ্ঠানিক বিদ্যালয়ৰ বাহিৰেও, এছ এছ এয়ে বিদ্যালয় বহিৰ্ভূত শিশুসকলক শিক্ষা আশ্বাস আঁচনি (Education Guarntee Scheme) আৰু বিকল্প আৰু অভিনৱ শিক্ষা ব্যৱস্থাৰ অধীনত অন্য কিছুমান ব্যৱস্থাৰ ৰূপত সহায় প্ৰদান কৰিছে। এই সকলৰ শিশুৰ বাবে স্বেচ্ছাসেৱী সংগঠনসমূহৰ অনুদান উপযোগী হ'ব পাৰে কাৰণ কেৱল চৰকাৰে অকলে এইসকলৰ প্ৰয়োজন পূৰণ কৰিব নোৱাৰে। বিদ্যালয় বহিৰ্ভুত শিশুসকলক বিদ্যালয় শিবিৰ, ৰাষ্ট্ৰীয় মুক্ত বিদ্যালয় ব্যৱস্থা, প্ৰতিকাৰমূলক পাঠ্যসূচী আৰু সেতু পাঠ্যসূচীৰ সহায়ত শিক্ষা প্ৰদান কৰিব পৰা যায়।

**৯.২.৬ শিশু শ্ৰমিক ঃ**

ভাৰতবৰ্ষত শিশু শ্ৰমিক বন্ধ কৰা হৈছে। যিসকলে শিশুসকলক কামত নিয়োগ কৰে তেওঁলোক আইনৰ দ্বাৰা শাস্তি পোৱাৰ যোগ্য। তথাপি পৰিয়ালৰ দৰিদ্ৰতাই বহুতো শিশুৰে পৰিয়ালৰ আয় বৃদ্ধিৰ বাবে কামত কৰিব লগা হয়। এই শিশুসকলে নিয়মিতভাৱে বিদ্যালয়ত উপস্থিত থাকিব নোৱাৰে যিহেতু বিদ্যালয়ৰ সময়ত তেওঁলোক কামত জড়িত হৈ থাকে। ইয়াৰ প্ৰকৃত সমাধান হৈছে শিশুসকলক কামৰ পৰা মুক্ত কৰিব লাগিব আৰু বিদ্যালয়সমূহত নামভৰ্তি কৰিব লাগিব। এই ব্যৱস্থাৰ/উপায়ৰ বাবে অভিভাৱকসকলৰ বাবে বিত্তীয় ক্ষতিপূৰণৰ ব্যৱস্থা কৰাৰ দৰকাৰ যিটো পৰিচালনা তথা বাস্তৱৰ ৰূপায়ণ কৰাটো কঠিন। ইয়াৰ পৰিৱৰ্তে শিশুসকলক নৈশ বিদ্যালয়সমূহত নামভৰ্তিকৰণৰ ব্যৱস্থা কৰিব পৰা যায়।

বৰ্তমান পৰিস্থিতিত নগৰ অঞ্চলসমূহত যথেষ্ট সংখ্যক নৈশ বিদ্যালয় আছে। মেট্ৰ'পলিটান নগৰসমূহত এই বিদ্যালয়সমূহৰ সংখ্যা অধিক আৰু ইয়াত ছাত্ৰ-ছাত্ৰীসকলৰ নিয়োগ/ভৰ্তিকৰণো যথেষ্ট বেছি। এই বিদ্যালয়সমূহৰ প্ৰধান সমস্যা হৈছে আনুষ্ঠানিক দিবা বিদ্যালয়ৰ বাবে প্ৰস্তুত কৰা পাঠ্যক্ৰমসমূহ শিকাবলৈ ই হেচা প্ৰয়োগ কৰে। নৈশ বিদ্যালয়ৰ শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীসকলৰ নিষ্পত্তিৰ সময় যথেষ্ট সীমিত। ইয়াৰ উপৰিও ইয়াত এনে শিশু আছে যিসকলে দিনৰ কামৰ বাবে ভাগৰুৱা হয়। গতিকে, নৈশ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে এক পৃথক পাঠ্যক্ৰমৰ পৰিকল্পনা কৰাটো প্ৰয়োজনীয়। যিহেতু তেওঁলোকৰ কৰ্ম-অভিজ্ঞতা আছে আৰু তেওঁলোক আনুষ্ঠানিক বিদ্যালয়ৰ শিশুসকলতকৈ ডাঙৰ গীতকে তেওঁলোকে ভিন্ন ধৰণে শিকাব পৰা যায়। কাৰ্য্যৰ দ্বাৰা (Assigment) তেওঁলোকক শিক্ষাৰ অংশবোৰ প্ৰদান কৰিব পাৰি যিবোৰ তেওঁলোকে আজৰি সময়ত আৰু কৰ্মৰ সময়ত সমাপ্ত কৰিব পাৰে। আনুষ্ঠানিক বিদ্যালয়ৰ শিশুসকলৰ দৰে তাত্ত্বিক পাঠ্যক্ৰম অধ্যয়ন কৰিবলৈ এই শিশুসকলক

হেঁচা প্ৰয়োগ কৰাৰ প্ৰয়োজন নাই। ইয়াৰ পৰিৱৰ্তে পাঠ্যক্ৰম এনেদৰে প্ৰস্তুত কৰিব লাগে যাতে ই তেওঁলোকক জীৱনশৈলী আহৰণ কৰাত আৰু তেওঁলোকৰ দৈনন্দিন কামত সহায় কৰে। তথ্য আৰু নীতিৰ আনুষ্ঠানিক অধ্যয়নতকৈ শিল্পভিত্তিক প্ৰশিক্ষণে/বাণিজ্যভিত্তিক প্ৰশিক্ষণে এইসকল ছাত্ৰ-ছাত্ৰীক অধিক সহায় কৰিব। এনে এক পাঠ্যক্ৰমে তেওঁলোকৰ কৰ্মত কৌশলৰ উন্নয়ন আৰু উচ্চ আয়ৰ বাবে তেওঁলোকৰ সুবিধা বৃদ্ধি কৰিব।

**৯.২.৭ সংখ্যালঘু শিশুসকলৰ শিক্ষা ঃ**

সমাজত এক নিৰ্দিষ্ট স্থিতিসম্পন্ন পৰিয়াল/গৃহৰ পৰা অহা শিশু/ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰয়োজনৰ প্ৰতিহে শিক্ষা সাধাৰণতে নিৰ্দেশিত হয়। ফলস্বৰূপে, সংখ্যালঘু সম্প্ৰদায়ৰ পৰা অহা ছাত্ৰ-ছাত্ৰীসকলে প্ৰায়ে বিদ্যালয় পৰিৱেশৰ পৰা বহিস্কৃত অনুভৱ কৰে। তেওঁলোকৰ বহিস্কাৰৰ কিছুমান কাৰণ তলত উল্লেখ কৰা হ'ল—

(ক) পাঠ্যপুথি আৰু শ্ৰেণীকোঠাৰ লেনদেন/কাৰ্যনিৰ্বাহত ব্যৱহৃত ভাষা ছাত্ৰ-ছাত্ৰীসকলৰ মাতৃভাষাৰ পৰা পৃথক হ'ব পাৰে।

(খ) পাঠ্যপুথিত উল্লিখিত অভিজ্ঞতা আৰু শ্ৰেণীকোঠাৰ বক্তৃতাৰ লগত ছাত্ৰ-ছাত্ৰীসকল অপৰিচিত হ'ব পাৰে।

(গ) ছাত্ৰ-ছাত্ৰীসকলৰ পূৰ্বকল্পিত ধাৰণাবোৰ সাংস্কৃতিক পৃষ্ঠভূমিৰ পাৰ্থক্যৰ বাবে সংখ্যাগৰিষ্ঠ ছাত্ৰ-ছাত্ৰীসকলৰ পৰা পৃথক হ'ব পাৰে।

(ঘ) ছাত্ৰ-ছাত্ৰীসকলৰ বাবে বিষয়বস্তু অনুপযোগী হ'ব পাৰে, যিহেতু সেইবোৰ অপ্ৰাসংগিক।

**৯.৩ শৈক্ষিক সহায়ক ব্যৱস্থা ঃ**

বিদ্যালয় শিক্ষাত শিক্ষকৰ সবলীকৰণ হৈছে এক গুৰুত্বপূৰ্ণ দিশ। এজন অনুশীলনকাৰী শিক্ষকক বিভিন্ন উপায়েৰে সবলীকৰণ কৰিব পাৰি। বেতনৰ বৃদ্ধি, বিদ্যালয়ৰ সা-সুবিধাৰ বৃদ্ধি, শ্ৰেণীকোঠাৰ লেনদেন/কাৰ্যনিৰ্বাহৰ স্বাধীনতা হৈছে সবলীকৰণৰ কিছুমান উপায়। আমি ইয়াত উল্লেখ কৰিছো যে শিক্ষকসকলৰ ওপৰত প্ৰতিষ্ঠিত বিভিন্ন ধৰণৰ চাহিদা পূৰণৰ বাবে শৈক্ষিক সহায়ক ব্যৱস্থাৰ প্ৰয়োজন। অনুশীলনকাৰী শিক্ষকসকলক সহায় কৰাৰ উদ্দেশ্যে কিছুমান দেশে শিক্ষকৰ সহায়ক সেৱা স্থাপন কৰিছে। শিক্ষকসকলৰ দৈনন্দিন শিক্ষাদানত সহায় কৰাৰ বাবে এনে অনুষ্ঠানসমূহক শিক্ষকসকলে আহ্বান কৰিব বুলি আশা কৰা হৈছে। এই অনুষ্ঠানসমূহে বিনামূলীয়াকৈ আৰু পলম নকৰাকৈ সেৱা আগবঢ়ায়। আমাৰ ভাৰতবৰ্ষত এনে সহায়ক ব্যৱস্থা নাই। তথাপিও আমি জিলা পৰ্যায়ত ডায়েট (DIET), খণ্ড পৰ্যায়ত বি আৰ চি এচ (BRCS) আৰু গোট/পৰ্যায়ত (CRCs) বিদ্যালয় শিক্ষকসকলক সহায় কৰাৰ বাবে স্থাপন কৰা হৈছে। অনুশীলনকাৰী শিক্ষকসকলে এই অনুষ্ঠানসমূহৰ বিশেষজ্ঞ ব্যক্তিসকলৰ পৰা সহায় বিচাৰিব পাৰে যাতে তেওঁলোকৰ প্ৰয়োজনসমূহ পূৰণ হয়।

প্ৰযুক্তিবিদ্যাৰ বিকাশ আৰু উন্নতিয়ে আমাৰ জীৱনক যথেষ্টখিনি প্ৰভাৱিত কৰিছে। প্ৰযুক্তিবিদ্যাই আমাক খাদ্য-সামগ্ৰীৰ উৎপাদন বৃদ্ধি, বিপদজনক বেমাৰৰ নিয়ন্ত্ৰণ, এঠাইৰ পৰা আন ঠাইলৈ সামগ্ৰীৰ

যাতায়াত আৰু এজনৰ লগত আনজনৰ যোগাযোগ স্থাপনৰ বাবে বিভিন্ন উপায় দিছে/দেখুৱাইছে। সমাজৰ অংশ হিচাপে বিদ্যালয়ে প্ৰযুক্তিবিদ্যাৰ প্ৰভাৱৰ পৰা আঁতৰি থাকিব নোৱাৰে। বহু সময় আগতে বিভিন্ন সামগ্ৰী যেনে স্লাইড (slides), অফাৰহেড প্ৰজেক্টৰ আদি বিদ্যালয় ব্যৱস্থাত অন্তৰ্ভুক্ত হৈছে। সাম্প্ৰতিক বছৰ সমূহত আনকি এল চি ডি প্ৰজেক্টৰয়েও বিদ্যালয় ব্যৱস্তাত প্ৰগতি লাভ কৰিছে। এই প্ৰজেক্টৰ লগত কম্পিউটাৰৰ সংযোগ সাধনে শিক্ষকসকলক বিদ্যালয় বিষয়সমূহৰ ব্যৱস্থা উপযুক্তভাৱে শিক্ষাদান কৰাত সমৰ্থৱান কৰি তোলে।

ভাৰতীয় মহাকাশ গৱেষণা অনুষ্ঠানে (ISRO) আমাৰ শিক্ষাৰ ক্ষেত্ৰত সহায় কৰিবলৈ আগবাঢ়ি আহিছে। ২০০৪ চনৰ অক্টোবৰ মাহত এই অনুষ্ঠানটোৱে EDUSAT নামৰ এটা সমৰ্পিত উপগ্ৰহৰ শুভাৰম্ভ কৰিছিল। ভূ-সমলয় (geostationary) কক্ষপথত অৱস্থিত এই উপগ্ৰহটো বছৰৰ ৩৬৫ দিনত আৰু দিনৰ ২৪ ঘণ্টাই শিক্ষণীয় কাৰ্যৱলীৰ বাবে উপলব্ধ থাকে। একে সময়তে, ই ভিডিঅ’ কনফাৰেন্সৰ দ্বাৰা/ভিডিঅ’ সন্মিলনৰ দ্বাৰা শিক্ষকসকলক তেওঁলোকৰ চিন্তা আৰু অভিজ্ঞতা তথা ভাৱধাৰাৰ আদান-প্ৰদান কৰাৰ বাবে আৰু বিভিন্ন ৰাজ্য আৰু জিলাত কৰ্মৰত সহকৰ্মীসকলৰ পৰা উপদেশ লাভৰ বাবে একলগ কৰা হয়। তদুপৰি বিশেষজ্ঞ আৰু শিক্ষকসকলক ওচৰ চপাই আনিছে।

যোগাযোগ আৰু তথ্য প্ৰযুক্তিবিদ্যাৰ বিকাশে বিশ্বখনক ওচৰ চপাই আনিছে। দুজন বৃত্তিধাৰীৰ/ব্যক্তিৰ মাজত World Wide Webৰ দ্বাৰা দ্ৰুত সংযোগ স্থাপন কৰাটো সহজ হৈ পৰিছে। দেশৰ পিছপৰা অঞ্চলত কৰ্মৰত শিক্ষক এজনৰ বাবে বিশ্বৰ বিভিন্ন প্ৰান্তত থকা সহকৰ্মী/প্ৰতিৰূপৰ লগত প্ৰকৃতাৰ্থত যোগাযোগ কৰা সুবিধা লাভ কৰিছে। তদুপৰি মুক্ত শৈক্ষিক সমল (Open Education Resource)ৰ সহায়ত তেওঁ আঙুলিৰ টিপতে সকলো তথ্য লাভ কৰিবলৈ সক্ষম হৈছে। বিভিন্ন পৰ্যায়ৰ বিদ্যালয়ৰ শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীসকলৰ উপযোগী এই মুক্ত শৈক্ষিক সমল (OER) বিনামূলীয়াকৈ উপলব্ধ হয়। আটাইতকৈ গুৰুত্বপূৰ্ণ ঘটনাটো/কথাটো হ’ল এই OER সামগ্ৰী বিনামূলীয়াকৈ/কোনো খৰচ বহন নকৰাকৈ ডাউনল’ড (Dounload) আৰু শ্ৰেণীকক্ষৰ শিক্ষাদানৰ বাবে ব্যৱহাৰ কৰিব পাৰি। ভাৰতবৰ্ষত ইণ্টাৰনেটৰ সুবিধা অত্যাধিকভাৱে/ক্ষিপ্ৰতাৰে প্ৰচলিত হৈছে। সেয়েহে এইটো ক’ব পাৰি যে এদিন এজন সাধাৰণ শিক্ষকে ভাৰতৰ সাধাৰণ গাঁৱৰ বিদ্যালয়ৰ পৰা OERৰ সুবিধা গ্ৰহণ কৰিব আৰু নিজৰ শ্ৰেণীকোঠাৰ লেনদেনত ব্যৱহাৰ কৰিব।

**বিদ্যালয়ৰ বাবে মুক্ত শৈক্ষিক সমলৰ ওপৰত এক প্ৰকল্প** (OERUS) **ঃ**

হোমি ভাবা বিজ্ঞান শিক্ষাৰ কেন্দ্ৰ (HBCSE), বিজ্ঞান আৰু গণিতৰ বাবে মৌলিক গৱেষণাৰ অনুষ্ঠানৰ ৰাষ্ট্ৰীয় কেন্দ্ৰই (National Centre of the Tata Institute of Fundamental Research) বিনামূলীয়া জ্ঞানৰ সমলৰ আৰম্ভ কৰিছে (http://www.hbcsc.tifr.res.in)। পৰৱৰ্তী পদক্ষেপ হিচাপে ই মুক্ত শৈক্ষিক সমল বিদ্যালয়ৰ বাবে প্ৰস্তুত কৰা পোষকতা কৰিছে, যিবোৰ দেশৰ সৰু পিছপৰা গাঁৱৰ অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীসকলক গুণগত শিক্ষা প্ৰদানৰ বাবে ব্যৱহাৰ কৰিব পৰা যাব। মহাৰাষ্ট্ৰ চৰকাৰৰ ৰাজীৱ গান্ধী বিজ্ঞান আৰু প্ৰযুক্তিৰ কমিছন। কমিটীৰ দ্বাৰা এই প্ৰকল্পটোয়ে অনুদান পাইছিল আৰু HBCSE আৰু মহাৰাষ্ট্ৰ নজেল কৰপোৰেছন লিমিটেড (MKCL) আৰু Indian Consortium for Educational Transformation (I-COWSENT)ৰ দ্বাৰা যুটীয়াভাৱে এই প্ৰকল্পটো কাৰ্যকৰণ হৈছে।

এই প্ৰকল্পৰ উদ্দেশ্য হৈছে বিদ্যালয়ত বিজ্ঞান আৰু গণিতৰ বাবে উপযুক্ত সমলৰ বিকাশ সাধন আৰু MKCL ৱেবছাইটৰ দ্বাৰা ইয়াক উপলব্ধ কৰা। পিছৰ এক দশকত MKCLয়ে বিতৰিত শ্ৰেণীকোঠাৰ ব্ৰেণ্ডৰ বিকাশ সাধন কৰিছে, যিয়ে হিতাধিকাৰীসকলৰ বাবে কোনো অসুবিধা নিদিয়াকৈ ৱেবছাইটৰ তথ্য উপলব্ধ কৰি দিয়ে। ছাত্ৰ-ছাত্ৰী, শিক্ষক আৰু অভিবাৱক এই তিনিটা পক্ষক বিদ্যালয় শিক্ষাৰ হিতাধিকাৰী বুলি চিনাক্ত কৰা হয়। মহাৰাষ্ট্ৰত এই তিনি হিতাধিকাৰীৰ প্ৰয়োজন পূৰণৰ অৰ্থে সকলোবোৰ সামগ্ৰী বিশেষভাৱে মাৰাঠী ভাষাত বিকাশ/প্ৰচাৰিত কৰা হৈছিল। শিক্ষাৰ গৱেষক বিষয় বিশেষজ্ঞ, উৎসাহিত অভিবাৱক, অভিজ্ঞ শিক্ষকসকলৰ মাজৰ পৰা বাচি উলিওৱা বিশেষজ্ঞসকলক অন্তৰ্ভুক্ত কৰি সামগ্ৰী/বিষয়বস্তু ৱেবছাইটত আপলোড (upload) কৰা হৈছে। (www.mkcl.org/ mahadnyan.) যিকোনো ব্যক্তিয়ে এই বিষয়বস্তু বিনামূলীয়াভাৱে ইয়াৰ সুবিধা গ্ৰহণ কৰিব পাৰে আৰু ভৱিষ্যতৰ ব্যৱহাৰৰ বাবে ডাউনলোড কৰিব পাৰে। ব্যৱহাৰীসকলৰ প্ৰতিক্ৰিয়াৰ ওপৰত ভিত্তি কৰি ইয়াৰ ক্ষেত্ৰভিত্তিক পৰীক্ষা আৰু উপযুক্ত উন্নয়ন/উন্নতি সাধনৰ পিছত বিদ্যালয় ভিত্তিক OER অন্য ভাষাত উপলব্ধ কৰাৰ প্ৰস্তাৱ গ্ৰহণ কৰিছে।

**৯.৪ অন্তৰ্ভুক্ত শিক্ষা ঃ**

অন্তৰ্ভুক্ত শিক্ষা হৈছে এক প্ৰক্ৰিয়া, যাৰ দ্বাৰা বিদ্যালয় ব্যৱস্থা, কৌশলমূলক পৰিকল্পনা আৰু নীতিসমূহ গ্ৰহণ আৰু পৰিৱৰ্তন কৰা হয়, যাতে ভিন্ন পৰিসৰৰ শিশু আৰু তেওঁলোকৰ পৰিয়ালৰ বাবে শিক্ষাদানৰ কৌশলসমূহ অন্তৰ্ভুক্ত কৰিব পৰা যায়। ই অন্তৰ্নিহিতভাৱে শিশুসকলৰ শিক্ষণৰ শৈলী চিনাক্ত কৰা, শ্ৰেণীকোঠা আৰু শিক্ষণ কৌশলসমূহৰ গ্ৰহণ কৰা যাতে শ্ৰেণীৰ সকলো সদস্যৰ বাবে উচ্চ মানদণ্ডৰ শিক্ষণ ফলাফল নিশ্চিত কৰিব পাৰে, তাকে বুজায়। বিদ্যালয়ত তেওঁলোকৰ বৰঙণিৰ বাবে প্ৰত্যেকজনেই গুৰুত্বপূৰ্ণ, অনন্য আৰু মূল্যৱান।

অন্তৰ্ভুক্তি হৈছে এক শৈক্ষিক দৃষ্টিভংগী আৰু দৰ্শন যিয়ে সকলো ছাত্ৰ-ছাত্ৰীক শৈক্ষিক আৰু সামাজিক কৃতকাৰ্যতাৰ বাবে সম্প্ৰদায়ৰ সদস্যতা আৰু সুবিধা প্ৰদান কৰে। অন্তৰ্ভুক্তিকৰণৰ দ্বাৰা এইটো আশ্বাস দিয়া হয় যে প্ৰতিটো শিশুৱে যাতে আদৰণি অনুভৱ কৰে আৰু লগতে তেওঁলোকৰ অনন্য প্ৰয়োজন আৰু শিক্ষণ শৈলীসমূহক মনোয়োগ তথা মূল্য প্ৰদান কৰা হয়।

আমেৰিকাৰ দ্বাৰা বাস্তৱত প্ৰয়োগ/স্থাপিত মূল্যবোধসমূহৰ ওপৰত অন্তৰ্ভুক্তিকৃত বিদ্যালয়ে মূল্য প্ৰদান কৰে (বহুলবাদ, সহনশীলতা আৰু সমতা); পৃথকীকৰণৰ লগত সৃষ্টি হোৱা দোষাৰোপনৰ অবিহনে তেওঁলোকে প্ৰত্যেক ছাত্ৰ-ছাত্ৰীক উপযুক্ত ব্যক্তিগত সহায় আৰু সেৱা প্ৰদান কৰিবলৈ শিক্ষকসকলক কৈছে। গৱেষণাসমূহৰ পৰা দেখা যায় যে যেতিয়া ছাত্ৰ-ছাত্ৰীসকলক সাধাৰণ শিক্ষা পাঠ্যক্ৰমৰ ঐশ্বৰ্যৰ প্ৰতি উদ্ভাসিত কৰা যায় তেতিয়া তেওঁলোকে বেছি ভালকৈ শিকে আৰু প্ৰদৰ্শন কৰে, যদিহে উপযুক্ত কৌশল আৰু ব্যৱস্থা সঠিক উপলব্ধ হয়।

অন্তৰ্ভুক্তিকৰণে বিশেষ প্ৰয়োজনসম্পন্ন আৰু বিশেষ প্ৰয়োজনবিহীন ছাত্ৰ-ছাত্ৰীসকলৰ শিক্ষণ সমৃদ্ধ কৰে। ছাত্ৰ-ছাত্ৰীসকলে শিকে আৰু তেওঁলোকৰ শিক্ষণ বিভিন্ন ধৰণে প্ৰয়োগ কৰে; ইয়াৰ উদ্দেশ্য হৈছে প্ৰতিজন/সকলো ছাত্ৰ-ছাত্ৰীক তেওঁলোক শিক্ষাৰ্থী হিচাপে কৃতকাৰ্য হ'বলৈ প্ৰয়োজন হোৱা নিৰ্দেশনা প্ৰদান কৰা আৰু উচ্চ স্থান/মান লাভ কৰাত সহায় কৰাৰ লগতে তেওঁলোকৰ বন্ধুবৰ্গ আৰু

ওচৰ্চুবুৰীয়াক সহায় আগবঢ়োৱা।

**আমাৰ বিদ্যালয়সমূহত অন্তৰ্ভুক্তিকৃত শিক্ষা কিয় মানদণ্ডৰ/নীতিৰ নহয়?**

বহু বছৰ আগতে বিশেষ প্ৰয়োজনসম্পন্ন শিশুসকলৰ বাবে বিশেষ শ্ৰেণীৰ ব্যৱস্থা কৰা হৈছিল। বিশেষ প্ৰশিক্ষকসকলে অনুভৱ কৰিছিল যে যদি তেওঁলোকক সৰু দলত পৃথকভাৱে শিকাব পাৰি, তেন্তে তেওঁলোকে তেওঁলোকক আহৰণ কৰাত সহায় কৰিব পাৰিব। তথাপি, সত্যটো হৈছে যে পৃথক বিশেষ শিক্ষা শ্ৰেণীয়ে ছাত্ৰ-ছাত্ৰীসকলক আৰু পিছ পেলায় দিলে। সময়ত দেখা গ'ল যে সকলো ছাত্ৰ-ছাত্ৰীৰ কৃতকাৰ্যতাৰ বাবে অন্তৰ্ভুক্তি শিক্ষাই হৈছে উত্তম উপায়।

**কিদৰে আমাৰ বিদ্যালয়সমূহ পৰিৱৰ্তন কৰিব পাৰি?**

আমাৰ সকলো ছাত্ৰ-ছাত্ৰীৰ শিক্ষাক উন্নয়ন কিদৰে কৰিব পাৰো এই ক্ষেত্ৰত বৃত্তিগত প্ৰশিক্ষকসমূহ, পৰিয়ালসমূহ আৰু সম্প্ৰদায়ৰ নেতাসকলে জড়িত হোৱা আলোচনাই ২০ শতিকাৰ পৰা আমেৰিকাৰ বিদ্যালয়ৰসমূহৰ যি এক সংকীৰ্ণ সংস্কৃতিক দৃষ্টিভংগীৰ দ্বাৰা শোষিত, বৰ্তমান ইউনাইটেড ষ্টেট (UK)য়ে প্ৰতিফলিত কৰা আৰু মূল্য প্ৰদান কৰা ভিন্ন সংস্কৃতিৰ আৰু ভিন্ন ৰাষ্ট্ৰলৈ পৰিৱৰ্তনৰ প্ৰতিশ্ৰুতি দাঙি ধৰিছে। আমি ইয়াত জড়িত হৈ পাৰ্থক্য নিৰ্ণয় কৰিব পাৰো।

**অন্তৰ্ভুক্তিকৃত শিক্ষা মানে কি?**

UNESCOৰ মতে, অন্তৰ্ভুক্তিকৃত শিক্ষা হৈছে শিক্ষাৰ ভিতৰত আৰু শিক্ষাৰ পৰা বহিস্কৃতকৰণ নাইকিয়া কৰা আৰু শিক্ষণ, সম্প্ৰদায় আৰু সংস্কৃতিত অংশগ্ৰহণ সুবিধা বৃদ্ধিৰ দ্বাৰা সকলো শিক্ষাৰ্থীৰ ভিন্ন প্ৰয়োজনসমূহৰ প্ৰতি পৰিচয় আৰু প্ৰতিক্ৰিয়া প্ৰকাশ কৰাৰ প্ৰক্ৰিয়া। ইয়াৰ উদ্দেশ্য হৈছে যে সমগ্ৰ শিক্ষা ব্যৱস্থাই এক সুস্থ শিক্ষণ পৰিৱেশৰ সৃষ্টি কৰিব যত শিক্ষকসকলে আৰু শিক্ষাৰ্থীসকলে ভিন্নতাৰ প্ৰত্যাহ্বান আৰু সুবিধাসমূহ আকোৱালি ল'ব আৰু আদৰণি জনাব। অন্তৰ্ভুক্তিকৃত শিক্ষা দৃষ্টিভংগীৰ অধীনত শিক্ষণ পৰিৱেশৰ বিকাশ সাধন কৰা হয় যত ব্যক্তিগত প্ৰয়োজনসমূহ পূৰণ কৰা হয় আৰু প্ৰত্যেক ছাত্ৰ-ছাত্ৰীয়ে কৃতকাৰ্য হোৱাৰ সুবিধা লাভ কৰে।

**৯.৪.১ আন্তৰ্জাতিক দৃশ্যপট ঃ**

সাম্প্ৰতিক সময়ত অন্তৰ্ভুক্তিকৃত শিক্ষাৰ ধাৰণাই গুৰুত্ব লাভ কৰিছে। তথাপিও আন্তৰ্জাতিক দৃশ্যপটৰ শিক্ষাৰ বুৰঞ্জীত ইয়াৰ উৎপত্তি সম্বন্ধে জানিব পাৰি। বৰ্তমান যদিও অন্তৰ্ভুক্তিকৃত শিক্ষা আন্দোলন হৈছে এক আন্তৰ্জাতিক ঘটনা। ইয়াৰ উৎপত্তি হৈছে ক্ৰমান্বয়ে উন্নত দেশসমূহে অক্ষমসকলৰ বাবে বিশেষ বিদ্যালয়ৰ গুৰুত্ব নিয়মীয়া বিদ্যালয়ত তেওঁলোকক/তেনে শিক্ষাৰ্থীসকলক নিয়োগ কৰালৈ পৰিৱৰ্তন কৰিছে। এই পৰিৱৰ্তন হৈছে বহল। ব্যাপক আন্দোলনৰ এক অংশ, য'ত অক্ষমতাক বাধাগ্ৰস্ততা হিচাপে দৃষ্টিগোচৰ কৰা নহয় আৰু যাৰ বাবে ব্যক্তিসকলক সমাজৰ মূলসূতিৰ পৰা পৃথক কৰাৰ প্ৰয়োজন নহয়। ফলস্বৰূপে, ইয়াত সংহত ব্যৱস্থাৰ আৰম্ভণি হয় যিয়ে নিয়মীয়া/সাধাৰণ শ্ৰেণীকোঠাত সকলোৰে বাবে অন্তৰ্ভুক্তি শিক্ষাৰ আন্দোলন দেখিছিল।

বহুসংখ্যক আন্তৰ্জাতিক ঘোষণাপত্ৰত শিশুৰ শিক্ষাৰ অধিকাৰৰ বিষয়ে আলোচনা কৰা হৈছিল।

প্ৰথম আন্তৰ্জাতিক ঘোষণাপত্ৰ যিয়ে এই দিশটোৰ কথা উল্লেখ কৰিছিল সেয়া হৈছে ইউনাইটেড নেচনৰ চাৰ্টাৰ (১৯৪২) মানৱ অধিকাৰৰ সাৰ্বজনীন ঘোষণাপত্ৰয়ো (১৯৪৮) (UDHR) শিক্ষাৰ অধিকাৰৰ গুৰুত্বৰ বিষয়ে বিবেচনা কৰিছিল। শিক্ষাৰ্থীসকলৰ শিক্ষাৰ অধিকাৰ, শিশুৰ অধিকাৰৰ ইউনাইটেড নেচনচ্‌ৰ ঘোষণাপত্ৰত পিছলৈ সমৃদ্ধ কৰা হৈছিল (১৯৫৯)। এই ঘোষণাপত্ৰই শিশুসকলৰ শিক্ষাৰ অধিকাৰৰ দায়িত্ব অভিভাৱকসকলৰ হাতত অৰ্পণ কৰিছিল। পিছত, শিক্ষাৰ ক্ষেত্ৰত সমতা, পৌৰ আৰু ৰাজনৈতিক অধিকাৰৰ আন্তৰ্জাতিক চুক্তিত অন্তৰ্ভুক্ত কৰা হৈছিল (UN, ১৯৬৬)। শিশুৰ অধিকাৰৰ ইউনাইটেড নেচনচ্ সন্মিলন (১৯৯২) ১০৭ খনত ৰাষ্ট্ৰই সকলোৰে বাবে শিক্ষাৰ ক্ষেত্ৰত আনুষ্ঠানিক প্ৰতিশ্ৰুতি জনাইছে। শিশুৰ শিক্ষাৰ অধিকাৰৰ বাহিৰেও এই চুক্তিখনে নিৰ্দিষ্ট কৰি দিছে যে সমান সুবিধাৰ ভিত্তিত শিশুৰ ব্যক্তিত্বৰ বিকাশ সম্ভৱনা, মানসিক আৰু শাৰীৰিক ক্ষমতাসমূহ সম্পূৰ্ণ ৰূপত বিকাশৰ সুবিধা প্ৰদান কৰা প্ৰয়োজন। এই আন্তৰ্জাতিক ভাৱধাৰাৰ লগত সংগতি ৰাখি ভাৰত চৰকাৰেও শিক্ষাৰ অধিকাৰ, আইন সংসদত বলৱৎ কৰিছে।

UNESCOৰ সংৰক্ষণৰ অধীনত (১৯৯৪) প্ৰস্তুত কৰা Salamanca প্ৰতিবেদনে তলত দিয়া ধৰণে উল্লেখ কৰিছে—

"এই গাঁথনিয়ে জনোৱা নিৰ্দেশনামূলক নীতিসমূহ হ'ল বিদ্যালয়ে সকলো শিক্ষাৰ্থীক তেওঁলোকৰ শাৰীৰিক, মানসিক, সামাজিক, আবেগিক , ভাষিক আৰু অন্যান্য পৰিস্থিতি নিৰ্বিশেষে অন্তৰ্ভুক্ত কৰিব লাগিব। ই অক্ষম আৰু প্ৰতিভাসম্পন্ন শিশু/শিক্ষাৰ্থী পথশিশু আৰু শিশু শ্ৰমিক, পিছপৰা আৰু অঘৰী জনসংখ্যাৰ শিশু, ভাষিক, জাতিগত আৰু সাংস্কৃতিক সংখ্যালঘুসকলৰ শিশু, অন্য বঞ্চিত দলৰ আৰু প্ৰান্তিক এলেকাৰ শিশুসকল আদিক অন্তৰ্ভুক্ত কৰা উচিত।" এইটো নিশ্চিত যে এই প্ৰতিবেদনে সেই সকলো প্ৰকাৰৰ শিশুক/ছাত্ৰ-ছাত্ৰীক অন্তৰ্ভুক্ত কৰিছে যিসকলৰ বিষয়ে আমি এই পাঠটোত উল্লেখ কৰিছো। এইটো মনত ৰাখিবলগীয়া যে অন্তৰ্ভুক্তিকৃত শিক্ষাৰ অনুশীলনে ওপৰত উল্লেখ কৰা বিভিন্ন সমস্যাসমূহৰ সমাধানৰ বাবে আমাক সমৰ্থ কৰি তুলিব।

### ৯.৪.২ অন্তৰ্ভুক্তি শিক্ষাৰ সুবিধাসমূহ ঃ

উন্নত দেশসমূহতকৈ উন্নয়নশীল দেশসমূহৰ বাবে অন্তৰ্ভুক্তি শিক্ষাই গুৰুত্ব বহন কৰে। অন্তৰ্ভুক্তি শিক্ষাৰ অনুশীলনে তলত উল্লেখিত দিশসমূহৰ বাবে বিশেষ গুৰুত্বপূৰ্ণ—

**সম্পদৰ উপযুক্ত ব্যৱহাৰ ঃ** শিক্ষা হৈছে সম্পদ উদ্দীপকৰ উদ্যোগ আৰু ই দেশৰ অন্যান্য চাহিদা যেনে স্বাস্থ্য যত্ন, আন্তঃগাঁথনি আদিৰ লগত ফেৰ মাৰিব লাগে। সেয়ে, উন্নয়নশীল দেশসমূহত সদায় শিক্ষাৰ বাবে সম্পদৰ এক জটিল দিশ/সংকট দেখা যায়। এই দেশসমূহৰ বাবে বিভিন্ন দলৰ ছাত্ৰ-ছাত্ৰীৰ বাবে বিদ্যালয় স্থাপন কৰাটো সম্ভৱ নহ'ব। ইয়াৰ পৰিৱৰ্তে সকলো প্ৰকাৰৰ ছাত্ৰ-ছাত্ৰীৰ বাবে উপযোগীকৈ সীমিত সম্পদৰ ব্যৱহাৰ কৰাটোৱে এটা উপযুক্ত সমাধান যিহেতু ই সম্পদৰ সঠিক ব্যৱহাৰ কৰে।

**মিতব্যয়ী ১ ঃ** অন্তৰ্ভুক্তিকৃত শিক্ষা কেৱল উপযুক্তই নহয় ই মিতব্যয়ীও। অন্তৰ্ভুক্তিকৰণে কেৱল অক্ষমসকলৰ সমৃদ্ধিৰ প্ৰতিশ্ৰুতি নিদিয়ে বৰং ই অক্ষম নোহোৱা শিক্ষাৰ্থীসকলকো সামৰি লয়। এইদৰে

ই সকলো শিক্ষাৰ্থীৰ ব্যক্তিগত পাৰ্থক্যসমূহৰ প্ৰতি লক্ষ্য ৰাখি উপযুক্ত শিক্ষা প্ৰদান কৰে। ইয়াৰ বাহিৰেও, অন্তৰ্ভুক্তিকৃত শিক্ষাই সমাজৰ বিভাজনৰ বিপক্ষে কাম কৰে আৰু সমাজৰ বিভিন্ন দলৰ মাজত মিলা-প্ৰীতি বজাই ৰখাত সহায় কৰে।

**বিকেন্দ্ৰীকৰণ ঃ** অন্তৰ্ভুক্তিকৃত শিক্ষাৰ অনুশীলনে বিকেন্দ্ৰীকৰণত উদ্‌গনি যোগায়, যিহেতু ই উপযুক্ত, ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক চৰকাৰক কেন্দ্ৰীয় পৰিচালনা আৰু প্ৰশাসনিক ব্যয়ৰ ওপৰত খৰচ কমাবলৈ অনুমতি প্ৰদান কৰে। একে সময়তে ই স্থানীয় সিদ্ধান্ত গ্ৰহণৰ বাবে উৎসাহিত কৰে, যি প্ৰায়ে স্থানীয় লোকসকলৰ প্ৰয়োজনসমূহ পূৰণ কৰাত সহায় কৰে। চমুকৈ— কেন্দ্ৰীয় সিদ্ধান্তৰ আমোলাকেন্দ্ৰিক আৰ্হি/ৰূপ হোৱাৰ পৰিৱৰ্তে ই শিক্ষাৰ এক উপভোক্তা চালিত নীতি।

**৯.৪.৩ অন্তৰ্ভুক্তিকৃত বিদ্যালয় আৰু শ্ৰেণীকোঠা ঃ**

অন্তৰ্ভুক্তিকৃত বিদ্যালয় স্থাপনৰ প্ৰকৃত উদ্দেশ্য হৈছে অন্তৰ্ভুক্ত সমাজ এখনৰ বিকাশ সাধন কৰা যত প্ৰত্যেক সদস্যই সম্পূৰ্ণ ৰূপত নিজৰ সম্ভৱনাসমূহৰ আহৰণ আৰু বিকাশৰ সুবিধা লাভ কৰে। এই উদ্দেশ্যত উপনীত হ'বলৈ শিক্ষাৰ্থীসকলৰ মাজত থকা ভিন্নতাসমূহক যথোচিত গুৰুত্ব প্ৰদান কৰিব লাগিব আৰু প্ৰত্যেকৰ অধিকাৰ লাভৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। সকলোৰে বাবে প্ৰৱেশ তথা সুবিধা প্ৰদান কৰাটো অন্তৰ্ভুক্ত শিক্ষাৰ মূল ধাৰণা। ই বিদ্যালয়ৰ পাঠ্যক্ৰমৰ লেনদেনকে ধৰি মানসিক আৰু সামাজিক পৰিৱেশ অন্তৰ্ভুক্ত কৰে। বিদ্যালয়ৰ এই সকলো দিশ বিভিন্ন ক্ষমতা আৰু সামাজিক পৃষ্ঠভূমিৰ শিশুসকলৰ বাবে উপযুক্ত হোৱা উচিত। চমুকৈ, বিদ্যালয়ৰ অন্তৰ্ভুক্ত শিক্ষণ পৰিৱেশ থাকিব লাগে যি সকলো ছাত্ৰ-ছাত্ৰীৰ ব্যক্তিগত, শৈক্ষিক আৰু বৃত্তিগত বিকাশত সহায় কৰিব।

অন্তৰ্ভুক্ত শ্ৰেণীকোঠাৰ এক গুৰুত্বপূৰ্ণ দিশ হৈছে শিক্ষকসকলৰ দৃষ্টিভংগী। শিক্ষক যি বিশ্বাস কৰে যে বুদ্ধি হৈছে এক জন্মগত গুণ আৰু ইয়াৰ উন্নতিৰ বাবে একো কৰিব নোৱাৰি, তেনে শিক্ষকে সকলো ছাত্ৰ-ছাত্ৰীৰ বিকাশৰ বাবে উৎসাহিত নকৰে। আনহাতে এজন শিক্ষক যি ব্যক্তিৰ সম্ভৱনীয়াসমূহক লৈ আশাবাদী আৰু মত প্ৰকাশ কৰে যে বুদ্ধিয়ে বিভিন্ন ৰূপত প্ৰকাশ লাভ কৰে আৰু ই ব্যক্তিৰ সম্ভৱনীয়তাসমূহৰ বিকাশৰ বাবে শ্ৰেণীকোঠাত অন্তৰ্ভুক্তিকৃত পৰিৱেশ প্ৰদান কৰে। শিক্ষকে অনুভৱ কৰা উচিত যে শিক্ষাৰ্থীসকলৰ মাজত বিভিন্নতা অপৰিহাৰ্য আৰু প্ৰত্যেকৰে ভিন্ন ধৰণৰ প্ৰয়োজনীয়তা আছে। এই ভিন্নতাসমূহৰ প্ৰতি লক্ষ্য ৰাখি শিক্ষকে শ্ৰেণীকোঠাত মানসিক আৰু বৈষয়িক পৰিৱেশৰ সৃষ্টি কৰিব লাগে। এনে এক সুস্থ পৰিৱেশত প্ৰত্যেক শিশুৱে উন্নতি কৰাৰ সুবিধা পায়। এচ এচ এৰ গাঁথনিয়ে প্ৰত্যেক বছৰে ১২০০ টকাকৈ অসক্ষম শিশুসকলক প্ৰদান কৰে। এই টকাৰ ব্যৱহাৰৰ বাবে পৰিকল্পনা কৰোতে এইটো মনত ৰখা উচিত যে এই উপলব্ধ টকাৰ পৰিমাণটো কেৱল বিশেষ প্ৰয়োজনসম্পন্ন শিশুৰ ব্যৱহাৰৰ বাবে নহয় বৰং বিদ্যালয়/গাঁও পৰ্যায়ত অন্তৰ্ভুক্ত শিক্ষা কাৰ্যৱলীৰ পৰিকল্পনাৰ বাবে ব্যৱহাৰ কৰিব লাগে। জিলাত চিনাক্ত কৰা অসক্ষম শিশুসকলৰ মুঠ সংখ্যাৰ ভিত্তিত এচ এচ এ ৰাজ্যিক মিছন সমাজে অন্তৰ্ভুক্ত শিক্ষাৰ আঁচনি/ব্যৱস্থাৰ কাৰ্যকৰণৰ বাবে অনুদানৰ ব্যৱস্থা কৰে। কিছুমান অসক্ষম শিশুক এফালে কেৱল বিশেষ শিক্ষকৰ সহায় লাগে, আনফালে আন কিছুমানক কেৱল সাধাৰণ সজুলি যেনে সহায়ক উপকৰণ যেনে— শ্ৰৱন যন্ত্ৰ ইত্যাদি। তথাপিও ই এইটো নুবুজায় যে এই পৰিমাণটো বছৰটোত খৰচ কৰিব লাগিব, ইয়াক এক বা দুবছৰৰ বাবে জমা কৰিব পাৰি আৰু

ইয়াক উল্লেখযোগ্য সুবিধাৰ বাবে ব্যৱহাৰ কৰিব পাৰি।

আন কিছুমান কাৰ্যৱলী যত এই পৰিমাণ খৰচ/ব্যয় কৰিব পাৰি, যেনে— পৰিমাপণ/পৰীক্ষা শিবিৰ, প্ৰশিক্ষণ সামগ্ৰীৰ বিকাশ/প্ৰস্তুতি, সম্প্ৰদায় সজাগতা আঁচনি, ৪৫ দিনীয়া Rehabilitation council of Indiaৰ দ্বাৰা স্বীকৃত (ভাৰতৰ পুনৰ্বাস পৰিষদ) শিক্ষক প্ৰশিক্ষণ, স্বেচ্ছাসেৱী সংগঠনৰ পৰা বিশেষ সেৱাৰ অনুৰোধ, কৰ্মশালা আৰু আলোচনা আদি অন্তৰ্ভুক্ত। অভিসৰণৰ দ্বাৰা চিনাক্ত চি ডব্লিউ এচ এন সকলক সামগ্ৰী আৰু উপকৰণ প্ৰদানৰ বাবে প্ৰচেষ্টা লোৱা উচিত। যদি এইটো সম্ভৱ নহয়, তেতিয়া এচ এচ এৰ অনুদান এই উদ্দেশ্যে ব্যৱহাৰ কৰিব পাৰি। ব্যতিক্ৰম পৰিস্থিতিত হে কেৱল আৱাসিক বিশেষ বিদ্যালয়লৈ প্ৰেৰণ কৰা ব্যৱস্থা কৰা হয়। যিমান সম্ভৱ চি ডব্লিউ এচ এন সকলক তেওঁলোকৰ পৰিয়ালৰ লগত থকাৰ অনুমতি প্ৰদান কৰিব লাগে। উপলব্ধ সম্পদসমূহৰ ওপৰত ভিত্তি কৰি প্ৰত্যেক জিলাই অসক্ষম শিশুসকলৰ শিক্ষাৰ বাবে সহায়ক ব্যৱস্থাৰ পৰিকল্পনা কৰা উচিত। সাধাৰণ বিদ্যালয়সমূহত অন্তৰ্ভুক্ত শিক্ষাৰ ওপৰত গুৰুত্ব প্ৰদান কৰিব লাগে আৰু বিশেষ বিদ্যালয়সমূহত তেওঁলোকক পৃথক কৰা উচিত নহয়।

### ৯.৫ বিদ্যালয়ত শিশুৰ অধিকাৰ সুৰক্ষা ঃ

শিশুৰ অধিকাৰ সুৰক্ষাৰ বাবে ৰাষ্ট্ৰীয় আয়োগ (NCPCR) ২০০৭ চনৰ মাৰ্চ মাহত শিশুৰ অধিকাৰ সুৰক্ষাৰ বাবে আয়োগ, আইন ২০০৫, সংসদীয় আইনৰ অধীনত গঠিত হৈছিল (ডিচেম্বৰ ২০০৫) এই আয়োগৰ নিৰ্দেশনা হৈছে ভাৰতীয় সংবিধানত আৰু শিশুৰ অধিকাৰৰ ইউ এন সন্মিলনত (UNCRC) উল্লেখিত মতে সকলো আইন, নীতি আঁচনি আৰু প্ৰশাসনিক ব্যৱস্থাসমূহ শিশু অধিকাৰৰ দৃষ্টিভংগীৰ লগত ঐক্যমত হোৱাটো নিশ্চিত কৰা। আন্তৰ্জাতিক আইনৰ মতে, এটা শিশু হৈছে ১৮ বছৰৰ তলৰ বয়সৰ এজন ব্যক্তি/মানৱ। এই শিশু সম্বন্ধে সাৰ্বজনীনভাৱে গ্ৰহণযোগ্য সংজ্ঞা আৰু ই শিশুৰ অধিকাৰৰ ইউনাইটেড নেচন্‌চ্ সন্মিলন (UNCRC)ৰ পৰা লোৱা হৈছে। ভাৰতবৰ্ষই সদায় ১৮ বছৰৰ বয়সত ভৰি দিয়ে তেওঁলোকে ভোটাধিকাৰ লাভ কৰে, চালনৰ অনুমতিপত্ৰ আৰু আইনগত ব্যৱস্থাৰ সংস্পৰ্শত আহে।

সকলো শিশুকে যেতিয়া সুৰক্ষাৰ প্ৰয়োজন তেওঁলোকৰ সামাজিক, অৰ্থনৈতিক আৰু ভৌগোলিক অৱস্থাৰ বাবে আন শিশুসকলতকৈ কিছুমান শিশু অসুৰক্ষিত আৰু তেওঁলোকক বিশেষ যত্ন আৰু মনোযোগৰ প্ৰয়োজন। এইবোৰ শিশু হ'ল—

আৱাসহীন শিশু (ফুটপাথত থকাসকল, বাস্তুচ্যুত, উচ্ছন্ন অঘৰী আদি), প্ৰব্ৰজনকাৰী শিশুসকল, পথ-শিশুসকল অনাথ আৰু পৰিত্যক্ত শিশু, শিশুশ্ৰমিক, শিশু ভিক্ষাৰী, বেশ্যাসকলৰ শিশু, ব্যৱসায়িক শিশু, জেলৰ শিশুসকল, সংঘাতৰ দ্বাৰা প্ৰভাৱিত শিশুসকল, প্ৰাকৃতিক দুৰ্যোগৰ দ্বাৰা প্ৰভাৱিত শিশুসকল, HIV/AIDsত আক্ৰান্ত শিশু, সাময়িক/টাৰ্মিনেল ৰোগৰ দ্বাৰা ভোক্ত শিশু, অসক্ষম শিশু আৰু এচ চি আৰু এচ টি সম্প্ৰদায়ৰ পৰা অহা শিশুসকল।

১৮ বছৰৰ সকলো শিশুকে আমাৰ দেশক শাসন কৰা আইনসমূহৰ দ্বাৰা প্ৰদান কৰা মানদণ্ড আৰু অধিকাৰসমূহৰ অধিকাৰী কৰা হৈছে। ভাৰতীয় সংবিধানে শিশুসকলৰ বাবে কিছুমান অধিকাৰ প্ৰদান

কৰিছে, যিবোৰ বিশেষকৈ তেওঁলোকৰ বাবে অন্তৰ্ভুক্ত কৰা হৈছে। সেইবোৰ হৈছে—

(ক) ৬ৰ পৰা ১৪ বছৰ বয়সলৈ সকলো শিশুৰ বাবে বিনামূলীয়া আৰু বাধ্যতামূলক প্ৰাথমিক শিক্ষাৰ অধিকাৰ (অনুচ্ছেদ ২১ক)

(খ) ১৪ বছৰ পৰ্যন্ত যিকোনো সংকটপূৰ্ণ নিয়োগৰ পৰা সুৰক্ষা দিয়াৰ অধিকাৰ (অনুচ্ছেদ ২৮)।

(গ) শোষিত হোৱাৰ পৰা সুৰক্ষা লাভৰ অধিকাৰ আৰু বয়স আৰু সামৰ্থৰ অনুপযোগী অৰ্থনৈতিক প্ৰয়োজনীয়তাই কোনো কামত নিয়োজিত হ'বলৈ কৰা হেঁচাৰ বিৰুদ্ধে সুৰক্ষাৰ অধিকাৰ (অনুচ্ছেদ ৩৯(৫)।

(ঘ) সুস্থভাৱে আৰু গৌৰৱ আৰু স্বাধীনতাৰ পৰিৱেশত সমান সুবিধা লাভ আৰু বাল্যকাল আৰু যুৱকসকলৰ শোষণৰ বিৰুদ্ধে আৰু নৈতিক আৰু সামগ্ৰী পৰিত্যাগৰ বিৰুদ্ধে সুৰক্ষা প্ৰদান কৰাৰ অধিকাৰ (৩৯(৭)।

ইয়াৰ উপৰিও ভাৰতৰ সম নাগৰিক হিচাপে তেওঁলোকৰ আন কিছুমান অধিকাৰ আছে, অন্য প্ৰাপ্তবয়স্ক পুৰুষ বা মহিলাৰ দৰে।

(ক) সমতাৰ অধিকাৰ (অনুচ্ছেদ ১৪)

(খ) বৈষম্যতাৰ বিৰুদ্ধে অধিকাৰ (অনুচ্ছেদ ১৫)

(গ) ব্যক্তিগত সম্পত্তিৰ অধিকাৰ আৰু যথোচিত আইনী— প্ৰক্ৰিয়াৰ অধিকাৰ (অনুচ্ছেদ ২১)

(ঘ) দুৰ্বল শ্ৰেণীৰ লোকসকলৰ সমাজিক অন্যান্য আৰু সকলো শোষণৰ পৰা সুৰক্ষা লাভৰ অধিকাৰ। (অনুচ্ছেদ ৪৬)

অতীতত চৰকাৰ আৰু নাগৰিক সমাজৰ দ্বাৰা, কৰা গৱেষণা প্ৰলেখন আৰু সহায়ক ব্যৱস্থাই স্পষ্টকৈ শিশু সুৰক্ষাৰ বিভিন্ন সমস্যা দাঙি ধৰিছে। সেইবোৰৰ ভিতৰত যিবোৰ বিদ্যালয় শিক্ষাৰ লগত জড়িত সেইবোৰ হৈছে— লিংগ বৈষম্য, বৰ্ণ বৈষম্য, অক্ষমতা, বিদ্যালয়ত শাৰীৰিক শাস্তি, পৰীক্ষাৰ হেঁচা, ছাত্ৰ-ছাত্ৰীৰ আত্মহত্যা আদি। এয়া বিদ্যালয়ৰ শিক্ষকসকলৰ নিশ্চিত কৰাৰ দায়িত্ব যে বিদ্যালয়ত শিশুসকলৰ অধিকাৰ সঠিকভাৱে সুৰক্ষিত হৈ আছে আৰু তেওঁলোক বিদ্যালয় ক্ষেত্ৰত কোনো ধৰণৰ অন্যায়ৰ বলি নহয়।

**৯.৬ সাৰংশ/সামৰণি ঃ**

ভাৰতীয় সমাজ সম্ভৱত আটাইতকৈ বিভিন্নতাপূৰ্ণ সামাজিক অনুষ্ঠান। ই ব্যক্তি, বিভিন্ন সা-সুবিধা, সম্প্ৰদায় আৰু বিভিন্ন বৰ্ণসমূহক অন্তৰ্ভুক্ত কৰে আৰু ই সম্পদ আৰু শিক্ষা লাভৰ সুবিধাৰ ক্ষেত্ৰত ভিন্ন প্ৰকৃতিৰ। ইয়াত কিছুমান সামাজিক দল আছে যিবোৰ আনকি মৌলিক প্ৰয়োজনসমূহৰ পৰাও বঞ্চিত তথা জীৱন ধাৰণৰ আৱশ্যকতা আৰু এক সুস্থ আৰু আৰামদায়ক জীৱনৰ পৰা বঞ্চিত। আকৌ আমাৰ সমাজত এনে কিছুমান শ্ৰেণীৰ ব্যক্তি আছে যিসকল এক নিৰ্দিষ্ট শ্ৰেণী আৰু বৰ্ণ হিচাপে বঞ্চিত হৈ আছে। যেনে এছ চি/এছ টি, মহিলা, পিছপৰা অঞ্চলত বসবাস কৰা শিশু আৰু পাহাৰীয়া অঞ্চলত বসবাস কৰা শিশুসকল। আকৌ ইয়াত কিছুমান বিশেষ প্ৰয়োজনসম্পন্ন শিশু আছে যেনে—

শাৰীৰিকভাৱে বাধাগ্ৰস্ত, শ্ৰৱণ বাধাগ্ৰস্ত, দৃষ্টিসম্বন্ধীয় বাধাগ্ৰস্ততা, মানসিক বাধাগ্ৰস্ততা এই প্ৰকাৰৰ শিশুসকলক বঞ্চিত শিশু বুলি কোৱা হয়, কিয়নো সাধাৰণ শিশুৰ তুলনাত এওঁলোক সামাজিক, অৰ্থনৈতিক আৰু শিক্ষাৰ সুবিধা লাভৰ ক্ষেত্ৰত বঞ্চিত। তেওঁলোকক বিশেষ প্ৰয়োজনসম্পন্ন শিশু বুলিও কোৱা হয়। এই গোটটোৱে এনে বঞ্চিত শিশুসকলৰ শিক্ষাৰ বিষয়ে আলোকপাত কৰিছে। এনে শিশুসকলৰ তেওঁলোকৰ সাধাৰণ শিশুসকল তথা সমকক্ষসকলৰ পৰ্যায়লৈ অনাই আমাৰ প্ৰচেষ্টা।

এই গোটটোত আমি এই বিশেষ দলৰ শিশুসকলৰ সুবিধা গ্ৰহণ আৰু সংৰক্ষণৰ বিভিন্ন দিশ আৰু সমস্যাসমূহৰ বিষয়ে আমি আলোচনা কৰিছো। আমি এছ চি/এছ টি শিশুসকল, চি ডব্লিউ এছ এন, ভৌগোলিকভাৱে পিছপৰা শিশুসকল, নগৰৰ বঞ্চিত শিশুসকল আৰু পথৰ শিশুসকল আৰু তেওঁলোকৰ বিশেষ প্ৰয়োজন আদিৰ বিষয়ে আলোচনা কৰিছো আৰু লগতে এনে শিশুসকলৰ শিক্ষা কিদৰে সংগঠন কৰা হয় সেই বিষয়ে আলোচনা এই গোটটোত কৰা হৈছে।

অন্তৰ্ভুক্ত শিক্ষাৰ ধাৰণা আৰু উপযোগিতা সম্বন্ধেও বহলভাৱে আলোচনা কৰা হৈছে। এই সকলোবোৰৰ উপৰি এই গোটটোৱে আমি কিদৰে শিশুসকলৰ অধিকাৰক সুৰক্ষা প্ৰদান কৰিব পাৰো, বিশেষকৈ নগৰৰ বস্তি অঞ্চলৰ, উদ্যোগসমূহত কৰ্মৰত শিশুসকল ভাৰতীয় সংবিধানে কিছুমান শিশুৰ অধিকাৰ প্ৰদান কৰিছে যিবোৰ সকলো প্ৰকাৰে সুৰক্ষা কৰাৰ প্ৰয়োজন।

**৯.৭ পৰামৰ্শমূলক পঠন আৰু প্ৰসংগ পুথি ঃ**

এই গোটটোৰ পৰা আপোনালোকে শিকিব যে ঃ

- www.Oecd.org২ল
- www.wpi.edu/News/Conf/ISTAS/Presentations/it education. Pdf
- Centre for Research on Effective Schooling for Disadvantaged...
- www. CSOS.jhu.edu/otherlinks/Cds/Cds.html.
- ww.ibe.Unesco.org/.../Interview_Clementina_Eng 13 Nov. Pdf

**৯.৮ গোট সমাপ্তি অনুশীলনী ঃ**

১। বঞ্চিত শিশুসকলৰ সমস্যা, শিক্ষাৰ সুবিধা গ্ৰহণ আৰু সংৰক্ষণৰ বিষয়ে বৰ্ণনা কৰা।

২। বিদ্যালয় আৰু শ্ৰেণীকোঠাৰ শিক্ষাৰ ক্ষেত্ৰত অন্তৰ্ভুক্ত শিক্ষাৰ বিষয়ে সংজ্ঞায়িত কৰক।

৩। অন্তৰ্ভুক্ত শিক্ষাৰ সুবিধাসমূহ কি কি?

# গোট ১০ ঃ প্ৰাথমিক শিক্ষাত আৰ্ন্তজাতিক দৃশ্যপট


সংগঠন ঃ

১০.০ অৱতাৰণা

১০.১ শিক্ষণ উদ্দেশ্যসমূহ

১০.২ জ্যামিটিন সন্মিলন— (১৯৯০)

১০.২.১ জ্যামিটিন সন্মিলনৰ বিভিন্ন দিশসমূহ (Thursts)

১০.২.২ আন্তৰ্জাতিক সংহতি সুদৃঢ়কৰণ/সবলীকৰণ

১০.২.৩ জ্যামিটিন ই-৯ দেশসমূহৰ প্ৰভাৱ

১০.২.৪ দক্ষিণ এছিয়ান অঞ্চলসমূহত প্ৰভাৱ

১০.৩ উন্নয়নশীল দেশসমূহত প্ৰাথমিক শিক্ষাৰ পদক্ষেপসমূহ

১০.৪ প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনকৰণৰ আন্তৰ্জাতিক অনুষ্ঠানসমূহৰ ভূমিকা

১০.৪.১ ইউনেস্কো (UNESCO)

১০.৪.২ ইউনিছেফ (UNICEF)

১০.৪.৩ বিশ্ব বেংক (World Bank)

১০.৪.৪ ডি এফ আই ডি (DFID)

১০.৪.৪ এছ আই ডি এ (SIDA)

১০.৫ বিশ্ব শিক্ষা ফোৰাম/মঞ্চ, ডকাৰ, চেনেগল ২০০০

১০.৬ সামৰণি/সাৰংশ

১০.৭ শব্দকোষ/সংক্ষিপ্ত নাম

১০.৮ পৰামৰ্শমূলক পঠন আৰু প্ৰসংগ পুথি

১০.৯ গোট সমাপ্তি অনুশীলন

## ১০.০ অৱতাৰণা ঃ

আপোনালোকে ইতিমধ্যে গোট ১ আৰু ২ত প্ৰাক স্বাধীনতা আৰু স্বাধীনোত্তৰ কালৰ প্ৰাথমিক শিক্ষাৰ বিকাশ সম্বন্ধে অধ্যয়ন কৰিছে। আপোনালোকে জানে যে আমাৰ সংবিধানত বৰ্তমান শিক্ষা মৌলিক অধিকাৰৰ শাৰীত অন্তৰ্ভুক্ত কৰিছে। আমাৰ দেশত প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনকৰণৰ বাবে বিভিন্ন পৰ্যায়ত সাংগঠিক ব্যৱস্থা আছে। প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনকৰণৰ লক্ষ্য আৰু উদ্দেশ্যত উপনীত হ'বলৈ, আমাৰ চৰকাৰে কিছুমান পৰিকল্পনা আৰু ব্যৱস্থা অৱলম্বন কৰিছে।

এই গোটটোত আমি জ্যামিটিন সন্মিলন (Jometian conference), বিশ্ব শিক্ষা মঞ্চ (World Education Forum), ডকাৰ চেনেগল (Dakar Senegal) ২০০০ সন্দৰ্ভত প্ৰাথমিক শিক্ষাৰ আন্তৰ্জাতিক দৃশ্যপটৰ বিষয়ে অধ্যয়ন কৰিম। আমি আকৌ উন্নত আৰু উন্নয়নশীল প্ৰাথমিক শিক্ষাৰ পদক্ষেপসমূহৰ বিষয়ে পৰ্যালোচনা কৰিম। আমি প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনকৰণত আৰু সকলোৰে বাবে শিক্ষাৰ পদক্ষেপসমূহৰ সুবিধা লাভৰ ক্ষেত্ৰত আন্তৰ্জাতিক সংগঠনসমূহৰ ভূমিকাৰ বিষয়ে পৰীক্ষা কৰিম। এই গোটটোৰ সংগঠনৰ বিষয়ে জানিবলৈ আপোনালোকে তলত উল্লেখিত এই গোটটোৰ সাংগঠনিক মানচিত্ৰৰ (Structure map) আলম ল'ব পাৰে।

ধাৰণা/সাংগঠনিক মানচিত্ৰ (Concept Map)



## ১০.১ শিক্ষণ উদ্দেশ্যসমূহ ঃ

এই গোটটো অধ্যয়ন কৰাৰ পিছত আপোনালোকে সমৰ্থ হ'ব—

- জ্যামিটিন সন্মিলন (১৯৯০)ৰ প্ৰধান দিশসমূহ বৰ্ণনা কৰিবলৈ।
- ই-৯ দেশসমূহ আৰু দক্ষিণ এছিয়ান অঞ্চলসমূহৰ ওপৰত সন্মিলনৰ প্ৰভাৱ সম্পৰ্কে পৰীক্ষা কৰিবলৈ।
- উন্নত আৰু উন্নয়নশীল দেশসমূহৰ মাজত প্ৰাথমিক শিক্ষাৰ স্থিতি সম্বন্ধে তুলনা কৰিবলৈ।
- প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনকৰণত আন্তৰ্জাতিক সংগঠনসমূহৰ ভূমিকা সম্পৰ্কে বহলাই আলোচনা কৰিবলৈ।
- বিশ্ব শিক্ষা মঞ্চ (World Education Forum), Darkar, Senegal ২০০০ৰ ফলাফলসমূহ পুনৰীক্ষণ কৰিবলৈ।
- 'সকলোৰে বাবে শিক্ষা' ব্যৱস্থাৰ সুবিধাসমূহ বৰ্ণনা কৰিবলৈ।

## ১০.২ জ্যামিটিন সন্মিলন ১৯৯০ ঃ

১৯৯০ চনৰ মাৰ্চ মাহৰ ৫ তাৰিখৰ পৰা ৯ তাৰিখলৈ 'সকলোৰে বাবে শিক্ষা'ৰ ক্ষেত্ৰত থাইলেণ্ডৰ জমিয়েনত এখন সন্মিলন অনুষ্ঠিত হৈছিল। এই সন্মিলনখনক জমিটিয়েল সন্মিলন বুলি কোৱা হয়। সকলোৰে বাবে শিক্ষাৰ ক্ষেত্ৰত হোৱা বিশ্ব সন্মিলনত অংশ গ্ৰহণ কৰা।

অংশগ্ৰহণকাৰীসকলে শিক্ষাৰ ক্ষেত্ৰত সকলো লোকৰ অধিকাৰ পুনৰ্ব্যক্ত কৰিছে। সকলোৰে বাবে শিক্ষা নিশ্চিত কৰাৰ তেওঁলোকৰ সিদ্ধান্তৰ সেইটোৱে আছিল ভেটিস্বৰূপ। 'সকলোৰে বাবে শিক্ষা' এই লক্ষ্যত উপনীত হ'বলৈ তেওঁলোকে সহযোগিতাৰে কাম কৰিবলৈ প্ৰতিশ্ৰুতিবদ্ধ হৈছিল। বিভিন্ন দেশৰ পৰা অহা অংশগ্ৰহণকাৰীসকলে 'সকলোৰে বাবে শিক্ষাৰ ক্ষেত্ৰত বিশ্বৰ ঘোষণাপত্ৰ ঃ প্ৰধান শিক্ষণ প্ৰয়োজনসমূহৰ পূৰণ আৰু কৰ্ম গাঁথনিৰ লগত সহমত হৈছিল যাতে এই ঘোষণাপত্ৰত উল্লেখিত লক্ষ্যসমূহত উপনীত হ'ব পাৰে।

'সকলোৰে বাবে শিক্ষা'ৰ বিশ্ব সন্মিলনত অংশগ্ৰহণকাৰীসকলে—

- আমাৰ দেশৰ সকলো বয়সৰ ব্যক্তিৰ বাবে শিক্ষা হৈছে এক মৌলিক অধিকাৰ— এই কথা পুনঃস্মৰণ কৰিছিল।
- শিক্ষাই এক সুৰক্ষিত, স্বাস্থ্যবান, সমৃদ্ধ আৰু সুস্থ পৰিবেশসমৃদ্ধ পৃথিৱী সম্বন্ধে বোধ লাভ কৰিছিল।
- শিক্ষা যদিও পৰ্যাপ্ত চৰ্ত নহয় তথাপি ই ব্যক্তিগত আৰু সামাজিক উন্নয়নৰ বাবে এক অপৰিহাৰ্য্য অংগ সেই বিষয়ে জানিছিল।
- পৰাম্পৰাগত জ্ঞান আৰু দেশীয়, সাংস্কৃতিক ঐতিহ্যৰ যে এক মূল্য আৰু বিকাশৰ বাবে বৈধতা আছে সেই বিষয়ে স্বীকাৰ কৰিছিল।

- বৰ্তমান সমগ্ৰ শিক্ষাব্যৱস্থা অধিক প্ৰাসংগিক আৰু গুণগতভাৱে উন্নত আৰু সাৰ্বজনীনভাৱে উপলব্ধ হোৱা উচিত— এই বিষয়ে স্বীকাৰ কৰিছিল।
- বৰ্তমান সমগ্ৰ শিক্ষা ব্যৱস্থা অধিক প্ৰাসংগিক আৰু গুণগতভাৱে উন্নত আৰু সাৰ্বজনীনভাৱে উপলব্ধ হোৱা উচিত— এই বিষয়ে স্বীকাৰ কৰিছিল।
- সুস্থ বুনিয়াদী শিক্ষা হৈছে উচ্চ পৰ্যায়ৰ শিক্ষাৰ সুদৃঢ়কৰণ আৰু বৈজ্ঞানিক আৰু প্ৰযুক্তিগত সাক্ষৰতা আৰু সামৰ্থতাৰ ক্ষেত্ৰত মুখ্য উপাদান আৰু ই হৈছে আত্মনিৰ্ভৰশীলতা বিকাশত সহায় কৰে।

**১০.২.১ জ্যামিটিন সন্মিলনৰ প্ৰধান দিশসমূহ** (Major Thrusts) ঃ

শিক্ষাৰ বিশ্ব ঘোষণাপত্ৰৰ সন্মিলনত সকলো শিক্ষাৰ বাবে উদ্দেশ্য, বিস্তাৰিত দৃষ্টি, প্ৰতিশ্ৰুতি আৰু প্ৰয়োজন অনুসৰি ৯টা অনুচ্ছেদৰ খচৰা প্ৰস্তুত কৰিছিল।

**(১) মূল শিক্ষণ প্ৰয়োজনসমূহৰ পুৰণ ঃ**

(ক) সকলো ব্যক্তি— শিশু, যুৱক আৰু প্ৰাপ্তবয়স্কসকলে তেওঁলোকৰ শিক্ষণ প্ৰয়োজনসমূহ পূৰণৰ বাবে প্ৰস্তুত কৰা শিক্ষণীয় সুবিধাসমূহৰ পৰা লাভাৱান্বিত হ'ব। মূল্য শিক্ষণ প্ৰয়োজনসমূহৰ পৰিসৰ আৰু সেইবোৰ কিদৰে পূৰণ কৰা হ'ব সেইটো ব্যক্তিগত দেশ আৰু সংস্কৃতি অনুসৰি ভিন্ন হয় আৰু সময়ৰ লগে লগে অনিবাৰ্যভাৱে সলনি হয়।

(খ) এই প্ৰয়োজনসমূহৰ পূৰণে যিকোনো সমাজত ব্যক্তিৰ সামাজিক সংস্কৃতি, ভাষিক আৰু আধ্যাত্মিক ঐতিহ্য গঢ় দি তুলিবলৈ আৰু অন্য ব্যক্তিৰ শিক্ষাৰ উন্নয়নৰ বাবে সমৰ্থবান কৰি তোলে।

(গ) শৈক্ষিক বিকাশৰ মৌলিক উদ্দেশ্য হৈছে সাধাৰণ সংস্কৃতি আৰু নৈতিক মূল্যবোধৰ হস্তান্তৰ আৰু সমৃদ্ধিকৰণ। এই মূল্যবোধসমূহতে ব্যক্তি আৰু সমাজে তেওঁলোকৰ পৰিচয় আৰু মূল্য বিচাৰি পায়।

(ঘ) বুনিয়াদী শিক্ষা হৈছে জীৱনজোৰা শিক্ষা আৰু মানৱ বিকাশৰ ভেটি।

**(২) লক্ষ্যৰ উদ্দেশ্যৰ ৰূপায়ন ঃ**

(ক) এক বিস্তাৰিত লক্ষ্যৰ প্ৰয়োজন যি বৰ্তমান সম্পদৰ পৰ্যায়, আনুষ্ঠানিক সংগঠন, পাঠ্যক্ৰম আৰু পৰম্পৰাগত বিতৰত পদ্ধতিৰ অতিক্ৰম কৰে আৰু বৰ্তমান ব্যৱস্থাৰ সৰ্বোতম বিকাশত সহায় কৰে।

(খ) বিস্তাৰিত লক্ষ্যই অন্তৰ্ভুক্ত কৰে—

- সুবিধাৰ সাৰ্বজনীনকৰণ আৰু সমতাৰ উন্নয়ন।
- শিক্ষণৰ ওপৰত দৃষ্টি নিবদ্ধকৰণ।
- বুনিয়াদী শিক্ষাৰ উপায় আৰু পৰিসৰৰ বিস্তাৰ সাধন কৰা

- শিক্ষণৰ বাবে পৰিবেশৰ উন্নয়ন।
- অংশীদাৰৰ সবলীকৰণ।

(গ) মানৱ উন্নয়ন আৰু সবলীকৰণৰ বাবে ব্যক্তিৰ বিস্তৃত সম্ভাৱনা তথা বহল পৰিসৰৰ সম্ভাৱনাসমূহৰ উপলব্ধিকৰণ, ব্যক্তিসকলক শিক্ষা আহৰণৰ বা সমৰ্থবান কৰি তুলিব পৰা যাব নে নাই তাৰ ওপৰত নিৰ্ভৰ কৰে বা এই বিষয়টোৱে নিৰ্ধাৰণ কৰে।

**(৩) সুবিধাৰ সাৰ্বজনীনকৰণ আৰু সমতাৰ উন্নয়ন ঃ**

(ক) গুণগত বুনিয়াদী শিক্ষাৰ সেৱা বিস্তাৰিত কৰা উচিত আৰু বৈষম্য দূৰীকৰণৰ বাবে স্থায়ী সমাধানৰ ব্যৱস্থা কৰিব লাগে।

(খ) বুনিয়াদী শিক্ষা ন্যায়সংগত হ'বলৈ আৰু উপনীত হ'বলৈ সুবিধা প্ৰদান কৰা উচিত আৰু সকলোৰে বাবে এক গ্ৰহণযোগ্য শিক্ষণ পৰ্যায় বজাই ৰখা।

(গ) আটাইতকৈ গুৰুত্বপূৰ্ণ অগ্ৰাধিকাৰ হৈছে সুবিধাগ্ৰহণ আৰু ছোৱালী আৰু মহিলাসকলৰ বাবে শিক্ষাৰ গুণগতমান উন্নত কৰা আৰু তেওঁলোকৰ সক্ৰিয় অংশ গ্ৰহণ ব্যাহত কৰা প্ৰতিটো বাধা নাইকীয়া দূৰ কৰা।

(ঘ) শৈক্ষিক বৈষম্যতা দূৰীকৰণৰ বাবে এক সক্ৰিয় প্ৰতিশ্ৰুতিৰ ব্যৱস্থা কৰিব লাগে। শিক্ষণ সুবিধা লাভৰ ক্ষেত্ৰত বঞ্চিত দলসমূহে কোনো ধৰণৰ বৈষম্যতাৰ বলি হোৱা উচিত নহয়।

(ঙ) অক্ষম লোকসকলৰ শিক্ষণীয় প্ৰয়োজনসমূহে বিশেষ মনোযোগ দাবী কৰে। শিক্ষা ব্যৱস্থাৰ এক অবিচ্ছেদ্য অংগ হিচাপে প্ৰতিটো প্ৰকাৰৰ অক্ষম লোকক শিক্ষাৰ সমান সুবিধা প্ৰদানৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা উচিত।

**(৪) শিক্ষণৰ ওপৰত দৃষ্টি নিবদ্ধকৰণ ঃ**

বিস্তাৰিত শৈক্ষিক সুবিধাসমূহ ব্যক্তি আৰু সমাজৰ বাবে অৰ্থপূৰ্ণ বিকাশলৈ পৰিবৰ্তন হ'ব আৰু এইটো বিশেষকৈ নিৰ্ভৰ কৰে ব্যক্তিসকলে প্ৰকৃততে এই সুবিধাসমূহৰ পৰিণামৰ পৰা শিক্ষা লাভ কৰে নে নকৰে। সেয়েহে বুনিয়াদী শিক্ষাৰ মূল গুৰুত্ব প্ৰকৃত শিক্ষণ আহৰণ আৰু ইয়াৰ ফলাফলৰ ওপৰত হোৱা উচিত।

**(৫) বুনিয়াদী শিক্ষাৰ উপায় আৰু পৰিসৰসমূহৰ বিস্তাৰ সাধন ঃ**

শিক্ষাৰ্থীসকলৰ বৈচিত্ৰ্যতা, জটিলতা আৰু মূল মৌলিক শিক্ষণৰ প্ৰয়োজনসমূহৰ পৰিবৰ্তিত প্ৰকৃতিয়ে বুনিয়াদী শিক্ষাৰ পৰিসৰৰ বিস্তাৰ সাধন আৰু পুনঃ সংজ্ঞায়িত কৰাৰ প্ৰয়োজনীয়তা দাঙি ধৰিছে যাতে তলত উল্লেখিত উপাদানসমূহ অন্তৰ্ভুক্ত কৰিব পাৰি।

- জন্মৰ লগে লগে শিক্ষণ আৰম্ভ হয়।
- পৰিয়ালৰ বাহিৰত ছাত্ৰ-ছাত্ৰীসকলক বুনিয়াদী শিক্ষা প্ৰদানৰ প্ৰধান ব্যৱস্থা হৈছে প্ৰাথমিক শিক্ষা।
- যুৱক আৰু প্ৰাপ্তবয়স্কসকলৰ মৌলিক শিক্ষণ প্ৰয়োজনসমূহ বিবিধ আৰু বিভিন্ন ধৰণৰ বিতৰণ

ব্যৱস্থাৰ দ্বাৰা এই প্ৰয়োজনসমূহ পূৰণ কৰা উচিত।

- সকলো উপলব্ধ তথ্য, যোগাযোগ আৰু সামাজিক ক্ৰিয়াৰ সঁজুলি আৰু মাধ্যমসমূহ প্ৰয়োজনীয় জ্ঞান, তথ্য আৰু সামাজিক সমস্যা তথা দিশ সম্বন্ধে ব্যক্তিক শিক্ষিত কৰিবৰ বাবে ব্যৱহাৰ কৰিব পৰা যায়।

**(৬) শিক্ষণৰ বাবে পৰিবেশৰ উন্নয়ন ঃ**

সকলো শিক্ষাৰ্থীয়ে তেওঁলোকক শিক্ষাত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিবলৈ আৰু শিক্ষাৰ পৰা সুবিধা লাভৰ বাবে প্ৰয়োজন হোৱা পুষ্টি, স্বাস্থ্যৰ যত্ন আৰু সাধাৰণ শাৰিৰীক আৰু আৱেগিক সমৰ্থন লাভ কৰা উচিত। জ্ঞান আৰু কৌশল যিবোৰে শিশুসকলৰ শিক্ষণ পৰিবেশৰ উন্নয়ন কৰে, সেইবোৰ প্ৰাপ্তবয়স্কসকলৰ বাবে সম্প্ৰদায় শিক্ষণ ব্যৱস্থাৰ লগত একত্ৰিত কৰা উচিত। শিশুসকলৰ শিক্ষা আৰু তেওঁলোকৰ অভিভাৱক আৰু অন্য তত্বাৱধায়কসকল পাৰস্পৰিকভাৱে সহায়ক আৰু এই সহযোগিতা সকলোৰে বাবে এক জীৱন্ত আৰু উষ্ম শিক্ষণ পৰিবেশ সৃষ্টি কৰাৰ বাবে ব্যৱহাৰ কৰা উচিত।

**(৭) অংশীদাৰৰ সবলীকৰণ ঃ**

সকলোকে বুনিয়াদী শিক্ষা প্ৰদান কৰাৰ বাবে ৰাষ্ট্ৰীয় আঞ্চলিক আৰু স্থানীয় শৈক্ষিক কৰ্তৃপক্ষসমূহৰ অনন্য দায়িত্ব আছে। সকলো পৰ্যায়তে নতুন আৰু পুনৰুজ্জীৱিত অংশীদাৰীৰ প্ৰয়োজন হ'ব আৰু সকলো উপক্ষেত্ৰ আৰু সকলো প্ৰকাৰৰ শিক্ষাৰ মাজতো অংশীদাৰীৰ প্ৰয়োজন। পৰিয়াল আৰু শিক্ষকসকলৰ দুয়োটাৰে গুৰুত্বপূৰ্ণ ভূমিকাক স্বীকৃতি প্ৰদান কৰাটো বিশেষভাৱে গুৰুত্বপূৰ্ণ। এই ক্ষেত্ৰত শিক্ষকৰ সেৱা আৰু তেওঁলোকৰ স্থিতিৰ চৰ্তসমূহ যিয়ে সকলোৰে বাবে শিক্ষাৰ কাৰ্যকৰীকৰণৰ এক নিৰ্ধাৰক উপাদান গঠন কৰে, সেইবোৰ সকলো দেশতে তাৎক্ষণিকভাৱে উন্নত কৰা উচিত।

**(৮) সহায়ক নীতি সন্দৰ্ভৰ বিকাশ সাধন ঃ**

(ক) ব্যক্তি আৰু সমাজৰ উন্নয়নৰ বাবে বুনিয়াদী শিক্ষাৰ সম্পূৰ্ণ ব্যৱস্থাৰ উপলব্ধি আৰু প্ৰয়োগ কৰিবলৈ সামাজিক, সাংস্কৃতিক আৰু অৰ্থনৈতিক সকলো ক্ষেত্ৰতে সহায়ক নীতিৰ আৱশ্যক। উপযুক্ত অৰ্থনৈতিক, বাণিজ্যিক, শ্ৰম, নিয়োগ আৰু স্বাস্থ্য নীতিয়ে সামাজিক বিকাশত শিক্ষাৰ্থীৰ উৎসাহ-উদ্দীপনা আৰু বৰঙণিৰ বৃদ্ধি কৰিব।

(খ) বুনিয়াদী শিক্ষাৰ বাবে সমাজেও এক শক্তিশালী মানসিক আৰু বৈজ্ঞানিক পৰিবেশ নিশ্চিত কৰা উচিত।

**(৯) সম্পদৰ গতিশীলন ঃ**

(ক) মৌলিক শিক্ষণ প্ৰয়োজনসমূহ পূৰণ কৰাৰ বাবে, প্ৰচলিত আৰু নতুন বিত্তীয় আৰু মানৱ সম্পদসমূহ— ৰাজহুৱা, ব্যক্তিগত আৰু স্বেচ্ছাসেৱী গতিশীলন প্ৰয়োজন।

(খ) ৰাজহুৱা খণ্ডৰ সহায়ৰ বৃদ্ধি মানে হৈছে মানৱ বিকাশৰ বাবে দায়ী সকলোবোৰ চৰকাৰী সংস্থাসমূহৰ সম্পদৰ ব্যৱহাৰ কৰা।

**১০.২.২ আন্তৰ্জাতিক সংহতিৰ সুদৃঢ়কৰণ (Macaulay's Minutes) ঃ**

(ক) মৌলিক শিক্ষাৰ প্ৰয়োজনসমূহে এক সাধাৰণ আৰু সাৰ্বজনীন মানৱ দায়িত্ব গঠন কৰে। প্ৰচলিত অৰ্থনৈতিক বৈষম্যতাৰ প্ৰতিকাৰ কৰিবলৈ আন্তৰ্জাতিক সংহতি, আৰু ন্যায়সংগত আৰু নিৰপেক্ষ অৰ্থনৈতিক সম্পৰ্কৰ প্ৰয়োজন। উপযুক্ত শিক্ষণীয় নীতি আৰু ব্যৱস্থা প্ৰস্তুত কৰিবৰ বাবে প্ৰত্যেক ৰাষ্ট্ৰৰে মূল্যবান জ্ঞান আৰু অভিজ্ঞতা আদান-প্ৰদান কৰিবলগীয়া আছে।

(খ) বুনিয়াদী শিক্ষাৰ বাবে সম্পদৰ মহত্বপূৰ্ণ/গুৰুত্বপূৰ্ণ আৰু দীৰ্ঘকালীন বৃদ্ধি কৰাৰ প্ৰয়োজন।

(গ) শিশু আৰু প্ৰাপ্তবয়স্কসকলৰ মৌলিক শিক্ষণীয় প্ৰয়োজনসমূহক অগ্ৰাধিকাৰ দিয়া উচিত।

(ঘ) সকলোবোৰ ৰাষ্ট্ৰই সংঘাত আৰু শত্ৰুতা সমাধানৰ বাবে, সামৰিক দখল নাইকিয়া আৰু বিচ্ছিন্ন জনসংখ্যাৰ বসতি স্থাপনৰ বাবে একেলগে কাম কৰা উচিত। অকল এক সুস্থ আৰু শান্তিপূৰ্ণ পৰিবেশে এক পৰিস্থিতিৰ সৃষ্টি কৰে য'ত প্ৰত্যেক ব্যক্তিয়ে এই ঘোষণাপত্ৰৰ উদ্দেশ্যৰ পৰা লাভৱান হ'ব।

জ্যামিটিন সন্মিলনত মৌলিক প্ৰয়োজনসমূহ পূৰণৰ বাবে এক কৰ্ম গাঁথনি গ্ৰহণ কৰা হৈছিল। এই ছয়টা প্ৰধান দিশ তলত উল্লেখ কৰা হ'ল—

**প্ৰধান কৰ্মক্ষেত্ৰসমূহ ঃ**

(ক) আগতীয়া বাল্যকালৰ যতন আৰু বিকাশমূলক কাৰ্যাৱলীৰ সম্প্ৰসাৰণ।

(খ) প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীন সুবিধা গ্ৰহণ/প্ৰৱেশ আৰু সমাপ্তি।

(গ) শিক্ষণ কৃতকাৰ্যতাৰ উন্নয়ন।

(ঘ) প্ৰাপ্তবয়স্কসকলৰ নিৰক্ষতাৰ হ্ৰাস।

(ঙ) যুৱক আৰু প্ৰাপ্তবয়স্কসকলৰ বাবে বুনিয়াদী শিক্ষা আৰু কৌশল প্ৰশিক্ষণৰ সম্প্ৰসাৰণ।

(চ) ব্যক্তি আৰু পৰিয়ালৰ (দ্বাৰা) উন্নত জীৱন-যাপনৰ বাবে জ্ঞান, কৌশল আৰু মূল্যবোধৰ দ্ৰুত আহৰণৰ।

সকলোৰে বাবে শিক্ষাৰ ঘোষণাপত্ৰত কৰ্ম পৰিকল্পনা/কৰ্ম যোজনাৰ বাবে কিছুমান মূল নীতি দিয়া হৈছে ঃ

**৫টা প্ৰধান/মৌলিক নীতি ঃ**

(ক) ন্যায় ঃ সাৰ্বজনীন সুবিধা গ্ৰহণ আৰু ন্যায়ৰ বিকাশ সাধন।

(খ) শিক্ষণৰ ওপৰত অগ্ৰাধিকাৰ প্ৰদান।

(গ) বুনিয়াদী শিক্ষাৰ অৰ্থ আৰু পৰিসৰৰ বিস্তৃতকৰণ।

(ঘ) শিক্ষণ পৰিবেশৰ উন্নয়ন।

(ঙ) অংশীদাৰিত্বৰ সুদৃঢ়কৰণ।

সকলোৰে বাবে শিক্ষাৰ লক্ষ্য আৰু উদ্দেশ্যত উপনীত হোৱাৰ কৰ্ম পৰিকল্পনা অনুসৰি প্ৰধান/মুখ্য লক্ষ্যসমূহ হৈছে—

(ক) ২০০০ খ্ৰীষ্টাব্দৰ ভিতৰত প্ৰাথমিক শিক্ষাত সাৰ্বজনীন সুবিধা গ্ৰহণ/সাৰ্বজনীন প্ৰৱেশ আৰু ৮০% সমাপ্তিৰ হাৰ।

(খ) ২০০০ খ্ৰীষ্টাব্দৰ ভিতৰত ১৯৯০ পৰ্যায়তকৈ অৰ্ধহাৰত প্ৰাপ্তবয়স্কৰ নিৰক্ষতাৰ হ্ৰাসকৰণ আৰু মহিলাৰ সাক্ষৰতাৰ ওপৰত বিশেষ অগ্ৰাধিকাৰ।

(গ) শিক্ষণ কৃতকাৰ্যতাৰ উন্নয়ন।

(ঘ) আগতীয়া বাল্যকালৰ শিশুৰ যতন আৰু বিকাশমূলক কাৰ্যাৱলীৰ সম্প্ৰসাৰণৰ লগতে পৰিয়াল আৰু সম্প্ৰদায়ৰ সহায়ক ব্যৱস্থা, বিশেষকৈ দুখীয়া, অক্ষম আৰু বঞ্চিত শিশুসকলৰ বাবে।

**জ্যামিটিন সন্মিলনৰ প্ৰভাৱ ঃ**

জ্যামিটিন সন্মিলনৰ প্ৰধান বৰঙণি ৰাষ্ট্ৰীয় চৰকাৰ আৰু ইয়াৰ নীতি, পৰিকল্পনা আৰু আঁচনিসমূহৰ ওপৰত সন্মিলনৰ প্ৰভাৱৰ ক্ষেত্ৰত দেখিবলৈ পোৱা যায়।

(ক) বুনিয়াদী শিক্ষাৰ পৰিসৰ বিস্তাৰিত কৰা, প্ৰাপ্তবয়স্কসকলৰ সাক্ষৰতা অন্তৰ্ভুক্তকৰণ, যুৱকসকলৰ বাবে প্ৰশিক্ষণ আৰু জীৱনশৈলী আৰু প্ৰাক্-বিদ্যালয়ৰ শিশুসকলৰ বাবে আগতীয়া বাল্যকালৰ যতন আৰু বিকাশ।

(খ) তেওঁলোকৰ বিকাশমূলক পৰিকল্পনাত সকলোৰে বাবে শিক্ষাৰ ওপৰত অগ্ৰাধিকাৰ প্ৰদান কৰা।

(গ) বিশেষ শৈক্ষিক নীতিসমূহৰ গঠন, বিশেষ শিক্ষা পৰিকল্পনা প্ৰস্তুতিৰ বাবে আৰু তেওঁলোকৰ নিৰন্তৰ পৰিকল্পনাত সকলোৰে বাবে শিক্ষাৰ বিশেষ উপাদানসমূহ গঢ় দি তোলাৰ বাবে সকলোৰে বাবে শিক্ষাৰ ওপৰত বিশেষ অগ্ৰাধিকাৰ দিয়া।

(ঘ) সম্প্ৰসাৰণ, গুণগত উন্নয়ন, শিক্ষক প্ৰশিক্ষণ, পাঠ্যক্ৰমৰ সংস্কাৰ সাধন, লিংগ সমতা আৰু বঞ্চিত আৰু দুখীয়াসকলৰ বাবে সহযোগ প্ৰদানৰ ওপৰত গুৰুত্ব প্ৰদান কৰি বিদ্যালয় উন্নয়নৰ নিৰন্তৰ কাৰ্যাৱলীসমূহৰ দ্ৰুতকৰণ।

(ঙ) শৈক্ষিক বিকাশৰ বাবে নতুন প্ৰকল্পৰ আৰম্ভ কৰা।

ৰাষ্ট্ৰীয় চৰকাৰসমূহৰ ওপৰত প্ৰভাৱ ঃ

(ক) শিক্ষাব্যৱস্থাৰ পৰিকল্পনা আৰু পৰিচালনাৰ দক্ষতাৰ উন্নয়নৰ বাবে বিশেষ প্ৰচেষ্টাৰ ব্যৱস্থা কৰা।

(খ) শৈক্ষিক পৰিকল্পনা আৰু পৰিচালনা ব্যৱস্থাৰ বিকেন্দ্ৰীকৰণ কৰা।

(গ) সকলো শৈক্ষিক কাৰ্যাৱলীত সম্প্ৰদায় অংশগ্ৰহণৰ উন্নয়নৰ বাবে পদ্ধতিসমূহৰ বিকাশ সাধন।

(ঘ) চৰকাৰী আৰু বেচৰকাৰী অনুষ্ঠানসমূহৰ মাজত অংশীদাৰিত্ব স্থাপন।

**বিশেষ প্ৰচেষ্টাসমূহৰ আৰম্ভণি ঃ**

(ক) কৰ আৰু ৰাজকোষৰ সংস্কাৰ সাধন আৰম্ভ কৰি অতিৰিক্ত ঘৰুৱা সম্পদৰ গতিশীলন।

(খ) পৰিকল্পনা, পৰিচালনা, পৰ্যবেক্ষণ আৰু বিদ্যালয় কাৰ্যসূচীসমূহৰ পৰ্যবেক্ষণ আৰু ব্যৱস্থাক কাৰ্যক্ষম কৰাৰ বাবে বৈষয়িক আৰু মানৱসম্পদক অন্তৰ্ভুক্ত কৰি সম্প্ৰদায়ৰ সম্পদসমূহৰ গতিশীলন।

(গ) দ্বি-পক্ষীয় আৰু আঞ্চলিক সহযোগিতাৰ বৃদ্ধি কৰা।

(ঘ) বাহ্যিক উৎসসমূহৰ পৰা সম্পদসমূহৰ গতিশীলন— বৈদেশিক সহায়তা/বিদেশী সাহায্য— দ্বি-পাক্ষিক আৰু বহুপাক্ষিক উৎসসমূহৰ পৰা সাহায্য।

**১০.২.৩ দেশসমূহত জ্যামিটিন সন্মিলনৰ প্ৰভাৱ ঃ**

বাংলাদেশ, ব্ৰাজিল, চীন, ইজিপ্ত, ভাৰতবৰ্ষ, ইন্দোনেছিয়া, মেক্সিকো, নাইজেৰিয়া আৰু পাকিস্তানক অংশীভুত কৰি সকলো জনবহুল দেশসমূহ আৰু বিশ্বৰ জনসংখ্যাৰ ৫০ শতাংশতকৈ অধিক জনসংখ্যাৰ দেশসমূহক ই-৯ দেশ বুলি অভিহিত কৰা হয়। তেওঁলোক ব্ৰাজিলৰ ৰেচিফিত (Racife, Brazil) জানুৱাৰী ৩১ৰ পৰা ২ ফেব্ৰুৱাৰী ২০০০ ত সংযুক্ত হৈছিল আৰু তেওঁলোকৰ দেশসমূহত সকলোৰে বাবে শিক্ষাৰ উন্নয়ন/উন্নতি পুনৰীক্ষণ বা সমীক্ষা কৰিছিল। ১৯৯০ চনৰ মাৰ্চৰ জ্যামিটিন সন্মিলন আৰু ১৯৯৩ ডিচেম্বৰ মাহত নতুন দিল্লীত হোৱা ই-৯ দেশসমূহৰ ৰাজ্যৰ প্ৰধানসমূহৰ সকলোৰে বাবে শিক্ষাৰ শীৰ্ষ সন্মিলনৰ পৰা এই সকলো এখন দেশত গুৰুত্বপূৰ্ণ শত্ৰুতা/মতানৈক্যৰ আৰম্ভণি হৈছিল।

- প্ৰাপ্তবয়স্ক নিৰক্ষৰতাৰ ব্যাপকভাৱে হ্ৰাস কৰা।
- আগতীয়া বাল্যকালৰ শিক্ষাৰ কৌশলসমূহৰ বৃদ্ধিকৰণ যিয়ে অভিভাৱকসকলক অন্তৰ্ভুক্ত কৰে আৰু অসুৰক্ষিত পৰিয়ালসকলক সহায় কৰে।
- প্ৰাক্-বিদ্যালয়ৰ শৈক্ষিক সেৱাসমূহৰ গুৰুত্বপূৰ্ণ বৰ্দ্ধন।
- সাৰ্বজনীন প্ৰাথমিক শিক্ষাৰ দিশত গুৰুত্বপূৰ্ণ অগ্ৰসৰ।
- বিদ্যালয় উপস্থিতিৰ বাবে আৰু ল'ৰা-ছোৱালীৰ বিদ্যালয় প্ৰৱেশৰ ক্ষেত্ৰত লিংগভিত্তিক সমতাৰ উন্নয়ন।
- দৃষ্টিভংগীসমূহৰ আগতীয়া বিকাশক আৰু পৌৰ শিক্ষা আৰু সহৰস্থানৰ বাবে মূল্যবোধক অগ্ৰাধিকাৰ প্ৰদান কৰা।
- শৈক্ষিক সেৱাসমূহৰ বিকেন্দ্ৰীকৰণ।
- মূলসূতিৰ বিদ্যালয়সমূহত বিশেষ প্ৰয়োজনসম্পন্ন শিশুসকলৰ অন্তৰ্ভুক্তিকৰণ প্ৰক্ৰিয়াত অগ্ৰসৰ হোৱা।

- শিক্ষণ আৰু শিক্ষক প্ৰশিক্ষণৰ সম্প্ৰসাৰণৰ বাবে দূৰ শিক্ষাৰ ব্যৱহাৰ।
- উপযুক্ত ইনবিল্ট ইনচেনটিফ বা পূৰ্বস্থিত উদ্দীপক/উৎসাহৰ সৈতে বিশেষ লক্ষিত দলসমূহৰ বাবে ব্যৱস্থা/আঁচনিসমূহৰ বিকাশ।
- শিক্ষাৰ বাবে ৰাষ্ট্ৰীয় ডাটাবেছ, মূল্যায়ন আৰু স্বীকৃতি প্ৰদানৰ ব্যৱস্থাৰ সুদৃঢ়কৰণ।
- স্বেচ্ছাসেৱী সংগঠন, নাগৰিক সমাজ আৰু ব্যক্তিগত খণ্ডৰ সম্প্ৰসাৰণ।
- বিভিন্ন মাধ্যম আৰু প্ৰচাৰৰ দ্বাৰা সকলোৰে বাবে শিক্ষাৰ বাবে জনসচেতনতাৰ বৃদ্ধি কৰা।

**১০.২.৪ দক্ষিণ এছিয়ান অঞ্চলসমূহত প্ৰভাৱ ঃ**

দক্ষিণ এছিয়ান অঞ্চলসমূহৰ দেশসমূহত জ্যামিটিন সন্মিলনক অনুসৰণ কৰি বহুতো নতুন পদক্ষেপ আৰু বিভিন্ন ধৰণৰ কৌশল, পৰিকল্পনা, আঁচনি আৰু প্ৰকল্প প্ৰস্তুত কৰা হৈছে আৰু সেইবোৰ কাৰ্যকৰী কৰা হৈছে। উদ্দেশ্যসমূহ পুনৰ্ব্যক্ত আৰু পুনঃসংজ্ঞায়িত কৰা হৈছিল, নতুন লক্ষ্যসমূহ নিৰ্ধাৰণ কৰা হৈছিল আৰু নিৰ্দিষ্ট তাৰিখসমূহ নিৰ্ধাৰণ কৰা আৰু পুনঃনিৰ্ধাৰণ কৰা হৈছে। উন্নয়নৰ পৰ্যবেক্ষণ কৰা হৈছে আৰু নতুন সহায়ক ব্যৱস্থাসমূহৰ প্ৰস্তুত কৰা হৈছে। বিভিন্ন পৰিকল্পনা প্ৰস্তুত কৰা হৈছে আৰু পৰিমাণসূচক লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। দক্ষিণ এছিয়ান অঞ্চলসমূহে বাংলাদেশ, ভূটান, ভাৰতবৰ্ষ, মালদ্বীপ, নেপাল, পাকিস্তান, আফগানিস্তান আৰু শ্ৰীলংকাক অন্তৰ্ভুক্ত কৰে।

জ্যামিটিন সন্মিলনৰ পিছত দক্ষিণ এছিয়ান অঞ্চলসমূহৰ কৃতকাৰ্যতা তলত উল্লেখিত ধৰণৰ—

- কাৰ্যকৰী প্ৰাপ্তবয়স্ক সাক্ষৰতাৰ বৃদ্ধি।
- শৈক্ষিক পৰিচালনা তথ্য ব্যৱস্থাৰ উন্নয়ন।
- বুনিয়াদী শিক্ষাৰ বাবে ৰাষ্ট্ৰীয় বাজেটৰ বৃদ্ধি।
- প্ৰচলিত/উপলব্ধসম্পদসমূহৰ উপযুক্ত ব্যৱহাৰ।
- বুনিয়াদী শিক্ষাৰ ক্ষেত্ৰত আন্তৰ্জাতিক সাহায্যৰ বৃদ্ধি।
- বুনিয়াদী শিক্ষাত আইনগত ব্যৱস্থাবোৰ, অভিযান, প্ৰকল্প আৰু সংস্কাৰমূলক ব্যৱস্থাৰ বৃদ্ধি।
- বুনিয়াদী শিক্ষাত আইনগত ব্যৱস্থাবোৰ, অভিযান, প্ৰকল্প আৰু সংস্কাৰমূলক ব্যৱস্থাৰ বৃদ্ধি।
- বুনিয়াদী শিক্ষাত অধিক অভিনৱ পদক্ষেপসমূহ।
- ব্যক্তিগত খণ্ড আৰু নাগৰিক সমাজৰ মাজত অধিক অংশীদাৰিত্ব।

সকলোৰে বাবে শিক্ষাৰ লক্ষ্যত উপনীত হোৱাৰ হকে কাম কৰিবলৈ আৰু উন্নয়নশীল দেশসমূহত এইক্ষেত্ৰত সকলোবোৰ প্ৰচেষ্টাক সহায় কৰিবলৈ এক প্ৰতিশ্ৰুতি গঢ়াৰ বাবে সকলো ইউ এন একগোট কৰাৰ ক্ষেত্ৰত জ্যামিটিন সন্মিলনৰ অৱদান গুৰুত্বপূৰ্ণ। গতি জ্যামিটিন সন্মিলনৰ বৰঙণি প্ৰত্যক্ষ আৰু গুৰুত্বপূৰ্ণ।

## ১০.৩ উন্নয়নশীল দেশসমূহত প্ৰাথমিক শিক্ষাৰ পদক্ষেপসমূহ ঃ

বিশ্বৰ বিভিন্ন প্ৰান্তত প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীন সুবিধা গ্ৰহণ বৰ্তমানলৈ এক অসম্পূৰ্ণ বা আধৰুৱা প্ৰতিশ্ৰুতি। প্ৰতিজ্ঞা হিচাপে আছে। সকলোৰে বাবে শিক্ষাৰ বিশ্ব ঘোষণাপত্ৰ, মৌলিক শিক্ষাৰ অধিকাৰসমূহ পূৰণৰ ক্ষেত্ৰত থকা কৰ্মগাঁথনি, সকলোৰে বাবে শিক্ষাৰ ই-৯ ঘোষণাপত্ৰ আৰু ৪০ বছৰ পুৰণি মানৱ অধিকাৰৰ সাৰ্বজনীন ঘোষণাপত্ৰই প্ৰাথমিক শিক্ষাৰ ওপৰত গুৰুত্ব/অগ্ৰাধিকাৰ দিছিল। আপোনালোকে এতিয়া উন্নত আৰু উন্নয়নশীল দেশসমূহত প্ৰাথমিক শিক্ষাৰ স্থান আৰু স্থিতি অধ্যয়ন কৰিবলৈ গৈ আছে।

বিশ্বৰ ৭৫ মিলিয়ন শিশুৰ য'ৰ আধাতকৈও অধিক সংখ্যক শিশু ছোৱালী, তেওঁলোকে প্ৰাথমিক বিদ্যালয়ত নামভৰ্তিৰ সুবিধা লাভ কৰা নাই। আফ্ৰিকাত ১/৩ সংখ্যক শিশুসকল যিবোৰক বিদ্যালয়ত নামভৰ্তি কৰা হৈছে সেইসকল সামাজিকভাৱে বঞ্চিত দলৰ শিশুসকল প্ৰাথমিক বিদ্যালয়ৰ বাদ পৰা শিশু। পাঁচজনৰ ভিতৰ চাৰিটা শিশু যিসকলে বিদ্যালয়লৈ যোৱা নাই তেওঁলোক ভিতৰুৱা অঞ্চলবোৰত বসবাস কৰে। বহুতো উন্নয়নশীল দেশসমূহত পৰম্পৰাগত ভূমিকাই বিদ্যালয়ত ছোৱালী শিশুসকলক নামভৰ্তি কৰাত বাধা প্ৰদান কৰে। ছাব-চাহাৰণ আফ্ৰিকাত, মধ্য-পূব আৰু দক্ষিণ আৰু পশ্চিম এছিয়াত শিক্ষাখণ্ডত ল'ৰাৰ বাবে প্ৰবল ইচ্ছাই অধিক। ইয়াৰ উপৰিও বহুতো শিশুক যুদ্ধ আৰু সংকটৰ বাবে বিদ্যালয়লৈ যোৱাত বাধা প্ৰদান কৰা হৈছিল। বহুতো দেশত য'ত গৃহ যুদ্ধ হৈছিল সেই দেশসমূহত প্ৰায়সংখ্যক বিদ্যালয় ধ্বংস প্ৰাপ্ত হৈছিল।

তলত উল্লেখিত উপাদানসমূহত প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত বাধা হিচাপে পৰিগণিত হৈছে—

**অনুপযুক্ত বাজেট ঃ**

প্ৰায়সমূহ উন্নয়নশীল দেশতে, প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত আৰম্ভন কৰা বাজেট সাৰ্বজনীন বাধ্যতামূলক বিদ্যালয় উপস্থিতিৰ লক্ষ্যত উপনীত হোৱাৰ বাবে যথেষ্ট কম। কম উন্নত দেশসমূহত অধিক ধন বিনিয়োগ কৰাৰ দৰকাৰ হ'ব। অনুপযুক্ত শাসন, উচ্চ শ্ৰম কাৰোবাক, ধনৰ অনুপযুক্ত ব্যৱহাৰ, দুৰ্নীতি, পৰিচালনাৰ অভাৱ আৰু সাংগঠনিক কৌশলৰ অভাৱ আদি হৈছে শিক্ষাৰ সাৰ্বজনীন ব্যৱস্থাৰ ক্ষেত্ৰত থকা বাধা।

**বিদ্যালয় আৰু শিক্ষকমণ্ডলীৰ অভাৱ ঃ**

ভিতৰুৱা অঞ্চলবোৰ আৰু দুখীয়া জিলাসমূহত ব্যাপকভাৱে প্ৰাথমিক বিদ্যালয়ৰ অভাৱ দেখা যায় ভিতৰুৱা অঞ্চলসমূহত প্ৰায়ে শিশুসকলে বিদ্যালয়লৈ অত্যন্ত দূৰলৈ খোজ কাঢ়ি যাবলগীয়া হয়। কিছুদূৰলৈ বহুতো ছোৱালীক বিদ্যালয়ত যাবলৈ দিয়া হোৱা নাছিল তথা অনুমতি দিয়া নাছিল যিহেতু অভিভাৱকসকল তেওঁলোকৰ সুৰক্ষাৰ বাবে সচেতন আছিল। তদুপৰি বহুতো বিদ্যালয় দুৰ্বলভাৱে সজ্জিত। সেইবোৰত পাঠ্যপুথি আৰু শিক্ষাদান সামগ্ৰীৰ অভাৱ দেখা যায়। বহুতো বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ বাবে পানী, বিজুলী আৰু যাতায়াতৰ বাবে অনুদান নাই। বহুতো উন্নয়নশীল দেশত শিক্ষকসকলৰ কৰ্মৰ পৰিস্থিতি গ্ৰহণযোগ্য নহয় আৰু বহুতো শিক্ষকে কম বেতনত যথেষ্ট সংখ্যক ছাত্ৰ-ছাত্ৰীক এদিনত দুই বা তিনিটা সূচী শিক্ষাদান কৰিবলগা হয়। বিদ্যালয়ত আকৌ বহুতো শিক্ষক নিম্নভাৱে প্ৰশিক্ষণপ্ৰাপ্ত

আৰু সঠিকভাৱে প্ৰস্তুত নহয়। ছাব চাহাৰাহ আফ্ৰিকাৰ বহুতো দেশে স্বাস্থ্যজনিত সমস্যাৰ সন্মুখীন হৈছে। কিছুমান অঞ্চলত বহুসংখ্যক শিক্ষকে এইড্‌ছ সংকুচিত কৰিছে, সেইবিদ্যালয়সমূহ বন্ধ কৰিবলৈ বাধ্য কৰা হৈছে। বহুতো উন্নয়ন দেশসমূহে নিম্ন মানদণ্ডৰ শিক্ষণৰ/শিক্ষাদানৰ সন্মুখীন হ'ব লগা হৈছে। ছাত্ৰ-ছাত্ৰীৰ দৈনন্দিন জীৱন/সত্যতাৰ লগত শিক্ষাদানৰ সময় আৰু পাঠ্যক্ৰমৰ কোনো সংযোগ/সম্পৰ্ক নাই। দলীয় কাৰ্য, স্বতন্ত্ৰ শিক্ষণ, সমালোচনাত্মক চিন্তা আৰু সমস্যা সমাধান, নতুন প্ৰযুক্তিৰ ব্যৱহাৰ আৰু জীৱন শৈলীৰ বিকাশ আদিৰ বিকাশৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হোৱা নাই।

**বিদ্যালয়ত উপস্থিতিৰ ব্যয় ঃ**

উন্নয়নশীল দেশত বহুতো লোকে বিদ্যালয়ৰ মাচুল আৰু শিক্ষণ সামগ্ৰীৰ বাবে, বিদ্যালয়ৰ ইউনিফৰ্ম আৰু বিদ্যালয়লৈ যোৱা যাতায়াতৰ ব্যয় বহন কৰিব নোৱাৰে। যিবোৰ দেশত বিদ্যালয়ৰ মাচুল বন্ধ কৰা হৈছে সেই দেশবোৰত ছাত্ৰ-ছাত্ৰীৰ নামভৰ্তিৰ হাৰ লক্ষণীয়ভাৱে বৃদ্ধি পাইছে। বহুসংখ্যক পৰিয়ালে তেওঁলোকৰ শিশুসকলৰ আয়ৰ বৰঙণিৰ ওপৰত নিৰ্ভৰ কৰে। প্ৰায় ১৬৬ মিলিয়ন ৫ বছৰৰ পৰা ১৪ বছৰৰ ভিতৰৰ শিশুসকলে এদিনত প্ৰায়েই ১৬ ঘণ্টা কাম কৰিবলগীয়া হয়। চাব ছাহাৰণ আফ্ৰিকাত ৪ জন শিশুৰ ভিতৰত ১জন আৰু এছিয়াত ৫জনৰ ভিতৰত ১জনে কাম কৰিবলগীয়া হয়।

**উচ্চ নিৰক্ষতাৰ হাৰ ঃ**

উন্নয়নশীল দেশসমূহত ৩০-৫০ শতাংশ লোক যিসকলে ৪ৰ পৰা ৬ বছৰ প্ৰাথমিক শিক্ষাৰ পিছত বিদ্যালয় এৰিছে তেওঁলোক শিক্ষিতও নহয় বা অশিক্ষিতও নহয়। ১৫ ৰ পৰা ২৪ বছৰৰ ভিতৰত প্ৰায় ১১ শতাংশ যুৱক লোক অশিক্ষিত হিচাপে শ্ৰেণী। পৃথিৱীৰ মুঠ অশিক্ষিত লোকসকলৰ ভিতৰত ৯৮ শতাংশ লোক যিসকলে পঢ়িব আৰু লিখিব নাজানে উন্নয়নশীল দেশসমূহত বসবাস কৰে।

**১০.৪ প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনকৰণত আন্তৰ্জাতিক সংস্থাসমূহৰ ভূমিকা ঃ**

প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনকৰণৰ বাবে আৰু শিক্ষাৰ লক্ষ্যত দ্ৰুতভাৱে আৰু অগ্ৰগতিমূলকভাৱে/প্ৰগতিশীলভাৱে উপনীত হ'বলৈ সমগ্ৰ বিশ্বতে বিভিন্ন আন্তৰ্জাতিক সংস্থাসমূহে কাম কৰি আছে। উদাহৰণস্বৰূপে— বিশ্ব বেংক, এছিয়ান ডেভেলপ্‌টমেণ্ট বেংক, ইউ এছ এ আই চি (USAID), ডি এফ আই ডি, এন অ' আৰ এ ডি, চি আই ডি এ, এছ আই ডি এ, এছ ডি চি, ইউনেস্কো ইউনিচিফ, ইউ এন এফ পি এ, ইউ এন ডি পি, অ পি ই চি, আৰু এছ ডি চি আদি হৈছে কিছুমান মুখ্য বাহ্যিক সংগঠন যি সকলোৰে বাবে শিক্ষাৰ বাবে সহযোগ কৰে।

**১০.৪.১ ইউনেস্কো ঃ**

১৯৪৫ চনৰ নৱেম্বৰ মাহত লণ্ডন সন্মিলনত ইউনেস্কো স্থাপন হৈছিল। ইয়াৰ উদ্দেশ্য হৈছে শিক্ষাৰ যোগেদি ৰাষ্ট্ৰসমূহৰ মাজত বুজা-পৰাৰ বৃদ্ধি কৰি শান্তি প্ৰদান কৰা। ইয়াৰ মুখ্য কাৰ্যালয় পেৰিছত অৱস্থিত ইউনেস্কোই অৰ্থনৈতিক বিকাশ আৰু শান্তিৰ বাবে শিক্ষণক গুৰুত্বপূৰ্ণ বুলি বিবেচনা কৰিছে। ইউনেস্কো হৈছে এক আন্তঃচৰকাৰী সংগঠন। ইউনেস্কোই শৈক্ষিক বিকাশৰ বাবে বৈষয়িক আৰু মানৱসম্পদ প্ৰদান কৰি যুৱ স্বাধীন দেশসমূহক সহায় কৰে। সকলো পৰ্যায়তে শিক্ষাৰ উন্নয়নৰ বাবে ই দেশসমূহৰ প্ৰচেষ্টাত সহায় আগবঢ়ায়। সংগঠনে প্ৰগ্ৰেমাৰসকলক শিক্ষক প্ৰশিক্ষণ আৰু পাঠসূচীৰ

প্ৰস্তুতকৰণৰ বাবে অনুদান প্ৰদান কৰে। সকলোৰে বাবে শিক্ষাৰ ক্ষেত্ৰত ইউনেস্কোই গতিবিধি বিষয়ক চিন্তাৰ প্ৰচাৰ কৰে। ১৯৯০ চনৰ জ্যামিটিন সন্মিলনৰ ইউনেস্কোই হৈছে এক প্ৰধান সহায়ক তথা প্ৰৱৰ্তক। সকলোৰে বাবে শিক্ষাৰ আন্দোলনৰ ক্ষেত্ৰত ইউনেস্কোৱে ইয়াৰ মুখ্য অংশীদাৰৰ লগত কিছুমান পৰামৰ্শ হাতত লৈছে। সকলোৰে বাবে শিক্ষাৰ আন্দোলনৰ ক্ষেত্ৰত ইউনেস্কোই তিনিটা প্ৰতিবেদন প্ৰকাশ কৰিছে।

(ক) এক কৰ্ম পৰিকল্পনা যি ৰাষ্ট্ৰীয়, আঞ্চলিক আৰু আন্তৰ্জাতিকভাৱে ক্ৰিয়া গতিশীলন আৰু যুক্তিকৰণৰ প্ৰচেষ্টা কৰে।

(খ) দেশসমূহৰ সকলোৰে বাবে শিক্ষাৰ ক্ষেত্ৰত ৰাষ্ট্ৰীয় পৰিকল্পনাৰ বিকাশত সহায় কৰাৰ উদ্দেশ্যে সকলোৰে বাবে শিক্ষাৰ ৰাষ্ট্ৰীয় ক্ৰিয়া পৰিকল্পনা প্ৰস্তুতকৰণক চৰ্তাৱলী।

(গ) সকলোৰে বাবে শিক্ষাৰ সহায়ৰ বাবে অংশীদাৰৰ সহযোগিতা বিকাশৰ ওপৰত এক প্ৰতিবেদন ঃ যুক্তিযুক্ততা আৰু কৌশলসমূহ যি এই প্ৰতিবেদনৰ আলোচনাৰ এক অংশ স্বৰূপ। এখন বৈদ্যুতিক প্ৰজ্ঞাপন (বোৰ্ড) ফলক যি বিশেষভাৱে সকলোৰে বাবে শিক্ষাৰ ওপৰত তথ্য প্ৰদানৰ বাবে স্থাপন কৰা হৈছে আৰু ই গুৰুত্বপূৰ্ণ ঘটনা আৰু কৃতকাৰ্যতাসমূহৰ বিষয়ে নিয়মিতভাৱে তথ্যৰ যোগান ধৰে। সকলোৰে বাবে শিক্ষাৰ ক্ষেত্ৰত ইউনেস্কোৰ প্ৰতিশ্ৰুতিৰ বিষয়ে তলত উল্লেখ কৰা হৈছে—

**পাঁচটা প্ৰধান দিশ ঃ**

- ইউনেস্কোৰ সকলো কাৰ্যাৱলীত সকলোৰে বাবে শিক্ষা সম্পূৰ্ণৰূপে সংহত কৰা। ই বিশেষকৈ শিক্ষাৰ বিষয়ে বিবেচনা কৰে, কিন্তু ইয়াৰ উপৰিও সংস্কৃতি, যোগাযোগ আৰু তথ্য আৰু বিজ্ঞানৰ লগত সম্বন্ধিত ক্ৰছ বিভাগীয়/আন্তঃবিভাগীয় কাৰ্যাৱলীসমূহ বিবেচনা কৰে।
- দেশসমূহক সকলোৰে বাবে শিক্ষাৰ কাৰ্যকৰীকৰণত সহায় কৰা, উদাহৰণস্বৰূপে শৈক্ষিক আঁচনি/নীতিসমূহৰ প্ৰস্তুতকৰণ যি বাদ পৰা/বহিভূত দলসমূহ পৰিচালনা কৰা।
- সামৰ্থ গঢ়া আৰু দেশসমূহৰ মাজত বিনিময়ৰ বাবে আঞ্চলিক পদ্ধতিসমূহৰ বিকাশ সাধন।
- সম্পদৰ অধিক উপযুক্ত ব্যৱহাৰ আৰু বুনিয়াদী শিক্ষাত অধিক বিনিয়োগত সহায় কৰা।
- আন্তৰ্জাতিক আলোচনাসমূহত সকলোৰে বাবে শিক্ষাৰ প্ৰচাৰৰ দ্বাৰা বিশ্বব্যাপী/আন্তৰ্জাতিক পৰ্যায়ত সকলোৰে বাবে শিক্ষাৰ গতি বজাই ৰখা।

**১০.৪.২ ইউনিছেফ** (UNICEF) ঃ

ইউনিচেফ হৈছে সাধাৰণভাৱে জাতিসংঘৰ সংগঠন— জাতিসংঘৰ আন্তৰ্জাতিক শিশু জৰুৰীকালীন সংস্থা/নিধিৰ বাবে ব্যৱহাৰ কৰা নাম। ইউনিচেফে ১৫০ খন দেশৰ শিশুসকলক চৰকাৰী সহযোগৰ দ্বাৰা সহায় প্ৰদান কৰে বিশেষকৈ স্বাস্থ্যৰ যতন, খাদ্য, পানীৰ যোগান আৰু শিক্ষাৰ ক্ষেত্ৰত। ইউনিচেফে স্বাস্থ্য, খাদ্য, শিক্ষা আৰু মত প্ৰকাশৰ স্বাধীনতাৰ ক্ষেত্ৰত প্ৰত্যেক শিশুৰ অধিকাৰবোৰ ৰক্ষাৰ বাবে কাম কৰে। ইউনিচেফে অক্লান্তভাৱে কাম কৰে যাতে লিংগ, জাতি, অৰ্থসামাজিক পৃষ্ঠভূমি/পৰিস্থিতি আদিৰ নিৰ্বিশেষে প্ৰত্যেক শিশুৱে যাতে গুণগত শিক্ষা লাভ কৰিব পাৰে সেইটো নিশ্চিত কৰিব পাৰি। ই

লিংগসমতাৰ ওপৰত গুৰুত্ব প্ৰদান কৰে আৰু সকলো ধৰণৰ অসমতা দূৰ কৰাৰ দিশে কাম কৰে। ইয়াৰ অভিনৱ আঁচনি আৰু পদক্ষেপসমূহে বিশ্বৰ আটাইতকৈ বঞ্চিত শিশুসকল— বহিৰ্ভূত, অসুৰক্ষিত আৰু অদৃশ্য শিশুসকলক লক্ষ্য কৰি লৈছে। ইউনিচেফে স্থানীয়, ৰাষ্ট্ৰীয় আৰু আন্তৰ্জাতিক অংশীদাৰৰ লগত কাম কৰে যাতে মিলেনিয়াম ডেভেলপমেণ্ট গোল আৰু সকলোৰে বাবে শিক্ষাত (Millenimum Development goal and Education for all) স্থাপিত/উল্লেখিত শৈক্ষিক আৰু লিংগ সমতাৰ লক্ষ্যত উপনীত হ'ব পাৰে। ই সামাজিক ন্যায় আৰু সকলোৰে বাবে সমতাৰ বাবে প্ৰয়োজনীয় সাংগঠনিক পৰিবৰ্তন (কঢ়িয়াই) আনে। বিশ্বৰ বহুতো শিশুৱে বিদ্যালয় বহিৰ্ভূত আৰু তিলকিত তথা নিকৃষ্টমানৰ শিক্ষা লাভ কৰে। এই শিশুবোৰৰ প্ৰত্যেকৰে সপোন আছে যি কেতিয়াও পূৰণ কৰিব পৰা নাই, আৰু সম্ভাৱনা আছে যিবোৰ অনুভৱ তথা চিনাক্তকৰণ কৰিব পৰা নাই। সেয়েহে প্ৰত্যেক শিশুৱে যে গুণগত শিক্ষা লাভ কৰিব পাৰে সেইটো নিশ্চিত কৰি ইউনিচেফে বৃদ্ধি, পৰিবৰ্তন সুবিধা আৰু সমতা আৰু নৱ প্ৰৱৰ্তনৰ বাবে ভেটি নিৰ্মাণ কৰিছে। আকৌ সংকটৰ সময়তে বা শান্তিৰ সময়ত, চহৰতে বা ভিতৰুৱা গাঁৱতে হওঁক ই মৌলিক, অবিনিময়যোগ্য লক্ষ্য ঃ সকলোৰে বাবে গুণগত শিক্ষাৰ লক্ষ্যত উপনীত হোৱাৰ প্ৰতিশ্ৰুতিবদ্ধ।

**১০.৪.৩ বিশ্ব বেংক ঃ**

গুণগত, সাৰ্বজনীন প্ৰাথমিক শিক্ষা আৰু সকলোৰে বাবে শিক্ষাৰ অন্যান্য লক্ষ্যত উন্নতিৰ বাবে বিশ্ব বেংকে সকলোৰে বাবে শিক্ষা সমৰ্থন কৰে। বিশ্বৰ প্ৰায় ৯০খন দেশত বিশেষ কাৰ্যাৱলীৰ দ্বাৰা বিশ্ববেংকে সকলোৰে বাবে শিক্ষাৰ সমৰ্থন কৰে। ই তদুপৰি কিছুমান বহুমাত্ৰিক প্ৰচেষ্টাৰ দ্বাৰা সকলোৰে বাবে শিক্ষা সমৰ্থন কৰে যাতে—

- প্ৰাথমিক বিদ্যালয়ৰ প্ৰৱেশ/সুবিধা গ্ৰহণ সমতা/ন্যায় আৰু শৈক্ষিক সমতা আৰু শিক্ষণ ফলাফলৰ উন্নতিকৰণ।
- ছোৱালীৰ অপচয়/বিদ্যালয় বাদ পৰা আৰু সংৰক্ষণৰ হাৰ আৰু তেওঁলোকৰ শিক্ষণ ফলাফলৰ উন্নতিকৰণ।
- HIV/এইছ্ আই ভিৰ দ্বাৰা আক্ৰান্ত শিশুসকলৰ বাবে শিক্ষা প্ৰদান কৰা।
- আগতীয়া বাল্যকালৰ বিকাশ সাধন।
- বিভিন্ন দেশসমূহত সকলোৰে বাবে শিক্ষাৰ দিশসমূহ ৰক্ষণাবেক্ষণ দিয়া।

সকলোৰে বাবে শিক্ষাৰ লক্ষ্যত উপনীত হ'বলৈ প্ৰত্যেক দেশৰ লগত কাম কৰাৰ বাবে উন্নয়নশীল দেশসমূহ আৰু দাতাসমূহৰ মাজত এক পাৰস্পৰিক দায়িত্বৰ প্ৰয়োজন। সকলোৰে বাবে শিক্ষাৰ লক্ষ্যত উপনীত হ'বলৈ প্ৰয়োজনীয় সম্পদসমূহৰ গতিশীলনত বিশ্ববেংকে সহায় কৰে। বিশ্বব্যাপী জ্ঞান আৰু উপযুক্ত ব্যৱস্থাৰ বিতৰণ আৰু বিশ্লেষণাত্মক কাৰ্যৰ দ্বাৰা সকলোৰে বাবে শিক্ষাৰ প্ৰচেষ্টাসমূহক বিশ্ব বেংকে সহায় কৰে।

**১০.৪.৪ আন্তৰ্জাতিক বিকাশৰ বিভাগ (ডি এফ আই ডি) ঃ**

ডি এফ আই ডি হৈছে ইউ কে চৰকাৰৰ এটা অংশ যি বিকাশ সাধন আৰু অতিমাত্ৰা দৰিদ্ৰতা হ্ৰাসকৰণৰ বাবে উন্নয়নশীল দেশসমূহৰ লগত অংশদাৰী হিচাপে কাম কৰে। ই দেশসমূহক Millenium Development goals ত উপনীত হ'বলৈ আৰু ২০১৫ ৰ ভিতৰত বিশ্বৰ দ্ৰৰিদ্ৰতা হ্ৰাসকৰণ কৰাৰ বাবে লোৱা জাতিসংঘৰ দ্বাৰা অনুমোদিত আন্তৰ্জাতিক লক্ষ্যত উপনীত হ'বলৈ সমৰ্থন কৰে। ডি এফ আই ডি যে চৰকাৰৰ লগতে দান, ব্যৱসায় আৰু আন্তৰ্জাতিক সংস্থা— বিশ্ব বেংক, ইউ এন সংগঠন আৰু ইউৰোপিয়ান আয়োগৰ সৈতে দ্ৰৰিদ্ৰতাৰ কাৰণসমূহ নিৰ্মূল কৰাৰ বাবে দীৰ্ঘকালীন ব্যৱস্থা সমৰ্থন কৰে।

ইউ এফ আই ডিয়ে ভাৰতবৰ্ষৰ দুখীয়া ৰাজ্যসমূহ যেনে— বিহাৰ, মধ্যপ্ৰদেশ, ওড়িষ্যা আৰু পশ্চিম বংগ আদিক সমৰ্থন কৰে। ই ভিতৰুৱা গাঁওৰ আৰু নগৰৰ বস্তিসমূহৰ দুখীয়াসকলক অৰ্জন আৰু স্বাস্থ্য, শিক্ষা আৰু পানী আৰু অনাময় ব্যৱস্থাৰ সুবিধা লাভৰ ক্ষেত্ৰত সহায় কৰিবলৈ ৰাজ্য চৰকাৰসমূহৰ লগত কাম কৰে। ডি এফ আই ডিয়ে আকৌ বহুপক্ষীয় অংশীদাৰৰ সৈতে ন্যাস নিধি স্থাপন কৰিছে। এই বহুপক্ষীয় অংশীদাৰসমূহ হৈছে— বিশ্ব বেংক, এছিয়ান ডেভেলপেণ্ট বেংক আৰু ইউনিচেফ। ই আকৌ আন্তৰ্জাতিক আৰু স্থানীয় স্বেচ্ছাসেৱী সংগঠন আৰু ব্যক্তিগত খণ্ড যেনে— ভাৰতৰ ক্ষুদ্ৰ উদ্যোগসমূহৰ বিকাশ বেংক আদিৰ (SIDBI) সৈতে কাম কৰে।

**১০.৪.৫ ছুইডিচ আন্তৰ্জাতিক বিকাশ সংগঠন (SIDA) Swedish International Development Agency ঃ**

এছ্ আই ডি এ হৈছে ছুডেইনৰ এক চৰকাৰী সংগঠন। ই বিশ্বব্যাপী প্ৰযুক্তিগত সহায় আৰু অনুদান প্ৰদান কৰে। এছ্ আই ডি এ স্বেচ্ছাসেৱী সংগঠন, বহুপক্ষীয় সহযোগ আৰু ই ইউৰ দ্বাৰা আনৰ মাজত সম্পদবোৰৰ ব্যৱহাৰ কৰে। আৰু আন্তৰ্জাতিক বিকাশ সহযোগৰ ধাৰণা প্ৰচাৰ/বিকাশৰ প্ৰতি আগ্ৰহী। ১০০ খন ৰাষ্ট্ৰত ২০০০ প্ৰকল্পক সমৰ্থন কৰি, এছ্ আই ডি এ কোম্পানী, জনপ্ৰিয় আন্দোলন, সংগঠন, বিশ্ববিদ্যালয় আৰু চৰকাৰী সংগঠনসমূহৰ লগত ইয়াৰ বিকাশমূলক প্ৰকল্পৰ অংশীদাৰিত্বৰ সৃষ্টি কৰিব বিচাৰে। এছ্ আই ডি এৰ ভৌগোলিক গুৰুত্ব আফ্ৰিকা, এছিয়া, দক্ষিণ আমেৰিকা, আৰু কেন্দ্ৰীয় আৰু পূব ইউৰোপৰ ওপৰত।

১৯৬৪ চনৰ পৰা ভাৰতবৰ্ষ হৈছে ছুইডিচ দ্বি-পক্ষীয় বিকাশ সহায় প্ৰাপক তথা সহায় লাভ কৰি আহিছে। ছুইডিচ আন্তৰ্জাতিক বিকাশ সহায়ক সংগঠনৰ সহায়ত শিক্ষা কৰ্মী প্ৰকল্প (SKP) ১৯৮৭ চনত কাৰ্যকৰী কৰা হৈছিল। এই প্ৰকল্পই ৰাজস্থানৰ ভিতৰুৱা আৰু আৰ্থ-সামাৰিকভাৱে পিছপৰা গাঁওসমূহত প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনকৰণ আৰু গুণগত উন্নয়নৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে, বিশেষকৈ ছোৱালীসকলৰ ওপৰত।

**১০.৫ বিশ্ব শিক্ষা মঞ্চ, ডাকাৰ চেনেগল ২০০০ ঃ**

সকলোৰে বাবে শিক্ষাৰ বিশ্ব সন্মিলনত ১৫৫ দেশৰ আৰু ১৫০টা সংগঠনৰ প্ৰতিনিধিসকলে ২০০০ চনৰ ভিতৰত সকলোৰে বাবে শিক্ষা প্ৰদানৰ প্ৰতিশ্ৰুতি লৈছিল। তেওঁলোকৰ উদ্দেশ্য আছিল যে শিশু, যুৱক আৰু প্ৰাপ্তবয়স্ক সকলো লোকে তেওঁলোকৰ মৌলিক শিক্ষণ প্ৰয়োজনসমূহ পূৰণৰ

বাবে প্ৰস্তুত কৰা শৈক্ষিক সুবিধাৰ পৰা লাভৱান হ'ব। সেয়েহে সকলোৰে বাবে শিক্ষাৰ বিশ্ব ঘোষণাপত্ৰক শিক্ষাৰ ক্ষেত্ৰত এক নতুন বলিষ্ঠ দিশ বুলি সংজ্ঞায়িত কৰা হয়। একৈশ শতিকাৰ শিক্ষাৰ ক্ষেত্ৰত আন্তৰ্জাতিক আয়োগৰ ইউনেস্কোৰ প্ৰতিবেদনে চাৰিটা স্তম্ভৰ সৈতে শিক্ষাৰ এক নতুন দৃষ্টিভংগী প্ৰদান কৰিছে—

- Learning to know (জানিবলৈ শিক্ষণ)
- Learning to do (কৰিবলৈ শিক্ষণ)
- Learning to be (হ'বলৈ শিক্ষণ)
- Learning to live togather (একেলগে সহৱস্থানৰ বাবে শিক্ষণ)

ডাকাৰ সন্মিলনত, অংশগ্ৰহণকাৰীসকলে সকলো/প্ৰত্যেক নাগৰিকৰ বাবে আৰু প্ৰত্যেকে সমাজৰ বাবে সকলোৰে বাবে শিক্ষাৰ লক্ষ্যত উপনীত হ'বলৈ প্ৰতিশ্ৰুতিবদ্ধ হৈছিল।

**সকলোৰে বাবে শিক্ষাৰ লক্ষ্যসমূহ**

(ক) ব্যাপক আগতীয়া বাল্য কালৰ যতন আৰু শিক্ষাৰ উন্নয়ন আৰু সম্প্ৰসাৰণ বিশেষকৈ অসুৰক্ষিত আৰু বঞ্চিত শিশুসকলৰ বাবে।

(খ) ২০১৫ ভিতৰত সকলো শিশু বিশেষকৈ ছোৱালী, সংকটপূৰ্ণ পৰিস্থিতিত শিশুসকল আৰু জাতিগত সংখ্যালঘু সম্প্ৰদায়ৰ পৰা অহা শিশুসকলক উন্নত মানৰ বিনামূলীয়া আৰু বাধ্যতামূলক প্ৰাথমিক শিক্ষা লাভৰ সুবিধা প্ৰদান আৰু সমাপ্ত কৰাটো নিশ্চত কৰা।

(গ) শিক্ষণৰ ন্যায়সংগত উপযুক্ত সুবিধা আৰু জীৱনশৈলী ব্যৱস্থাৰ দ্বাৰা সকলো যুৱক আৰু প্ৰাপ্তবয়স্ক ব্যক্তিসকলৰ শিক্ষণৰ প্ৰয়োজন পূৰণ কৰাটো নিশ্চিত কৰা।

(ঘ) ২০১৫ চনৰ ভিতৰত ৫০ শতাংশ প্ৰাপ্তবয়স্ক সাক্ষৰতা পৰ্যায়ৰ উন্নয়নত উপনীত হোৱা, বিশেষকৈ মহিলা, আৰু সকলো প্ৰাপ্তবয়স্কসকলৰ বাবে বুনিয়াদী আৰু অবিৰত শিক্ষাৰ ন্যায়সংগত সুবিধা প্ৰদান কৰা।

(ঙ) ২০০5 চনৰ ভিতৰত প্ৰাথমিক আৰু মাধ্যমিক শিক্ষাত লিংগ বৈষ্যমতা দূৰ কৰা, আৰু ২০১৫ চনৰ ভিতৰত শিক্ষাত লিংগ সমতা লাভ কৰাৰ লগতে উন্নত গুণমানৰ বুনিয়াদী শিক্ষা লাভ ছোৱালীৰ সম্পূৰ্ণ আৰু সমাজ শিক্ষা লাভ নিশ্চিত কৰাৰ ওপৰত গুৰুত্ব প্ৰদান।

(চ) শিক্ষাৰ গুণমানৰ সকলো দিশ উন্নত কৰা আৰু সকলোৰে উৎকৃষ্টতা নিশ্চিত কৰা যাতে সকলোবোৰ দ্বাৰা স্বীকৃত আৰু পৰিমাণযোগ্য শিক্ষণ ফলাফল লাভ কৰিব পৰা যায়, বিশেষকৈ সাক্ষৰতা, গণনা আৰু প্ৰয়োজনীয় জীৱন শৈলীৰ ক্ষেত্ৰত।

**বিশ্ব শিক্ষা মঞ্চৰ উদ্দেশ্যসমূহ হ'ল—**

(ক) সকলোৰে শিক্ষাৰ বাবে বলিষ্ঠ ৰাষ্ট্ৰীয় আৰু আন্তৰ্জাতিক ৰাজনৈতিক প্ৰতিশ্ৰুতিৰ

গতিশীলন/বিকাশ, ৰাষ্ট্ৰীয় ক্ৰিয়া পৰিকল্পনাৰ বিকাশ সাধন আৰু বুনিয়াদী শিক্ষাত গুৰুত্বপূৰ্ণভাৱে বিনিয়োগ বৃদ্ধি কৰা।

(খ) বহনক্ষম আৰু উপযুক্তভাৱে সম্বলিত পৰিস্থিতিৰ গাঁথনিত সকলোৰে বাবে শিক্ষাৰ নীতিসমূহ প্ৰচাৰ/বিকাশ সাধন, যি স্পষ্টভাৱে দৰিদ্ৰতা দূৰীকৰণ আৰু বিকাশমূলক কৌশলসমূহৰ সৈতে জড়িত।

(গ) সংঘাত, প্ৰাকৃতিক দুৰ্যোগ আৰু অস্থিৰতাৰ দ্বাৰা প্ৰভাৱিত শিক্ষাব্যৱস্থাৰ প্ৰয়োজনসমূহ পূৰণ কৰা আৰু শৈক্ষিক কাৰ্যসূচী এনেদৰে সঞ্চালিত কৰিব লাগে যাতে ই পৰস্পৰ বুজাপৰা, শান্তি আৰু হিংসাৰ সৃষ্টিত বাধা দিয়াত সহায় কৰা।

(ঘ) শিক্ষাত লিংগ সমতাৰ বাবে সংহত ব্যৱস্থা বা কৌশলৰ কাৰ্য্যকৰী কৰা যি মূল্যবোধ, দৃষ্টিভংগী আৰু ব্যৱস্থাৰ পৰিবৰ্তনৰ প্ৰয়োজনীয়তাক স্বীকৃতি প্ৰদান কৰে।

(ঙ) তৎকালীন ব্যৱস্থা হিচাপে শৈক্ষিক ব্যৱস্থা আৰু কাৰ্য্যৱলী কাৰ্যকৰী কৰা যাতে এইচ আই ভি আৰু এইডছৰ লগত যুঁজিব পৰা যায়।

(চ) শিক্ষকৰ পদ মৰ্যাদা/স্থিতি, মনোবল আৰু বৃত্তিগততা/পোদ্দাৰি বৃদ্ধি কৰা।

(ছ) সকলোৰে বাবে শিক্ষাৰ লক্ষ্যত উপনীত হ'বলৈ নতুন তথ্য আৰু যোগাযোগ প্ৰযুক্তিৰ ব্যৱহাৰ কৰা।

(ঙ) সকলোৰে বাবে শিক্ষাৰ লক্ষ্যৰ দিশে উন্নয়নৰ আৰু ৰাষ্ট্ৰীয়, আঞ্চলিক আৰু আন্তৰ্জাতিক পৰ্যায়ত কৌশলসমূহৰ পদ্ধতিগতভাৱে পৰ্যবেক্ষণ কৰা।

উপযুক্ত বিকাশ সহযোগিতাৰ দ্বাৰা সমৰ্থিত বিভিন্ন বলিষ্ঠ ৰাষ্ট্ৰীয় কৌশলসমূহৰ দ্বাৰা লাভ কৰা সফলতাৰ বিভিন্ন দেশৰ উদাহৰণ ইতিমধ্যে ইয়াত আছে। এই কৌশলসমূহৰ অধীনত উন্নতি বৰ্ধিত আন্তৰ্জাতিক সমৰ্থনৰ দ্বাৰা দ্ৰুত কৰিব পাৰি বা কৰা উচিত। কম উন্নত কৌশলৰ দেশসমূহক সকলোৰে বাবে শিক্ষাৰ দিশত অধিক উন্নতি লাভ কৰাৰ বাবে প্ৰয়োজনীয় সমৰ্থন দিয়া উচিত। অংশগ্ৰহণকাৰী দেশসমূহে আন্তৰ্জাতিক আৰু আঞ্চলিক পদ্ধতিসমূহ সুদৃঢ়কৰণ কৰিব যাতে এই প্ৰতিশ্ৰুতিসমূহৰ স্পষ্ট প্ৰকাশ কৰিব পাৰে আৰু প্ৰত্যেক ৰাষ্ট্ৰীয় আৰু আঞ্চলিক অনুষ্ঠান, প্ৰত্যেক ৰাষ্ট্ৰীয় আইনসভা আৰু প্ৰত্যেক স্থানীয় সিদ্ধান্ত গ্ৰহণকাৰী মঞ্চৰ বিষয়সূচীৰ ভিতৰত ডাকাৰ কৰ্ম-গাঁথনিৰ অন্তৰ্ভূক্তি নিশ্চিত কৰা। সকলোৰে বাবে শিক্ষাৰ ২০০০ পৰিমাপনে উল্লেখ কৰিছে যে সকলোৰে বাবে শিক্ষাৰ প্ৰত্যাহ্বান চাব-চাহাৰাণ আফ্ৰিকা, দক্ষিণ এছিয়া আৰু কম উন্নত দেশসমূহত অধিক। পূৰ্বৱৰ্তী লক্ষ্য আৰু কৌশলসমূহৰ কাৰ্য্যকৰীকৰণৰ বাবে ৰাষ্ট্ৰীয়, আঞ্চলিক আৰু আন্তৰ্জাতিক পদ্ধতিসমূহৰ তাৎক্ষণিকভাৱে পদক্ষেপ লোৱাৰ প্ৰয়োজন হ'ব। সকলোৰে বাবে শিক্ষা কাৰ্যসূচীৰ মূল দেশসমূহৰ পৰ্যায়ত নিৰ্ভৰ কৰে। সকলোৰে বাবে শিক্ষাৰ সফলতা কৃতকাৰ্যতা সমৰ্থন কৰাৰ বাবে ৰাষ্ট্ৰীয় সকলোৰে বাবে শিক্ষাৰ মঞ্চ সুদৃঢ়কৰণ আৰু স্থাপন কৰা হ'ব। গুৰুত্বপূৰ্ণ প্ৰত্যাহ্বান সম্বলিত দেশসমূহৰ বাবে যেনে—জটিল সংকট বা প্ৰাকৃতিক দুৰ্যোগ বিশেষ প্ৰযুক্তিগত সমৰ্থন আন্তৰ্জাতিক সম্প্ৰদায়ৰ দ্বাৰা প্ৰদান কৰা হ'ব।

**কাৰ্যাৱলী ঃ ১**

তলত দিয়া বিকল্পসমূহৰ পৰা উপযুক্ত উত্তৰটো চিনাক্ত কৰা আৰু লিখা

১। (ক) জ্যামিটিন সন্মিলনৰ অংশগ্ৰহণকাৰীসকলে অধিকাৰ পুনৰ্ব্যক্ত কৰে— ঃ

(i) লিংগ সমতা

(ii) প্ৰাপ্তবয়স্কসকলৰ শিক্ষা

(iii) প্ৰত্যেক নাগৰিকৰ

(iv) এইডছ্ আই ভি আৰু এইডছ্‌ৰ দ্বাৰা প্ৰভাৱিত শিশুসকলৰ শিক্ষা।

(খ) জ্যামিটিন সন্মিলনৰ পাঁচটা মৌলিক নীতিসমূহ কি কি?

(গ) জ্যামিটিন সন্মিলনৰ মুখ্য উদ্দেশ্যসমূহ সংক্ষিপ্তভাৱে উল্লেখ কৰা।

২। ই—৯ ৰাষ্ট্ৰসমূহ হৈছে—

(ক) বৈদ্যুতিক দেশসমূহ।

(খ) অৰ্থনৈতিকভাৱে উন্নত দেশসমূহ।

(গ) বৰ্দ্ধিত জনসংখ্যাৰ দেশসমূহ।

(ঘ) অৰ্থনৈতিকভাৱে দুৰ্বল/পিছপৰা দেশসমূহ।

৩। তলৰ প্ৰশ্নসমূহৰ উত্তৰ লিখা ঃ

(ক) জ্যামিটিন সন্মিলনৰ পিছত ই-৯ দেশসমূহৰ সফলতাবোৰ কি?

(খ) দক্ষিণ এছিয়ান অঞ্চলসমূহত প্ৰাথমিক শিক্ষাৰ বিষয়ে সংক্ষিপ্ত বিৰৰণ দিয়া।

**কাৰ্যাৱলী ২**

উন্নত আৰু উন্নয়নশীল দেশসমূহৰ প্ৰাথমিক শিক্ষাৰ পদক্ষেপসমূহৰ বিষয়ে কিছুমান বিশেষজ্ঞক অন্তৰ্ভুক্ত কৰি আপোনালোকৰ সহকৰ্মীসকলৰ বাবে আলোচনা অনুষ্ঠিত কৰা

———————————————————————————

———————————————————————————

———————————————————————————

### ১০.৬ সামৰণি/সমাপ্ত ঃ

- কোনো দেশে তেওঁলোকৰ জনসাধাৰণক শিক্ষিত নকৰাকৈ সফল হোৱা নাই।
- শিক্ষা হৈছে বৃদ্ধিৰ সহায়ক আৰু দৰিদ্ৰতা দূৰীকৰণৰ চাবিকাঠি।
- বুনিয়াদী শিক্ষা হৈছে জীৱনজোৰা শিক্ষণৰ ভেটিস্বৰূপ। আৰু জীৱনজোৰা শিক্ষণ হৈছে ২১

শতিকাৰ শিক্ষাৰ মূল চাবিকাঠি, বয়স আৰু শৈক্ষিক পৰ্যায়ৰ লগত সম্পৰ্কিত পৰম্পৰাগত দলসমূহক ই বিচ্ছিন্ন কৰে, ই আনুষ্ঠানিক, অনানুষ্ঠানিক আৰু অগতানুগতিক, বিদ্যালয় আৰু বিদ্যালয় বহিৰ্ভূত শিক্ষাৰ মাজত পৰম্পৰাগত পাৰ্থক্যৰ অতিক্ৰম কৰে আৰু শিক্ষা কৰ্মৰ মাজৰ পাৰ্থক্য অতিক্ৰম কৰে।

## ১০.৭ শব্দকোষ/সংক্ষিপ্ত নাম ঃ

- ADEA– Association for the Development of  Educationin Afrika.
- AFDB– African Development Bank.
- CDF– Comprehensive Development Framework.
- CREMIS– Caribbean Regional Educational Management Information System.
- DFID– Department for International Development.
- ECCD– Early Childhood Care and Education.
- EU– European Union.
- FRESH– Focusing Resources on Effective school health.
- EFA– Education for all.
- HIPC– Highly Indebted Poor Countries Initiative.
- HIV– Human Immunodeficiency Virus.
- IBE– International Bereau of Education.
- ICT– Information and Communication technologies.
- IIEP UNESCO– International Institute for Educational Planning.
- NGO– Non-Governmental organization.
- OIE– Organisation of Ibero-American States for Education, Science and Culture.
- SIDA– Swedish International Development Co-operation Agency.
- UN AIDS– Joint United Nations Programme on HIV/AIDS.
- UNDAF– United Nations Developmental Assistance Framework.
- UN/DESA– United Nations Department of Economic and Social Affairs.
- UNPP– United Nations Development Programme.
- UNESCO– United Nations Educational, Scientific and Cultural Organisation.

- UNFPA– United Nations Population Fund.
- UNGIE– United Nations girl's Education Initiative.
- UNICEF– United Nations International Childris Emergency Fund.
- WGEFA– Working Group on Education for all.
- WHO– World Health Organisation.

১০.৮ পৰামৰ্শমূলক পঠন আৰু প্ৰসংগপুথি ঃ সন্মিলন প্ৰতিবেদন আৰু কাকত


- World Education Forum (=WEF). Dakar, Senegal, 26-28 April 2000. The Dakar Framework of Action. Education for All : Meeting Our Collective Commitments. www 2. Unesco/org/wef/en
- World Education Forum. Adress by Koichiro Matsuura, Director General, UNESCO.www2-unesco.org/wef/en-news/coverage-speech-jihiro shtm.
- World Education Forum. James. D. Wolfensohn President. The World Bank. Presentation at the WEF. www2.unesco.org/wef/en-news/coverage-speech-wolfen.shtm.
- World Education Forum. Reviewed Hope:Nhos and Civil Society in Education for All Executive Summery (Press Release) of the NGO Study by Press and Information office of the Dakar Meeting (= NGO Study). www.2 unesco.org/wef/en-leadup/findings-ngo-shtm)
- World Education Forum : NGO Declaration on Education for All, Dakar 25 April 2000, 4 pages.
- World Education Forum. Stretegy Session "Literary for All : A Renewed vision for a ten year glabae Action Plan". Dakar, 27 April 2000 and Draft of a Resolution for a UN Leteracy Decade
- World Education Forum, Statistical Document. UNESCO Institute for Statistics, Paris 2000.
- EFA Thematic Study on Community Partnership in Education : Dimensions, Variations, and Implications, by Marc Bray. Jamuary 2000. Comparative Education Research Centre. The University of Hong kong, Pokfulam Road. Hongkong, China.
- EFA Thematic Study on Funding Agencies' Contributiont to Education for. All, by clare bentall, Edwina Peart, Roy Carr-Hill, and Aidan Cox, February 2000. Overseas Development Institute, London, Porltand House, Stag Place, London,

SWIESDP. www-one world org lodi

- EFA Thematic study on Literacy and Adult Education. Prepared by the International Literary Institute, Principal Author. Daniel Wagner. March 2000. University of Pennsylvania– UNESCO. 3910 Chestnut Street Philadelphia, PA-10104-314 www.literaryonline.org.
- Mid-Decade Meeting of the International Consultative Forum on Education for All, 16-19 June1996, Amman, Jordem, Final Report. EFA Forum Secretariat UNESCO, Paris 1996
- Worl Conference on Education for All (=WCEFA), 5-9 March 1990, Jometien, Thailand World Declaration on Education for all and Framework for Action to Meet Basic Learning Needs, Published by the Inter-Agency Commission. UNICEF House, New York. N.Y April 1990
- Firth International Conference on Adult Education = (CONFINTEA V), 14-18 July 1997, Hamburg, Germany, Declaration on Adult learnign. UNESCO Institute for Education, Hamburg 1997.

**অন্যান্য সম্পৰ্কিত প্ৰকাশন ঃ**

- Bhala H.S Evaluating literacy for Development Projects, Programs and Compaigns, UNESCO. Institute for Education, Hamburg; German Foundation for Internation Development, Born 1990.
- Torres, Rosa Maria, One Decade of Education for All : The Challanges ahead International Institute for Educational planning (UNESCO/IIEP), Buenos Aires 2000.
- Publication on Dakar by/on the world Education Forum in the Internet Under www 2. Unesco.org/wef
- Hard copies can be ordered from UNESCO– http://Unesdoc.UNESCO.org/images/0012/001228/122850 pdf

**১০.৯ গোট সমাপ্তি অনুশীলনী ঃ**

(ক) বিশ্ব শিক্ষা মঞ্চ (World Education Forum)ৰ উদ্দেশ্যসমূহ আলোচনা কৰা।

(খ) ইউ ই ইৰ ক্ষেত্ৰত আপোনাৰ মতে জ্যামিটিন সন্মিলনৰ প্ৰভাৱ কি?

(গ) ইউ ই ই (UEE) ত ইউনেস্কোৰ ভূমিকা কি?

(ঘ) ইউ ই ই ৰ ক্ষেত্ৰত বিশ্বেবেংক, SIDA, DFID য়ে কেনে ধৰণৰ ভূমিকা পালন কৰিছে?

(ঙ) ২০০০ চনত ডাকাৰত অনুষ্ঠিত হোৱা বিশ্ব শিক্ষা সন্মিলনত গ্ৰহণ কৰা দিশ/সমস্যাসমূহ সংক্ষিপ্তৰূপে বৰ্ণনা কৰা